অক্টোবৰ 2012 ■ ₹ 25/-

চান্দমামা

Mumbai Edition

RECAP: RAM AND SHYAM RESCUE AN ALIEN - ZARTOSAARR, WHAN HIS SPACESHIP CRASHES TO EARTH. IN RETURN HE GIFTS THEM THE DEKATRIX, A POWERFUL GADGET WITH 10 POWERS.

EACH POWER CAN BE UNLOCKED BY EATING THEIR FAVOURITE POPPINS. 10 POWERS: *SHAPE SHIFTER*-GREEN APPLE, *SPEED*-MANGO, *FLIGHT*-ORANGE, *GIANT*-WATERMELON, *STRENGTH*-RASPBERRY, *SHRINK*-LYCHEE, *INVISIBLE*-PINEAPPLE, *STRETCH*-MUSK MELON, *FISSION*-BLACK CURRANT, *FORCE FIELD*-GUAVA.

www.chandamama.com/parle/

উদীয়মান তাৰকা



যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street, Vadapalani, Chennai-26
(or)
online@chandamama.com

আশা কৰাতকৈ অধিক

কানাডাত, ছাত্ৰই স্নাতক ডিগ্ৰী লাভ কৰিবৰ বাবে প্ৰয়োজন হোৱা সেচ্ছাসেৱা ক্ৰেডিটতকৈ বেছি অৰ্জন কৰিছে ১৪ বছৰীয়া শিশু হাৰনুৰ গীলে। তেওঁ এতিয়ালৈকে ১০০০ ঘন্টাতকৈ অধিক সময় সেচ্ছাসেৱাত অতিবাহিত কৰিছে। তিনি বছৰ বয়সৰ পৰাই হাৰনুৰে এই কাম কৰিবলৈ আৰম্ভ কৰে। হাৰনুৰে সেৱা আগবঢ়োৱা কিছুমান সেচ্ছাসেৱী সংস্থাৰ উদাহৰণ হ'ল চিলড্ৰেন এইড চছাইটি আৰু এমাজিং কিড। অলপতে তেওঁ নিজাকৈ এটা সেচ্ছাসেৱী সংস্থা প্ৰতিষ্ঠা কৰে। এই সংস্থাৰ নাম হ'ল জিন গ্ৰীণ ড্ৰাইভ চেৰিটি। এই সংস্থাই নতুন আৰু ব্যৱহৃত জিনছ সংগ্ৰহ কৰে আৰু সেইবিলাক বিতৰণ কৰে। মানুহক ঠাণ্ডাৰ পৰা ৰক্ষা কৰিবৰ বাবে হাৰনুৰে এই উপায় চিন্তা কৰি উলিয়ায়। হাৰনুৰে আশা কৰে যে তেওঁ সেচ্ছাসেৱী সংস্থাৰ লগত যুক্ত হৈ নেতৃত্বৰ বাবে প্ৰয়োজনীয় গুণসমূহ আহৰণ কৰিব পাৰিব। লগতে তেওঁ ভাৱে যে এই সেৱা আৰম্ভ কৰিবৰ বাবে বয়স কেতিয়াও সমস্যা হব নোৱাৰে। তেওঁ আশা কৰে যে সকলোৱে এই সেৱাৰ বিষয়ে পঢ়া শুনা কৰিব আৰু আনক সহায় কৰিবলৈ আগবাঢ়ি আহিব। হাৰনুৰে গণিত আৰু বিজ্ঞান বৰ ভাল পায় আৰু লগতে তেওঁ ভাষা, বুৰঞ্জী আৰু ভূগোলো উপভোগ কৰে। তেওঁ ভৱিষ্যতে এজন জীৱবিজ্ঞানী হব বিচাৰে।

তেওঁ ভৱিষ্যতে সাগৰীয় পৰিবেশ সম্বন্ধীয় কাম কাজৰ লগত নিজকে যুক্ত কৰিব বিচাৰে আৰু লগতে সেচ্ছাসেৱী সংস্থাৰ লগত নিজৰ সম্পৰ্ক আগুৱাই নিব বিচাৰে।



October 2012 ₹25/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju

Sub Editor :
Patricia Pandian

General Manager :
Sowmya Bharadwaj

Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar

Artist :
Venki

Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar

Production In-charge :
Prashant Pawar

Circulation:
circulation@chandamama.com

Asst. Manager - Sales & Circulation:
Subhankar Rej

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Customer Help :
Ph: 022 40786043
customerhelp@chandamama.com

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Mulekar
Published At : B-3, Lunic Industries, "B" Cross Rd, Opp.SBI, MIDC, Andheri (E), Mumbai - 400 093.
Printed At :- Mothers Graphics (I) Pvt. Ltd. 91D, Govt. Ind. Estate, Charkop, Kandivali (W), Mumbai - 400 067.
Editor :- Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-3 October 2012 Issue-10

* পাঠকৰ পত্ৰ ...০৬
* ৰূপৰ সেই গছাটো ...০৭
* মোৰ স্মৃতি ...০৯
* বিৰাজৰ সিদ্ধান্ত ...১১
* ভাল কাম ...১৭
* ব্যৱস্থা ...২০
* মিত্ৰ লাভ – ৩ ...২৪
* বাসৱৰ ব্যৱসায়িক মন ...২৭
* বজ্ৰপাত ...৩০
* ভাগ্য দেৱতা ...৩২
* পৰামৰ্শৰ দোকান ...৩৫
* সঞ্জীৱনী গছ ...৩৯
* কাছৰ পৰা শিকিবলগীয়া পাঠ ...৪৩
* স্বৰ্ণ হস্ত ...৪৪
* মিছলীয়া ...৪৮
* অমৃত ...৫২
* সংগীতৰ কাহিনী ...৫৪
* শিথিলালয় – ৩১ ...৫৫
* অব্যৱহৃত জ্ঞান ...৬৩
* লহৰ লিখা মুন্সী ...৬৪
* কামত নহা সন্মান ...৬৬
* কামত নহা সন্মান ...৬৭
* পুৰস্কাৰ ...৭০
* মই কি হ'ব পাৰো? ...৭৩
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৪৫ ...৭৪
* কৌতুক ...৭৫
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* বীৰবল ...৮০
* গুঞ্জনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

10-10-2012

মহাত্মাক সোঁৱৰণ...

যোৱা বছৰৰ অক্টোবৰৰ সম্পাদকীয়ত, মই ইতিহাসৰ পুণৰাবৃত্তি প্ৰত্যক্ষ কৰাৰ কথা লিখিছিলো আৰু এই এটা বছৰে যিবিলাক ঘটনা ঘটিল, তাৰফলত আমি ‘স্বৰ্গীয় হস্তক্ষেপ’লৈ আশা কৰি আকাশলৈ চাই থকাৰ বাহিৰে আন কোনো উপায় নাথাকিল। ভ্ৰষ্টাচাৰকে ধৰি বহু সামাজিক ব্যাধিৰ বিৰুদ্ধে যোৱাবছৰ আৰম্ভ হোৱা আন্দোলনটোৱে বহুবিলাক কাৰণৰ বাবে দিক হেৰুৱাই পেলোৱা যেন অনুভৱ হয়। কিন্তু এই কথাত আমি আশাহত নহৈ নিজকে অধিক শক্তিশালী কৰি গঢ়ি তুলিবলৈহে চেষ্টা কৰিব লাগে।

আমি এই মাহতে ‘দছেৰা’ উৎসৱ পালন কৰো। ইয়াৰ পৰা আমাৰ বহু শিকিবলগীয়া আছে। আত্মবিশ্বাস, মানসিক দৃঢ়তা আৰু নিজৰ সৈন্যবাহিনীৰ পৰা লাভ কৰা সহযোগিতাৰ বাবেই ৰামে শক্তিশালী ৰাৱণক পৰাজিত কৰিবলৈ সক্ষম হৈছিল। একেদৰেই আমি সকলোৱে একগোট হৈ সমাজ ধ্বংসকাৰী ভ্ৰষ্টাচাৰ, অনগ্ৰসৰতা, শিক্ষাহীনতা, খাদ্যহীনতা আদিৰ বিপক্ষে যুঁজ দি আমাৰ দেশৰ বিকাশত সহায় কৰা উচিত।

‘এপল’ৰ ‘এপ ষ্টোৰ’ৰ যোগেদি উপলব্ধ চান্দমামাৰ প্ৰতি তোমালোকে জনোৱা সঁহাৰিত অনুপ্ৰেৰিত হৈ আমাৰ ‘কফি টেবুল কিতাপ’, ৰামায়ণ ‘এপ ষ্টোৰ’ত উপলব্ধ কৰিছো। লগতে আমি এই সকলোবিলাক কিতাপ ‘এনড্ৰইড’ আৰু ‘মাইক্ৰচফ্‌ট উইণ্ডজ ৮.০’ প্লেটফৰ্মতো উপলব্ধ কৰাৰ বাবে কাম কৰি আছো। আমি নিশ্চিত যে আমাৰ পাঠকসকলে সেইবিলাক উপভোগ কৰিব আৰু ইমানদিনে যিদৰে চান্দমামাৰ পৃষ্ঠপোষকতা কৰি আহিছে সেই একেধৰণে পৃষ্ঠপোষকতা কৰাটো অব্যাহত ৰাখিব।

— *সম্পাদক*

পাঠকৰ পত্ৰ

চান্দমামা শিশুৰ এক প্ৰিয় আলোচনী। মজাৰ কথাটো হ'ল যে ই বহুকেইটা ভাষাত উপলব্ধ। কেৱল সেয়াই নহয়, ই ভাৰতৰ সকলোতকৈ পুৰণি শিশু আলোচনীসমূহৰ ভিতৰত এখন। ইয়াৰ কাহিনীবিলাকে হৃদয় স্পৰ্শ কৰি যায়। মই গোটেই জীৱন জুৰি ইয়াৰ সোৱাদ লৈ যাম।

– শুভদীপ, ঝাৰখণ্ড

মই চান্দমামাৰ নিয়মিত পাঠক। ই সৰ্বশ্ৰেষ্ঠ আলোচনীবিলাকৰ ভিতৰত এখন। মই ইয়াৰ কাহিনীবিলাকৰ পৰা বহু নীতিশিক্ষা লাভ কৰি আহিছো। ইয়াৰ কাহিনীবিলাক অতি সুন্দৰ আৰু সেইবাবেই ই মোৰ বৰ প্ৰিয়। মই চান্দমামা পঢ়িবলৈ বন্ধ কৰাৰ কথা চিন্তাই কৰিব নোৱাৰো।

– ৰাকেশ পাল, ভদ্ৰক, উড়িষ্যা

চান্দমামাৰ কাহিনীসমূহে ইয়াৰ মানদণ্ড ধৰি ৰাখিবলৈ সক্ষম হৈছে। কিন্তু আগৰ সুন্দৰ চিত্ৰসমূহৰ লগত বৰ্তমানৰ চিত্ৰসমূহ তুলনা কৰিলে মোৰ দৰে শিল্পী সুখী হব নোৱাৰে। বৰ্তমানৰ সংখ্যাবিলাকৰ চিত্ৰৰ মানদণ্ড বৃদ্ধি কৰা প্ৰয়োজনীয়তা আছে বুলি মই ভাৱো।

– এম ভি ভি শাস্ত্ৰী, মছিলপট্নম, অন্ধ্ৰ প্ৰদেশ

মই ১৯৫৭ চনৰে পৰা চান্দমামাৰ এজন নিয়মীয়া গ্ৰাহক। সেই সময়ত ইয়াৰ মূল্য আছিল কেৱল ৩৭ পইছা। আপোনালোকে বৰ্তমান কিছুমান পুৰণা ধাৰাবাহিক পুণৰ প্ৰকাশ কৰি আছে। কিন্তু 'ৰূপধাৰণ য়ন্ত্ৰেগালু' কেতিয়াও পুণৰ প্ৰকাশ কৰা নাই। মই 'শিথিলালয়'ৰ পুণৰ প্ৰকাশ শেষ হোৱাৰ লগে লগে সেইখন ধাৰাবাহিক পুণৰ প্ৰকাশ কৰিবলৈ অনুৰোধ কৰো।

– এছ জনাৰ্দন, বাংগালুৰু

মই যেতিয়া চান্দমামাৰ শেষৰটো সংখ্যা লাভ কৰিলো, মোৰ এনে লাগিল যে মই বহুবছৰৰ আগৰ চান্দমামাৰ সংখ্যা এটাহে চাই আছো। মই বৰ সুখী হ'লো। ইয়াৰ সকলো কাহিনীয়েই, সমানে মনোৰঞ্জকৰ। পুৰণা আৰু নতুন কাহিনীৰ সহ অৱস্থানে চান্দমামাৰ ৰূপেই সলনি কৰি পেলাইছে। আমাৰ পৰিয়ালে কেইবা দশকৰ আগৰে পৰাই নিয়মিত ৰূপত চান্দমামা পঢ়ি আহিছো। এয়া মই কাৰোবাক সন্তুষ্টকৰিবলৈ মই লিখা নাই। মই ইয়াৰ সকলো কাহিনী সমানে উপভোগ কৰো। চান্দমামাক পুণৰ আগৰ ৰূপত আমাক ঘূৰাই দিয়াৰ বাবে বহু ধন্যবাদ।

– জি শ্ৰীনিৱাস, হায়দৰাবাদ

মই চান্দমামাৰ বাংলা সংস্কৰণ মনোযোগ দি পঢ়ি আহিছো। সেইবিলাক বৰ মনোগ্ৰাহী। কিন্তু কিছু নতুন শিতান যোগ দি আন কিছু পুৰণা শিতান বাদ দিয়া হ'ল। বিশেষকৈ, 'ফটোৰ শীৰ্ষক দিয়া প্ৰতিযোগিতা' বৰ সুন্দৰ আছিল। সেই শিতান পুণৰ প্ৰকাশ কৰিলে মই বৰ সুখী হম।

– সন্তোষ কুমাৰ ৰয়, কলকাতা

ৰূপৰ সেই গছাটো

অময়াপুৰীৰ আদালতত ৰূপৰ গছা এটাৰ চুৰি সম্পৰ্কীয় এটা গোচৰৰ শুনানী চলিছে। কেশৱ নামৰ যিজন মানুহৰ ৰূপৰ গছাটো চুৰি হৈছিল তেওঁ ন্যায়াধীশক ক'লে, ''মহামহিম, দিনটো আছিল ভাদ মাহৰ এটা শুকুৰবাৰ। মোৰ পত্নীয়ে এটা ব্ৰত ৰাখি কেইগৰাকীমান সখিক ঘৰলৈ নিমন্ত্ৰণ কৰিছিল। ব্ৰত ভংগ কৰি উঠি মোৰ পত্নীয়ে সকলোকে বিদায় দিবলৈ সাজু হওঁতেই মন কৰিলে যে ৰূপৰ গছাটো নাই। সেইটো আন কোনেও চুৰি কৰা নাই, কৰিছে মাধৱৰ পত্নী দয়ামতীয়ে।'' কথা কৈ যোৱা কেশৱক মাজতে বাধা দি ন্যায়াধীশে ক'লে, ''তোমাৰনো কেনেকৈ সন্দেহ হ'ল যে মাধৱৰ পত্নী দয়ামতীয়েহে ৰূপৰ গছাটো চুৰি কৰা বুলি?''

''মহামহিম, এসপ্তাহ আগেয়ে দয়ামতীৰ ঘৰত এটা নামগোৱা হৈছিল, তালৈ মোৰ পত্নীও গৈছিল। সেইদিনা ব্যৱহাৰ হোৱা গছাটো দেখিয়েই মোৰ পত্নীয়ে চিনি পালে। অনুগ্ৰহ কৰি গছাটো মোৰ হাতলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰক।''

''গছাটো যে তোমাৰ তাৰনো কি এনে দৃঢ় প্ৰমাণ আছে?'' ন্যায়াধীশে সুধিলে।

''মহামহিম, আমাৰ গছাটোৰ আকৃতি অলপ বেলেগ ধৰণৰ, ওঁ আকৃতিৰ।'' কেশৱে ক'লে। ন্যায়াধীশে হাঁহি এটা মাৰি ক'লে, ''অ' কথা সেইটোহে নেকি? আমাৰ ঘৰতো ওঁ আকৃতিৰ এটা ৰূপৰ গছা আছে।'' ''মহামহিম, ঠিক সেইটো কথাকে মই আপোনাক ক'বলৈ ওলাইছিলো। মই গম পাইছো যে মাধৱৰ পত্নীয়ে যিটো গছা আমাৰ ঘৰৰ পৰা চুৰ কৰি নিছিল, সেইটোকে পিছত আপোনাৰ পত্নীক বেচি থৈ আহিলগৈ। এতিয়া সেই গছাটো আছে আপোনালোকৰ ঘৰতহে।'' কেশৱে ক'লে ।

কথা শুনি ন্যায়াধীশ আৰু তাত গোট খোৱা আটাইৰে মুখৰ মাত হৰিল ।

– নাগ ভৈৰৱ



Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama! Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 11 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex :...................................

Address: ....

....

....

.... City: ....

State:.................................... Pin:...

Telephone:..

Mobile:..

Email:..

Subscription Number (for renewals):.......................................

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..

Cheque/DD No ....

favouring Chandamama India Ltd on...

....bank.

* Your subscription will commence in 6 weeks.

Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 30/- per copy)	Rs. 360	Rs. 645	Rs. 915	Rs. 1150	Rs. 1350
You Save		Rs. 75	Rs. 165	Rs. 290	Rs. 450
REGIONAL (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 260	Rs. 375
JUNIOR (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 765	Rs. 900
You Save		Rs. 50	Rs. 110	Rs. 195	Rs. 300

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – তেলেগু

মই যেতিয়া ২৬ বছৰ বয়সীয়া আছিলো, মই মোৰ চাকৰিৰ দায়িত্বৰ কামত গাওঁ পঞ্চায়তসমূহ ভ্ৰমণ কৰিছিলো। এবাৰ মই ৰেলৱে ৰডুৰ পঞ্চায়তত কিছুদিনৰ বাবে বাহৰ পাতি আছিলো। সেই পঞ্চায়তৰ কাৰ্যালয়ৰ কাষতে শিশুৰ বাবে এটা গ্ৰন্থাগাৰ আছিল। এটা দেওবাৰে মই সেই গ্ৰন্থাগাৰৰ ভিতৰলৈ সোমাই গৈ দেখিলো যে পাঁচ-ছটামান শিশুৱে আন এটা শিশুৱে কিবা এখন পঢ়ি শেষ কৰালৈ বাট চাই আছে। সেই এখন আলোচনীৰ দৰে লাগিল। মোৰ চকুৰ আগতে এটাৰ পিছত এটাকৈ গোটেইকেইটাই পাল পাতি সেইখন পঢ়িলে আৰু গুচি গ'ল। মই সেইখন কি আলোচনী তাকে চাব বিচাৰি হাতত তুলি ললো। সেইখন আছিল আমাৰ মৰমৰ চান্দমামা। সেইখন মই পঢ়িবলৈ আৰম্ভ কৰিলো আৰু সমাপ্ত কৰিহে ক্ষান্ত হলো। তাৰ আগতে মই কিছুমান শিশু আলোচনী পঢ়িছিলো। কিন্তু এই কথা মই কবই লাগিব যে সেইবিলাকৰ এখনকো চান্দমামাৰ লগত তুলনা কৰিব নোৱাৰি। সেই সময়ত মই কাহিনী লিখা আৰম্ভ কৰিছিলো। কিন্তু এই কথাত নিশ্চিত নাছিলো যে চান্দমামাৰ উপযোগী কাহিনী লিখিব পাৰিমনে নাই। তথাপিও, মই পিছদিনাই এটা কাহিনী লিখি চান্দমামালৈ প্ৰেৰণ কৰিলো।

Name: Kolar Krishna Iyer
Occ: Retd. District Audit Officer, Tirupati.

সেইকালত চান্দমামাৰ সম্পাদকসকলে কাহিনী প্ৰকাশৰ বাবে উপযুক্ত হয়নে নহয়, সেইকথা জনাই এখন পোষ্টকাৰ্ড প্ৰেৰণ কৰিছিল। এসপ্তাহৰ ভিতৰতে মোক এই কথা জনোৱা হ'ল যে কাহিনীটো প্ৰকাশৰ বাবে নিৰ্বাচিত হৈছে। মই এই খবৰ পাই কিমানযে আনন্দিত হৈছিলো, তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। তাৰপিছত মই ঘনাই চান্দমামালৈ কাহিনী প্ৰেৰণ কৰিবলৈ ধৰিলো আৰু সেইবিলাকৰ বহু কাহিনী চান্দমামাত প্ৰকাশ পালে। পাঠকৰ হয়তো মনত থাকিব পাৰে যে মোৰ কাহিনী 'বাংগাৰায়াৰ সম্পদ' ২০১১ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰকাশ হৈছিল।

বহুদিনৰ পিছত, যোৱা তিনি মাহৰ পৰা মই চান্দমামাত মোৰ কাহিনী প্ৰকাশিত হোৱা দেখা পাই বৰ আনন্দিত হৈছো। চান্দমামাত কাহিনী প্ৰকাশ পালে কাৰ আনন্দ নালাগিব বাৰু ? মোৰ বোধেৰে চান্দমামাৰ এনে জনপ্ৰিয়তাৰ কেইবাটাও কাৰণ আছে।

মই চান্দমামালৈ কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। আগতে 'ফটোৰ শীৰ্ষক দিয়া' শিতান প্ৰকাশ পাইছিল আৰু সেইটো শিতান পাঠকৰ মাজত বেছ জনপ্ৰিয় আছিল। সেইটো পুণৰ আৰম্ভ কৰিলে ভাল হয় বুলি মই ভাবো। তাৰোপৰি আপোনালোকে আকৰ্ষণীয় পুৰস্কাৰৰ সৈতে এটা কাহিনী লিখা প্ৰতিযোগিতা আয়োজন কৰিব পাৰে। তাৰবাবে আপোনালোকেই কাহিনীৰ বিষয় নিৰ্দিষ্টকৰি দিব পাৰে। এনে কৰি আপোনালোকে বহু সুন্দৰ কাহিনী লাভ কৰিব পাৰিব। তাৰোপৰি লিখকক এইটো জনোৱা দৰকাৰ যে

তেওঁলোকৰ কাহিনী প্ৰকাশৰ বাবে নিৰ্বাচিত হৈছেনে নাই। সকলো নামজ্বলা আলোচনীয়েই এনে কৰে। আশাকৰো এনে এটা ঘৰ নাথাকক য'ত চান্দমামাই ঠাই নাপায়। চান্দমামাৰ সকলোটিলৈকে মোৰ শুভেচ্ছা থাকিল।

মোৰ স্মৃতি- মাৰাঠী



Name: D.T. Nandapure
Occ: Retd. Principal,
Loni, Maharashtra.

মোৰ বয়স হ'ল ৭৬ বছৰ। ৫০ বছৰৰ আগতে, ১৯৬১ চনত মই এখন বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছিলো। সেই কালছোৱাত, প্ৰাথমিক বিদ্যালয়ত আমি চান্দমামাৰ মাৰঠী সংস্কৰণ লাভ কৰিছিলো। সেইখন চেন্নাই (মাদ্ৰাজ)ৰ পৰা প্ৰকাশিত হৈছিল। এই কথা ভাৱিলেই আচৰিত লাগে যে মাৰঠী সংস্কৰণ তামিলনাডুৰ পৰা প্ৰকাশিত হৈছিল কিয়নো সেই ঠাই মহাৰাষ্ট্ৰৰ পৰা বহু দূৰৈত। মই চান্দমামা নিয়মিতভাৱে পঢ়িছিলো। চান্দমামাৰ কাহিনী আৰু চিত্ৰবিলাক সচাই বৰ আকৰ্ষণীয় আছিল। মই নিয়মিত বিদ্যালয়ৰ পৰা চান্দমামা ধাৰ কৰি আনিছিলো আৰু ৭-৮ দিনৰ পিছতহে ঘূৰাই দিছিলো। বিক্ৰম-বেতাল কাহিনী আছিল মোৰ সবাতোকৈ প্ৰিয়। মই সেই সুন্দৰ কাহিনী বিলাকৰ উৎস কি হব পাৰে সেই কথা ভাৱি আচৰিত হও। বৰ্তমান মোৰ বৃদ্ধ কালতো মই সেই একেই আগ্ৰহ আৰু হেপাহেৰে চান্দমামা পঢ়ো। মই বিশ্বৰ সপ্তম আচৰ্যৰ এটা সংগ্ৰহ এটা প্ৰেৰণ কৰিছো, যিটো চান্দমামাত বহুদিনৰ আগতে প্ৰকাশিত হৈছিল। মোৰ বহু বন্ধুৱে এইটো বৰ ভাল পাইছিল। তেওঁলোকৰ মতে সেইটো নানা মূল্যৱান তথ্যৰে ভৰা। চান্দমামা হ'ল সকলোতকৈ উত্তম আলোচনী। বৰ্তমান ই মুম্বাইৰ পৰা প্ৰকাশিত হয় আৰু সেয়া মহাৰাষ্ট্ৰত অৱস্থিত। মই চান্দমামাৰ লগত জড়িত সকলোলৈকে অভিনন্দন জ্ঞাপন কৰিছো।

মোৰ স্মৃতি-তেলেগু



Name: Y. Suvarnakala
Hyderabad, A.P.

মোৰ নাম হ'ল ৱাই সুৱৰ্ণকলা। মোৰ বয়স হ'ল প্ৰায় ৬০ বছৰ। মই অতি সৰু কালৰে পৰা চান্দমামা পঢ়িছিলো। আনকি আজিৰ তাৰিখতো মই একে বহাতেই চান্দমামা পঢ়ি শেষ কৰো। কিন্তু মোৰ পঢ়াৰ ধৰণটো বৰ আমোদজনক। মই চান্দমামাক শেষ পৃষ্ঠৰ পৰা আৰম্ভ কৰি বেটুপাতৰ সুন্দৰ চিত্ৰত সমাপ্ত কৰো। মোৰ নাতিৰ বয়স হ'ল ১০ বছৰ। সি সদায় এটা কাহিনী নুশুনালৈকে শুৱলৈ নাযায়। মই প্ৰতি দিনেই তাক এটা কাহিনী কৈ শুনাব লাগে। সেইবাবেই মই কেতিয়াবা নিজকে প্ৰশ্ন কৰো - 'এমাহত কিয় চান্দমামাৰ এটা সংখ্যাহে প্ৰকাশ হয়?'

বেতাল কথা

বিৰাজৰ সিদ্ধান্ত

হতাশ নহৈ ৰজা বিক্রম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে।

তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কব[illegible], “মহাৰাজ বিক্রম, কিছুমান লোকে কেতিয়াবা ধন-সম্পত্তি, আমোদ-প্রমোদ আৰু উচ্চ পদবীৰ প্রতি অনীহা প্রদর্শন কৰে। কিন্তু সেইবিলাক লাভ কৰাৰ পিছত বিপৰীত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। মই তোমাক এটা কাহিনী কম। সেই কাহিনীটো শুনিলেই তুমি সকলো কথা বুজিব পাৰিবা।”

মালৱিকা ৰাজ্যৰ ৰজা বিচিত্রবীৰ আছিল এজন যোগ্য শাসক। বিবাহৰ বহুদিনৰ পিছলৈকে তেওঁৰ কোনো সতি-সন্ততি নাছিল। সন্তান লাভ কৰাৰ আশাৰে ৰাজ-দম্পত্তিয়ে বহু পুজা-পাতল কৰিলে। শেষত, ভগৱানৰ কৃপাত ৰাণী গর্ভৱতী হৈ পৰিল। যথা সময়ত তেওঁ এটা স্বাস্থ্যৱান পুত্রসন্তান প্রসৱ কৰিলে।



ৰাজকুমাৰৰ নাম ৰখা হ'ল বিৰাজ। সকলোৰে মৰমৰ মাজেৰে ৰাজকুমাৰ ডাঙৰ হৈ আহিবলৈ ধৰিলে। কম বয়সতে বিৰাজে দাৰ্শনিক হোৱাৰ লক্ষণ দেখুৱালে। তেওঁ বহু সময় ধৰি নিৰৱে চিন্তা কৰি থকা বিধৰ আছিল। শিক্ষা গ্ৰহণৰ বয়স হোৱাত ৰজাই বিৰাজক গুৰুকুললৈ প্ৰেৰণ কৰিলে। বিৰাজে ৰজা হোৱাৰ বাবে সকলো শিক্ষা আহৰণ কৰিলেও সেইবিলাকৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন নকৰিলে।

ইতিমধ্যেই বিচিত্ৰবীৰ বৃদ্ধ হৈ পৰিছিল। তেওঁ অনুভৱ কৰিলে যে এক সক্ষম প্ৰশাসনৰ গুৰি ধৰিবৰ শক্তি তেওঁ লাহে লাহে হেৰুৱাই পেলাইছে। বিৰাজক সিংহাসনৰ ভাৰ দি তেওঁ নিজে অৱসৰ লোৱাৰ কথা চিন্তা কৰিলে।

ৰজাই ৰাজকুমাৰ বিৰাজক মাতি আনি নিজৰ পৰিকল্পনাৰ কথা বিৱৰি কলে। দেউতাকৰ কথা শুনাৰ পিছত বিৰাজে কলে, "পিতা, মই ৰাজকীয় কাম-কাজ, আমোদ-প্ৰমোদৰ প্ৰতি আগ্ৰহী নহয়। মই অৰণ্যলৈ হৈ এজন সাধুৰ জীৱন অতিবাহিত কৰিব বিচাৰো।"

ৰাজকুমাৰৰ এনে কথা শুনি ৰজা বৰ আচৰিত হ'ল। "পুত্ৰ, তুমি এজন ৰাজকুমাৰ। তোমাৰ কৰ্তব্য হ'ল ৰাজ্য পৰিচালনা কৰা। অৰণ্যত সাধুৰ জীৱন কটাবৰ উপযুক্ত বয়স তোমাৰ এতিয়াও হোৱা নাই।" ৰজাই এইদৰে ৰাজকুমাৰক বুজাবলৈ চেষ্টা কৰিলে।

বহু বুজোৱাৰ অন্ততো বিৰাজ সিংহাসনত আৰোহন কৰিবলৈ ৰাজী নহ'ল।

ৰজা বিচিত্ৰবীৰে বহু সময় ধৰি চিন্তা কৰিলে। তাৰপিছত তেওঁ ৰাজকুমাৰক কলে, "পুত্ৰ, তোমাৰ ভাগ্যত যি আছে, তুমি সেয়াহে লাভ কৰিবা। প্ৰথমতে, তুমি কিছুদিনৰ বাবে ৰাজ্য ভ্ৰমণৰ বাবে ৰাওনা হোৱা। সেই ভ্ৰমণ শেষ কৰাৰ পিছতো যদি সিংহাখনত আৰোহন কৰাৰ ইচ্ছা জাগি নুঠে, তেন্তে তুমি অৰণ্যলৈ গৈ সাধুৰ জীৱন যাপন কৰিবা। মই তোমাক তেতিয়া কোনো বাধা নিদিম।"

বিৰাজে পিতাকৰ কথা মানি ললে। তেওঁ এজন সাধাৰণ লোকৰ দৰে কাপোৰ-কানি পৰিধান কৰি নিজৰ ৰাজ্য ভ্ৰমণৰ উদ্দেশ্যে যাত্ৰা আৰম্ভ কৰিলে।

গোটেই দিনটো যাত্ৰা কৰাৰ পিছত, তেওঁ এখন গাঁৱত উপস্থিত হ'ল। তাত তেওঁ এজন খেতিয়কৰ ঘৰত ৰাতিটো কটালে। তেওঁ লক্ষ্য কৰিলে যে কিবা কথা

লৈ খেতিয়ক আৰু তেওঁৰ পত্নী বৰ চিন্তিত হৈ আছে।

‘‘আপোনালোকক বৰ চিন্তিত যেন লাগিছে। মই তাৰ কাৰণটো জানিব পাৰোনে?’’ ৰাজকুমাৰে সুধিলে।

খেতিয়কে উত্তৰ দিলে, ‘‘ডেকা ল’ৰা, অসময়ত হোৱা বৰষুণৰ বাবে মোৰ প্ৰায় সকলো শস্য নষ্ট হ’ল। ফলত আমাৰ ধাৰত পোত যোৱা অৱস্থা। আমি ৰজাক আমাৰ সমস্যাৰ কথা বিৱৰি কব বিচাৰিছিলো। কিন্তু উচ্চ পদস্থ বিষয়াসকলে ৰজাক লগ কৰিবৰ বাবে অনুমতি দিয়া নাই।’’

অলপসময় চিন্তা কৰি বিজয়ে কলে, ‘‘মোৰ কিছু চিনাকি আছে আৰু সেই সকলৰ সহায়ত মই হয়তো ৰজাক লগ ধৰিব পাৰিম। মই তেওঁক আপোনাৰ সমস্যাৰ কথা অৱগত কৰিম। আপুনি ইমান চিন্তিত হোৱাৰ প্ৰয়োজন নাই।’’ বিৰাজৰ কথা শুনি খেতিয়ক আৰু তেওঁৰ পত্নীয়ে অলপ সকাহ অনুভৱ কৰিলে আৰু তেওঁলোকৰ মুখত হাঁহি বিৰিঙি উঠিল। তেওঁলোকে বিৰাজক অনুৰোধ কৰিলে যাতে তেওঁ ৰজাৰ আগত তেওঁলোকৰ সমস্যাৰ কথা উল্লেখ কৰিবলৈ পাহৰি নাযায়। ৰাতি পুৱাল। পুৱাই বিৰাজে তেওঁলোকক ধন্যবাদ জনাই নিজৰ যাত্ৰা পুণৰ আৰম্ভ কৰিলে।

কেইদিনমান যাত্ৰা কৰাৰ পিছত, বিৰাজ গৈ এজন ব্ৰাহ্মণৰ ঘৰত উপস্থিত হ’লগৈ। তেওঁ লক্ষ্য কৰিলে যে মাজে মাজে ব্ৰাহ্মণে তেওঁৰ পত্নীক সান্তনা দি আছে। বিৰাজে জানিব বিচাৰিলে ঘটনা কি?

ব্ৰাহ্মণে উত্তৰ দিলে, ‘‘ডেকা ল’ৰা, মই বৰ কষ্ট কৰি মোৰ কণ্যাৰ বিবাহৰ বাবে দহহেজাৰ মুদ্ৰা জমা কৰিছিলো। এসপ্তাহমানৰ আগতে, মোৰ ঘৰত চোৰ সোমাই গোটেইখিনি মুদ্ৰা চুৰ কৰি লৈ গ’ল। এনে অৱস্থাত আমি কণ্যাৰ বিবাহ কিদৰে সমাধা কৰিম সেই লৈ মোৰ পত্নী চিন্তিত হৈ আছে।’’





বিৰাজে সুধিলে, ‘‘আপোনালোকে স্থানীয় কটোৱালক কিয় এই ঘটনাৰ অভিযোগ নকৰিলে ?’’

ব্ৰাহ্মণে উত্তৰ দিলে, ‘‘আজি আৰু আগৰ দিন নাই। মোৰ অভিযোগ গ্ৰহণ কৰি তদন্ত কৰিবৰ বাবে মই কটোৱালক ঘোঁচ দিব লাগিব। সেই ঘোঁচ দিবৰ জোখাৰেও মোৰ ওচৰত যথেষ্ট ধন নাই। কি কৰিম, কি নকৰিম, সেই লৈ আমি বৰ চিন্তাত পৰিছো।’’

‘‘মহাশয়, মই আপোনাক সহায় কৰিব পৰা হলে বৰ সুখী হলোহেতেন। কিন্তু মোৰ ওচৰতো বেছি ধন নাই। মোৰ ফালৰপৰা আপুনি এই সামান্য পৰিমাণৰ ধন গ্ৰহণ কৰক। আশাকৰো এই ধনে আপোনাক অন্তত অভিযোগ দাখিল কৰাত সহায় কৰিব।’’ এইবুলি বিৰাজে এটা সৰু টোপোলা ব্ৰাহ্মণলৈ আগবঢ়াই দিলে। ব্ৰাহ্মণে সেই ধন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে। তেতিয়া বিৰাজে জোৰ কৰি ব্ৰাহ্মণৰ হাতত সেই টোপোলা অৰ্পণ কৰি কলে, ‘‘মোৰ এনে কিছু যোগাযোগ আছে যাৰ সহায়ত আপোনাৰ এই সমস্যাৰ কথা ৰজাৰ কাণত পেলাব পাৰিম।’’ বিৰাজৰ কথা শুনি ব্ৰাহ্মণ বৰ সুখী হ’ল।

তাৰপিছত আৰু বহু দিন যাত্ৰা কৰাৰ পিছত বিজয়ে এজন সাধুক দেখা পালে। তেওঁ এজোপা গছৰ তলত বহু লোকক জ্ঞান সমৃদ্ধ কথা কৈ আছিল। বিৰাজে আন লোক সকলৰ লগত বহি সেই সাধুৱে কোৱা কথাবিলাক শুনিবলৈ ধৰিলে। তাৰপিছত সকলোলোক তাৰ পৰা গুচি যোৱাৰ পিছত তেওঁ সাধুৰ ওচৰলৈ গৈ সম্মান প্ৰদৰ্শন কৰি কলে, ‘‘মোৰ এনে অনুমান হৈছে যে আপুনি সাধুৰ জীৱন যাপন কৰি বেছ সুখী।’’

বিৰাজৰ কথা শুনি সাধুৱে মিচিকিয়াই হাঁহিলে আৰু উত্তৰ দিলে, ‘‘ডেকা ল’ৰা, দায়িত্ব আৰু দায়বদ্ধতা নামৰ সকলো সমস্যাৰ পৰা মুক্তি লাভ কৰি মই দৰাচলতে সুখী।’’ বিৰাজে তাৰপিছত সাধুৰ লগত নানা কথা পাতি পুণৰ যাত্ৰা আৰম্ভ কৰিলে।

কিছুদূৰ আগুৱাই গৈ বিৰাজে এটা কুটীৰ দেখিবলৈ পালে। তাত এজন লোকে দহটামান শিশুক খাদ্য পৰিবেশন কৰি আছিল।

এনে এটা ডাঙৰ পৰিয়াল দেখি বিৰাজ আচৰিত হ’ল। তেওঁ সেইজন লোকৰ কাষ চাপি গৈ সুধিলে, ‘‘এই সকলোবিলাক শিশু আপোনাৰ সন্তান নেকি ? আপোনাৰ পৰিয়াল দেখিছো বেছ ডাঙৰ। আপোনাৰ নামটো জানিব পাৰোনে ?’’

বিৰাজৰ প্ৰশ্নত সেইজন লোকে উত্তৰ দিলে, ‘‘মোৰ নাম দয়ানন্দ। এই শিশু কেইটাৰ ভিতৰত দুটা মোৰ সন্তান। আনকেইটা হ’ল অনাথ। মই যিমান পাৰো সিঁহতৰ যত্ন লওঁ। প্ৰকৃততেই মোৰ পৰিয়াল বেছ ডাঙৰ।’’

তেতিয়া বিৰাজে কলে, ‘‘নিজৰ সন্তানক যত্ন লোৱাটোৱেই কঠিন। অনাথ শিশুৰ এইদৰে আলপৈচান ধৰাটো অপ্ৰয়োজনীয় বুলি আপুনি নাভাবেনে?’’

দয়ানন্দই উত্তৰ দিলে, ‘‘মহাশয়, এয়া হ’ল আন মানুহৰ প্ৰতি থকা মোৰ দায়বদ্ধতা। মোৰ বাবে এয়া কেনেকৈ সমস্যা হব পাৰে। মই এই কাম কৰি মানসিক আনন্দ লাভ কৰো। মই আপোনাক আমাৰ লগত আহাৰ গ্ৰহণ কৰিবৰ বাবে আমন্ত্ৰণ জনাইছো।’’

বিৰাজে অলপ সময় চিন্তা কৰি কলে, ‘‘আপোনাৰ জীৱনৰ অৰ্থ আছে।’’ তাৰপিছত তেওঁ সকলোৰে লগত বহি আহাৰ গ্ৰহণ কৰিলে। আহাৰৰ পিছত তেওঁ শিশুকেইটাৰ লগত কিছুসময় খেলিলে। অলপ পৰৰ পিছত তেওঁ সকলোৰে পৰা বিদায় লৈ পোনে পোনেই ৰাজপ্ৰসাদলৈ বুলি বাট ধৰিলে।

বিৰাজে পিতাকক কলে, ‘‘মই সিংহাখনত আৰোহন কৰিবলৈ ৰাজী আছো।’’

ৰাজকুমাৰৰ কথা শুনি ৰজা বিচিত্ৰবীৰ বৰ সুখী হ’ল আৰু এটা অৰ্থবহ হাঁহি তেওঁৰ ওঠৰ কোণত জিলিকি উঠিল। তাৰপিছত তেওঁ কলে, ‘‘যি হয় ভালৰ বাবেই হয়।’’

সিংহাখনত আৰোহন কৰিয়েই প্ৰথমতে বিৰাজে ঘোঁচখোৰ বিষয়াসকলক নাকি লগালে। উপযুক্ত তদন্ত কৰি সকলোকে শাস্তি দিলে। চোৰবিলাকক বন্দী কৰা হ’ল আৰু কাৰাগাৰলৈ নিক্ষেপ কৰা হ’ল। অলপদিনৰ ভিতৰতে তেওঁ নিজকে এজন উপযুক্ত ৰজা হিচাপে প্ৰমাণ কৰিলে। ৰাজ্যৰ সমৃদ্ধি বৃদ্ধি পাবলৈ ধৰিলে।

কাহিনীটো ইমানলৈকে কৈ বেতালে সুধিলে, ‘‘মহাৰাজ বিক্ৰম, বিৰাজে সৰুৰে পৰাই এটা দাৰ্শনিক মন লৈ ডাঙৰ হৈছিল। তেওঁ এটা সময়ত শাসনভাৰ লবৰ বাবে অস্বীকাৰো কৰিছিল। হঠাতে তেওঁ সিদ্ধান্ত সলনি কৰি সিংহাসনত আৰোহন কৰিব বিচৰাৰ কাৰণ কি? তেওঁ কিবা বেলেগ জ্ঞান আহৰণ কৰিলে নেকি? এটা সময়ত তেওঁ ৰজাৰ জীৱন সুখ আৰু আনন্দৰে ভৰা বুলি জানিছিল। তেনে নহয় বুলি তেওঁ বুজি পালে নেকি? নে তেওঁ এক কঠিন

যাত্ৰা আৰু নানা দুখৰ কাহিনী শুনাৰ পিছত বিলাসী জীৱনৰ প্ৰতি আকৃষ্টতা অনুভৱ কৰিলে ? তেওঁৰ মন কিয় সলনি হৈ পৰিল ? যদি তুমি জানিও মোৰ প্ৰশ্নৰ উত্তৰ নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।''

ৰজা বিক্ৰমে কলে, ''বেতাল, বিৰাজে প্ৰথমতে ভাৱিছিল যে ৰজা হোৱাৰ মানেই হ'ল সুখ আৰু আনন্দ। কিন্তু ৰাজ্য ভ্ৰমণ কৰাৰ পিছত তেওঁ বুজিলে যে ৰজাৰ জীৱন আনন্দত পাৰ কৰাৰ বাবে নহয়, সেয়া প্ৰজাৰ সমস্যা দূৰ কৰাৰ বাবেহে। এজন ৰজাই তেওঁৰ সকলো কৰ্মচাৰীক উচিতভাৱে পৰিচালনা কৰি ৰাজ্যৰ প্ৰজাৰ সমৃদ্ধি নিশ্চিত কৰিব লাগে। ৰজাই ঘোঁচখোৰ কৰ্মচাৰীক উপযুক্ত শাস্তি বিহিব লাগে, চোৰ-ডকাইতক বন্দী কৰাব লাগে। ৰাজ্যৰ সকলোৱে যাতে সাধাৰণ সুবিধা, যেনে, আশ্ৰয়, খাদ্য, বস্ত্ৰ আদি লাভ কৰে, তাক নিশ্চিত কৰিব লাগে। শত্ৰুৰ পৰা ৰাজ্যক সুৰক্ষা প্ৰদান কৰাটোও ৰজাৰ আন এক প্ৰধান কৰ্তব্য। ৰজা এজন পিতাৰ দৰে হব লাগে যি এটা পৰিয়ালৰ যত্ন লয়। বিৰাজে সেই কথা উপলব্ধি কৰিলে। তেওঁ লগ পোৱা সাধুজনে দায়বদ্ধতাক সমস্যা বুলি ভবাৰ বিপৰীতে এজন সাধাৰণ লোকে ভাৱিছিল যে অনাথ শিশুক খাদ্য প্ৰদান কৰাটো তেওঁৰ দায়িত্ব। বিৰাজে অনুভৱ কৰিলে ৰজা হিচাপে তেওঁ নিজৰ দায়িত্বৰ পৰা পলোৱাটো উচিত নহব। এনেবিলাক কাৰণৰ বাবেই তেওঁ ৰাজ্যভাৰ গ্ৰহণ কৰিবলৈ সিদ্ধান্ত ললে। সকলো ত্যাগ কৰিলে এজন লোকে কেৱল নিজেহে সুখ, আনন্দ লাভ কৰিব পাৰে। কিন্তু এজন লোকে নিজৰ দায়িত্ব পালন কৰিলে সুখ, আনন্দ সকলোলৈকে বিয়পি পৰে। দায়িত্ব গ্ৰহণ কৰা আৰু সকলো ত্যাগি সন্যাস লোৱাৰ মাজত পাৰ্থক্য অনুধাৱন কৰিব পাৰিয়েই বিৰাজে সিংহাসনত আৰোহন কৰিছিল।''

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি এইদৰে বেতালৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ আগৰ দৰেই গছজোপাত ওলমি ৰ'লগৈ।

– এন শিৱ নাগেশ্বৰ ৰাও

ভাল কাম

শ্ৰীকান্ত আৰু বলো আছিল দুজন ১৪ আৰু ৯ বছৰ বয়সীয়া ভাই-ককাই। শ্ৰীকান্ত আছিল শান্ত-শিষ্ট আৰু বলো আছিল অলপ উৎপতীয়া স্বভাৱৰ। সি এনে কাম কৰি ফুৰিছিল যাৰ ফলত কিবা নহয় কিবা সমস্যাৰ সৃষ্টিহৈছিল।

এবাৰ তেওঁলোক দুয়ো ককাদেউতাক আৰু আইতাকৰ লগত গৰমৰ বন্ধ কটাবলৈ আহিল। বেছিভাগ সময় সিঁহতে কেৱল টিভি চায়েই কটালে। এদিনাখন ককাদেউতাকে সিঁহতক কলে, ''দিনৰ দিনটো কেৱল টিভি চাই বহি থকাতকৈ কিবা এটা কামকে কৰা।''

পিছদিনাখন বলোৱে পুৱাতে শুই উঠিল। শুই উঠি সি দেখিলে ককায়েক শ্ৰীকান্তই তাতকৈ আগতেই শুই উঠি বাগিছাত কাম কৰি আছে। 'ককাদেউতাৰ মন ভাল লগাবৰ বাবে শ্ৰীকান্তই কাম কৰি আছে। ময়ো কিবা এটা কাম কৰা দৰকাৰ।' বলোৱে মনতে ভাৱিলে।

ঘৰৰ এটা কোঠাত বলোৱে বহু পুৰণা কাকত আৰু কিতাপ দেখা পালে। সি সেই বিলাক একেঠাইতে গোটালে আৰু বান্ধি পেলালে। তাৰপিছত কাষৰে পুণ্যৰ দোকানলৈ লৈ গ'ল আৰু বিক্ৰী কৰি দিলে।

সন্ধিয়া সময়ত ককাদেউতাক ঘৰলৈ উভতি আহিল। পানী যাব পৰাকৈ ঘৰৰ চাৰিওফালে নতুনকৈ খন্দা নলাটো দেখি তেওঁ আচৰিত হ'ল। তেওঁ গম পালে যে সেয়া শ্ৰীকান্তৰ কাম। তেওঁ তাক এনে ভাল কামৰ বাবে বৰ প্ৰশংসা কৰিলে।

তেনেতে আইতাক ওলাই আহিল আৰু কলে, ''বলোৱেও বেছ পৰিশ্ৰম কৰিলে। সি সকলো পুৰণা বাতৰি কাকত আৰু কিতাপবিলাক গোটাই বিক্ৰী কৰি দি ১০০ টকা পালে।''

ককাদেউতাক প্ৰশংসা কৰি সুধিলে, ''বৰ ভাল কথা। কিন্তু সেইবিলাক ক'ত আছিল?''

এম আনন্দ ৰাও



বলোৱে উত্তৰ দিলে, ‘‘সেইবিলাক আপোনাৰ কোঠাত পৰি আছিল ।’’

ককাদেউতাকে চক খাই উঠিল, ‘‘অহ, সেইবোৰ মই বৰ কষ্ট কৰি সংগ্ৰহ কৰিছিলো ।’’ এইবুলি তেওঁ সেই কোঠাটোৰ ফালে দৌৰ দিলে । তাত এখনো বাতৰি কাকত আৰু কিতাপ বিচাৰি নাপাই পুণ্য দোকানীৰ দোকানৰ ফালে ঢাপলি মেলিলে । মূৰত বজ্ৰপাত পৰা মানুহৰ দৰে বলো থিয় হৈ ৰ’ল ।

পিছদিনা সন্ধিয়া সময়ত, সেই গাৱঁতে বাস কৰা শ্ৰীকান্ত আৰু বলোৰ খুৰায়েকে তেওঁলোকক লগ পাবলৈ আহিল । সকলোৱে এজোপা আম গছৰ তলত বহি নানা কথা পাতিবলৈ ধৰিলে । সকলোৱে পাতি থকা কথাবিলাক শুনি শুনি বলোৱে বৰ আমনি পালে আৰু উত্তগুলি কৰিবলৈ ধৰিলে ।

আইতাকে বলোৰ পিঠিত ঢকা এটা মাৰি শান্ত হৈ মনে মনে থাকিবলৈ কলে । সি কান্দিবলৈ ধৰিলে । সন্ধিয়া আহাৰ খোৱাৰ পিছতো সি কান্দি থাকিল । খুৰায়েক, ককাদেউতাক আৰু শ্ৰীকান্তই তাক নানান কথা কৈ জোকাবলৈ ধৰিলে । খোৱা বোৱা সমাপ্ত কৰি খুৰায়েক গুচি গ’ল ।

প্ৰায় ৮ মান বজাত কোনেও বলোক বিচাৰি নাপালে । শ্ৰীকান্ত আৰু ককাদেউতাকে ঘৰৰ বাহিৰত বলোক বিচাৰিবলৈ ধৰিলে ।

বলোক বিচাৰি নাপাই শ্ৰীকান্ত উভতি অহা দেখি আইতাকৰ চকুপানী ওলাই আহিল । তেনে সময়তে শ্ৰীকান্তই মজিয়াত মৰ্টনৰ বাকলি এটা পৰি থকা দেখা পালে । সি কলে, ‘‘আইতা, বলো নিশ্চয় ইয়াতে ক’ৰবাত আছে । মই বাহিৰলৈ যোৱাৰ সময়ত এইটো ইয়াত নাছিল । শ্ৰীকান্তই ইফালে সিফালে চাই দেখা পালে যে চিলিঙলৈ উঠিব পৰাকৈ থোৱা ৰচীৰ জখলাডাল নাই । সি কলে, ‘‘আইতা, বলো নিশ্চিতভাৱে সেই চিলিঙৰ ওপৰত উঠি আছে ।’’

আইতাক আৰু শ্ৰীকান্ত দুয়োৱে বলোক চিঞৰি চিঞৰি মাতিলে । কিন্তু কোনো উত্তৰ নাহিল । শ্ৰীকান্তই এখন টেবুল আনি থলে আৰু আন এখন সৰু টেবুল আনি তাৰ ওপৰত দিলে । সেই টেবুলত সি উঠি সি বেঙা মেলি চিলিঙৰ ওপৰলৈ চাই দেখিলে যে বলো তাত শুই আছে । শ্ৰীকান্তই নামি আহি এখন আইনা আনিলে আৰু তাক ৪৫ ডিগ্ৰী কোণত ধৰিলে যাতে আইতাকে বলোক দেখা পায় । সি আইতাকক কলে, ‘‘প্ৰাচীন কালত গ্ৰীচ

দেশত মানুহে এইদৰে আইনা ৪৫ ডিগ্ৰী কোণত ৰাখি ৰাস্তাত থকা মানুহ পৰ্যবেক্ষণ কৰিছিল। এই কথা মই আমাৰ স্কুলৰ গ্ৰন্থাগাৰৰ পৰা জানিব পাৰিলো।''

তেনেতে ককাদেউতাকো আহি সেই ঠাই পালেহি। তেওঁ কলে, ''চিলিংখন বেছ আহল বহল। আমি এতিয়া বলোক জগোৱা ঠিক নহব। সি বাগৰি তলত পৰাৰ কোনো সম্ভাৱনা নাই।'' তেওঁলোকে কাষকেইটাত কেইটামান গাৰু লগাই দিলে আৰু শুবলৈ গ'ল।

সেইদিনা ৰাতি ঘৰত চোৰ সোমাল। আইতাকৰ চিঞৰ শুনি চিলিঙৰ ওপৰত শুই থকা বলো সাৰ পাই উঠিল। এটা চোৰে আইতাকৰ ডিঙিৰ পৰা সোণৰ নেকলেছডাল চিঙিবলৈ চেষ্টা কৰিছিল। আন এটাই আইতাকৰ ডিঙিৰ ওচৰত এখন চুৰি ৰাখি চিঞৰাত বাধা প্ৰদান কৰিছিল। শ্ৰীকান্তই সেই চোৰটোৰ ভৰিত ধৰি তাক আতৰাই আনিবলৈ চেষ্টা কৰিছিল। ঘটনা কি বলোৱে বুজি পালে। সি চিলিঙৰ ওপৰত থৈ দিয়া আমৰ আচাৰৰ এটা ডাঙৰ বটল তুলি ললে আৰু আচাৰখিনি নেকলেছডাল চিঙিবলৈ চেষ্টা কৰি থকা চোৰটোৰ মূৰত ঢালি দিলে। জলকীয়া দি থোৱা আচাৰৰ তেল চকুত সোমোৱাত চোৰে চিঞৰ মাৰি মজিয়াত বাগৰি পৰিল। পোৰণিত সি চটফটাবলৈ ধৰিলে। আইতাক আৰু শ্ৰীকান্তই সেই সুবিধা গ্ৰহণ কৰিলে আৰু আনটো চোৰক ঠেলা মাৰি বগৰাই পেলালে। বলোৱে চিলিঙৰ পৰা নামি আহি সেই চোৰৰ কলাফুলত কামোৰ মাৰি দিলে। তাৰপিছত ঘৰৰ বাহিৰলৈ ওলাই গৈ সহায়ৰ বাবে চিঞৰিবলৈ ধৰিলে।

ওচৰ চুবুৰীয়া সকলো সাৰ পাই উঠিল। লৰালৰিকৈ আহি সেই ঠাই পালেহি। দুয়োটা চোৰকে হাতে-ভৰিয়ে বান্ধি পেলোৱা হল। তাৰপিছত ফোন কৰি আৰক্ষীক মতাই আনি চোৰ দুটাক গতাই দিয়া হ'ল।

গোটেই কাহিনীটো শুনাৰ পিছত সকলো লোকে কণমাণি বলোৰ উপস্থিত বুদ্ধি আৰু সাহসৰ শলাগ ললে। আইতাকে মৰমতে বলোক সাৱতি ধৰি কোলাত তুলি ললে। বলো বৰ সুখী হ'ল। গৌৰৱত তাৰ বুকু উফন্দি উঠিল। তাৰ ওঁঠৰ কোণত এটা হাঁহি বিৰিঙি উঠিল।

ব্যৱস্থা

ত্ৰিধাম নামৰ এজন ঋষিয়ে তেওঁৰ শিষ্যসকলক লৈ নানান দেশ ভ্ৰমণ কৰি ফুৰিছিল। এইদৰে ঘূৰি ফুৰি এবাৰ এখন গাৱঁত তেওঁলোক ৰ'লহি। ৰাতিটো কটাব পৰাকৈ কিবা ব্যৱস্থা আছে নেকি তাৰ সন্ধান কৰোতে তেওঁলোকে এক আচৰিত ঘটনা দেখিবলৈ পালে।

এজন ক্ষীণ লোকক এজোপা গছত বান্ধি থোৱা হৈছে আৰু এজন শক্তিশালী লোকে সেইজনক কোবাই আছে। ক্ষীণ লোকজনৰ পত্নী আৰু ছয় বছৰীয়া সন্তানে সেই শক্তিশালী লোকজনক ভৰিত পৰি ক্ষীণ লোকজনক এৰি দিবলৈ অনুৰোধ কৰি আছে। বহুলোক সেই ঠাইত গোট খাই আছে।

সুশীল নামৰ শিষ্যজনে এই কথা জানিব পাৰিলে যে শক্তিশালী লোকজনৰ নাম হ'ল বজ্ৰসেন আৰু তেৱেঁই অঞ্চলটোৰ সকলোতকৈ ধনী লোক। আনহাতে ক্ষীণ লোকজনৰ নাম হ'ল ভূধৰ। বজ্ৰসেনে ভূধৰক এইদৰে মৰিয়াই থকাৰ কাৰণ হ'ল- তিনিপুৰুষৰ আগতে ভূধৰৰ পূৰ্বপুৰুষে বজ্ৰসেনৰ পূৰ্বপুৰুষৰ পৰা টকা ধাৰলৈ লৈছিল। সেই ধাৰ এতিয়াও মাৰিবলৈ বাকী আছে। তিনিপুৰুষ ধৰি ভূধৰৰ পৰিয়ালৰ সকলো লোকে বজ্ৰসেনৰ ঘৰত কাম কৰি আহিছে যদিও সেই ধাৰ মাৰিব পৰা নাই।

ভূধৰৰ ডাঙৰটো ল'ৰা আছিল বৰ বুদ্ধিমান। সিও বজ্ৰসেনৰ ঘৰত কাম কৰি দিছিল। সি সাধাৰণতে গৰু চৰোৱাৰ কাম কৰিছিল। লাহে লাহে সি ডাঙৰ হৈ বহু কথা শিকি পেলালে। এদিনাখন সি বজ্ৰসেনক সুধিলে, "মোৰ পূৰ্বপুৰুষে আপোনাৰ পূৰ্বপুৰুষৰ পৰা কিমান টকা ধাৰলৈ লৈছিল? সেই টকাৰ কিমান টকা তেওঁলোকে পৰিশোধ কৰিলে? মোৰ পিতাৰ বাবে কিমান টকা বাকী থাকিল? আমি সকলোৱে আপোনাৰ খেতি-পথাৰত কাম কৰি দিছো। সেই কামৰ বাবে আমি

দাসৰি ভেংকটৰমণ

পাবলৈ থকা টকাৰ হিচাপ কিদৰে ৰাখিছে?''

প্ৰশ্নকেইটা শুনি বজ্ৰসেন অলপ আচৰিত হ'ল। তেওঁক কোনোবাই এইদৰে যে প্ৰশ্ন কৰিব পাৰে, সেই কথা সপোনতো ভবা নাছিল। তেওঁ হাতৰ লাঠিডালেৰে ভূধৰৰ ল'ৰা সূৰ্যক একোব মাৰি কলে, ''মোক এইদৰে প্ৰশ্ন কৰিবলৈ তোৰ ইমান সাহস?''

মনত দুখ পাই সূৰ্যই ভাল কাম বিচাৰি নগৰলৈ গুচি গ'ল। ইফালে সূৰ্যক ঘূৰাই আনিবৰ বাবে বজ্ৰসেনে ভূধৰৰ ওপৰত অত্যাচাৰ চলাবলৈ ধৰিলে।

ভূধৰৰ পৰিয়ালৰ এনে অৱস্থা দেখি গুৰু ত্ৰিধাম আৰু তেওঁৰ শিষ্যসকলে বৰ দুখ পালে।

ইতিমধ্যে সুশীলে তাত উপস্থিত থকা লোক কেইজনমানৰ লগত লগ হৈ চিঞৰি কলে, ''এয়া অন্যায়। আপুনি আমাক কওক যে ভূধৰৰ পৰিয়ালৰ পৰা আপুনি কিমান টকা লাভ কৰিবলগীয়া আছে।'' লগে লগে তাত গোট খোৱা লোকসকলে নিজৰ ভিতৰতে ভূন-ভূনাবলৈ ধৰিলে আৰু তেওঁলোকেও বজ্ৰসেনৰ পৰা উত্তৰ বিচাৰি দাবী কৰিলে।

গুৰু ত্ৰিধামে আগুৱাই গৈ দৃঢ় কণ্ঠেৰে কলে, ''আপুনি আমাক উত্তৰ দিয়ক।''

বজ্ৰসেনে ত্ৰিধামৰ মুখৰ পৰা ভৰিলৈকে চাই শ্লেষাত্মক কণ্ঠেৰে সুধিলে, ''কিয় লাগে আপোনাক? আপুনি সেই ধাৰ পৰিশোধ কৰিব নেকি?''

গুৰুৱে উত্তৰ দিলে, ''সেইটো আপোনাৰ বিচাৰ্যৰ বিষয় নহয়। আপুনি

হয় আমাক ধাৰৰ পৰিমাণটো কব লাগিব, নহয় ভূধৰৰ পৰিয়ালক ধাৰৰ পৰা মুক্ত কৰি দিব লাগিব।''

কথা শুনি বজ্ৰসেন অলপ চিন্তাত পৰিল। তেওঁ ত্ৰিধামৰ মাতত থকা দৃঢ় সুৰ ভাল পোৱা নাছিল। তেওঁ সেইবাবে মুখত যি সংখ্যা আহিল তাকে কৈ দিলে।

লগে লগে গুৰু ত্ৰিধামে বজ্ৰসেনৰ চকুলৈ চাই সুধিলে, ''ভূধৰৰ পূৰ্বপুৰুষে এই ধাৰ লোৱাৰ কথা প্ৰমাণ কৰিব পৰাকৈ আপোনাৰ ওচৰত কিবা কাকত-পত্ৰ আছেনে?''

বজ্ৰসেন বিৰক্ত হ'ল। তেওঁ খঙেৰে কলে, ''ভূধৰৰ পূৰ্বপুৰুষে মোৰ পূৰ্বপুৰুষৰ পৰা টকা ধাৰলৈ লৈছিল। যদি সেই কথা আপোনালোকৰ বিশ্বাস হোৱা নাই, তেন্তে ভূধৰকে নুসোধে কিয়।''

সকলোৱে ঘূৰি ভূধৰৰ ফালে চালে। ভূধৰে মুৰ তল কৰি বহি আছিল। যেতিয়া

গুৰুৱে তেওঁক উত্তৰ দিবলৈ কলে, তেতিয়া ভূধৰে কান্দি কান্দি কলে, ''মইনো কি কৰিব পাৰো। মোৰ ককাদেউতাই দেউতাক কৈছিল যে আমাৰ পৰিয়াল ধৰুৱা হৈ আছে। মোৰ দেউতায়ো একে কথাই মোক কৈছিল। কিমান টকাৰ ধৰুৱা সেই কথা মই কেতিয়াও চিন্তা কৰি চোৱা নাই। মোক কোনেও কোৱা নাই।''

ত্ৰিধামে কিবা এটা চিন্তা কৰিলে। তাৰপিছত তেওঁ ভৰিৰ সোঁ গাঠিত পিন্ধি থকা অলংকাৰ ডাল খুলি বজ্ৰসেনক দি কলে, ''অনুগ্ৰহ কৰি এয়া গ্ৰহণ কৰক আৰু ভূধৰৰ পৰিয়ালক এই ধাৰৰ পৰা মুক্ত কৰি দিয়ক।''

বজ্ৰসেনে সেয়া লৈ পৰীক্ষা কৰি কলে, ''এয়া গ্ৰহণ কৰিলেও তেওঁৰ পৰিয়ালৰ পৰা আৰু কিছু টকা পাবলৈ বাকী থাকিব।''

ত্ৰিধামে তাত উপস্থিত থকা সকলো লোকক উদ্দেশ্যি কলে, ''ভূধৰৰ পৰিয়ালে পূৰ্বপুৰুষৰ কথাকে মানি আনৰ গোলামী কৰি আহিছে। তেওঁলোকে আনৰ ককৰ্থনা নিৰৱে সহ্য কৰি আহিছে। স্বাধীনতা নোহোৱা লোক মৃতৰ নিচিনা। সেইবাবেই এই দেশৰ ৰজাই মোৰ ভৰিৰ গাঠিত পিন্ধাই দিয়া অলংকাৰটো দি তেওঁৰ পৰিয়ালৰ স্বাধীনতা ঘূৰাই আনিব বিচাৰিছো।'' তাৰপিছত তেওঁ বজ্ৰসেনক কলে, ''এয়া খাটি সোণৰ আৰু তাত বহু মূল্যৱান মণি-মুকুতা লগাই থোৱা আছে। মই ইয়াৰ প্ৰকৃত মূল্য আপোনাক কব নোৱাৰিব পাৰো, কিন্তু এই কথা জানো যে ইয়াক বেচি মই যিমান টকা পাম তাৰে আপোনাৰ দৰে এশজন মানুহক কিনি লব পাৰিম। আপুনি ভূধৰৰ পৰিয়ালক ধাৰৰ পৰা মুক্ত কৰি নিদিয়ালৈকে মই শিষ্যসকলকলৈ ইয়াতে বহি থাকিম।''

গুৰুৰ কথাত বজ্ৰসেনে ভয় খালে। অলংকাৰটো লৈ থকা তেওঁৰ হাতখন কঁপি উঠিল। তেওঁ কলে, ''মই ভূধৰৰ পৰিয়ালক ধাৰৰ পৰা মুক্ত কৰি দিছো। অনুগ্ৰহ কৰি আপোনাৰ অলংকাৰ আপুনিয়েই ৰাখক।'' এইবুলি অলংকাৰটো গুৰুৰ হাতত দি তেওঁ গুচি গ'ল।

গুৰু ত্ৰিধামে ভূধৰক কাষলৈ মাতি কলে, ''মই নগৰ পোৱাৰ পিছত ৰজাৰ লোকৰ সহায় লৈ সূৰ্যক বিচাৰি উলিয়াম।'' তাৰপিছত গুৰুৱে শিষ্যসকলক লগত লৈ সেই ঠাই এৰি যাত্ৰা আৰম্ভ কৰিলে।

সুশীলে তাৰপিছতো ঘটনাটোৰ কথা ভাৱি থাকিল। তেওঁ বুজি নাপালে কিয় ভূধৰ আৰু তেওঁৰ পৰিয়ালে বজ্ৰসেনৰ

পৰা ধাৰৰ পৰিমাণ আদি কেতিয়াও জানিবলৈ চেষ্টা নকৰিলে। ধাৰ লোৱাৰ পিছত কেইবাটাও প্ৰজন্ম পাৰ হৈ গ'ল আৰু লগতে ধাৰক প্ৰমাণ কৰিবৰ বাবে কোনো কাকত-পত্ৰও নাছিল। কিন্তু তাৰ পিছতো এনে কি শক্তিয়ে তেওঁলোকক সেই ধাৰক মানি চলিবলৈ বাধ্য কৰি থাকিল? কিহৰ বাবে তেওঁলোকে জীৱন জুৰি আনৰ গোলামী খাটিবলৈ বাধ্য হ'ল?

গুৰু, শিষ্যসকল গৈ পিছদিনা এটা হ্ৰদৰ পাৰত উপস্থিত হ'ল। তাতে তেওঁলোক জিৰণি লবলৈ বুলি বহিল। তেনে সময়তে শিষ্য সুশীলে গুৰুৰ আগত নিজৰ কৌতুহল বিৱৰি কলে। শিষ্যৰ কথা শুনি গুৰুৱে হাঁহি এটা মাৰি অলপ দূৰত বান্ধি থোৱা হাতী এটা দেখুৱাই কলে, "তুমি তাত কি দেখিছা?"

"এটা হাতী।" সুশীলে কলে।

গুৰুৱে পুণৰ কলে, "ভালদৰে চোৱা। এটা আচৰিত কথা লক্ষ্য কৰিব পাৰিবা।"

সুশীলে ভালদৰে লক্ষ্য কৰিলে আৰু বুজিব পাৰিলে গুৰুৱে কিহৰ কথা কৈছে। এটা বিশাল হাতীক তুলনামূলক ভাৱে এডাল সৰু শিকলিৰে বান্ধি থোৱা হৈছিল। হাতীয়ে অলপ জোৰ কৰিলেই সেইডাল চিগি থকাৰ সম্ভাৱনা আছিল। গুৰুৱে শিষ্যৰ মনৰ ভাৱ বুজি কলে, "যেতিয়া হাতীটো পোৱালী আছিল, সি শিকলি ডাল টানি চিঙিবলৈ চেষ্টা কৰিছিল। কিন্তু চিঙিবলৈ সক্ষম হব পৰা নাছিল। যেতিয়া সি লাহে লাহে ডাঙৰ হৈ আহিল, সি সেই আগৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি চিন্তা কৰিলে যে সি সেই শিকলি চিঙিবলৈ সক্ষম নহব। মানুহৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। এই ব্যৱস্থাবিলাকে মানুহক মানসিকভাৱে বান্ধি পেলায়। সেইবিলাক মানসিক শিকলি। হাতী হ'ল জন্তু। সেইবাবে সি সেই মানসিক শিকলি চিঙিব নোৱাৰে। কিন্তু সূৰ্যৰ দৰে লোকে তেনে শিকলি চিঙি বজ্ৰসেনৰ দৰে লুভীয়া আৰু স্বাৰ্থপৰ লোকৰ কব্জাৰ পৰা ওলাই আহিবলৈ সক্ষম হয়। ভূধৰৰ দৰে লোকে তেনে শিকলিৰ বন্ধন খুলি ওলাই আহিব নোৱাৰে।"

সুশীলে গুৰুৰ কথাৰ অৰ্থ অনুধাৱন কৰিলে আৰু নিজৰ প্ৰশ্নৰ সদুত্তৰ পাই সুখী হ'ল।



পঞ্চতন্ত্ৰৰ সাধু

"নাই নাই, তোমাৰ লগত বন্ধুত্ব কেতিয়াও হ'ব নোৱাৰে।" হিৰণ্যকে ক'লে।

লঘূপতনকে কলে, "চিত্ৰগ্ৰীৱ আৰু তেওঁৰ অনুচৰসকলক তুমি যি উপকাৰ কৰিলা তাক মই নশলাগি নোৱাৰো। মই মুগ্ধ। মই যদি তোমাৰ বন্ধুত্ব অৰ্জন কৰিব নোৱাৰো, তেনেহলে মোৰ এই জীৱন ব্যৰ্থ। তুমি মোৰ লগত বন্ধুত্ব কৰি চোৱা, তেতিয়াহে গম পাবা মই কিমান ভাল বন্ধু।"

"ইমান ভাল মোক নালাগে। বন্ধুত্বৰ এটা সীমা আছে। কলোৱেই নহয় যে তোমালোকে আমাক খাদ্য বুলিহে ভাৱা। আমি তোমালোকক দেখিলেই পলাও। তোমালোক আমাৰ ভয়ৰ কাৰণ। উভয় পক্ষৰ সমান সমান গুণ আৰু ধন-সম্পদ নাথাকিলে বন্ধুত্ব হ'ব নোৱাৰে। তুমিয়েই কোৱাচোন, দুখীয়াৰ লগত ধনীৰ বন্ধুত্ব হয় নে? দুৰ্বলৰ লগত সবলৰ? সেয়ে আকৌ কও, তুমি ইয়াৰ পৰা গুচি যোৱা।" হিৰণ্যকে লঘুপতনকক কলে।

"তুমি গাঁতৰ পৰা ওলাই নাহিলে মই ইয়াৰ পৰা নাযাও। গাঁতৰ ভিতৰত তোমাৰ খোৱাবস্তু আছে, তোমাৰ কোনো অসুবিধা নহব। কিন্তু ইয়াত মই খাবৰ বাবে একো বস্তু নাই। তথাপি মই ইয়াতে থাকিম। নাখাই মৰিম। মোৰ মৃত্যু যদি তোমাৰ কাম্য, সিয়েই হওক।" লঘুপতনকে কলে।

"তুমি এইবিলাক কি কৈছাহে। কিমান যে কথা-চহকী তুমি। বন্ধুত্বৰ বাবে ইমানকৈ কথাৰ মহলা মৰাৰ আৱশ্যকতা আছেনে? তুমি বন্ধুত্বৰ বাবে বলিয়া হৈ পৰিলা দেখোন। মোৰ কাৰণে তুমি মৰিবা কিয়? মোৰ বাহিৰে তোমাৰ

মিত্ৰ লাভ – ৩

বন্ধু হব পৰা আন কোনো নাই নেকি ?'' হিৰণ্যকে কলে।

''তুমি কেনেকুৱা প্ৰাণী হে। মোক নেদেখি নাজানিয়েই শত্ৰু বুলি ভাৱি লৈছা ?'' লঘুপতনকে কলে।

''শত্ৰু দুবিধ। এবিধ হ'ল জাতি শত্ৰু আৰু আনবিধ হ'ল কোনো এটা বিশেষ ঘটনাক কেন্দ্ৰ কৰি হোৱা শত্ৰু। তুমি মোৰ জাতি শত্ৰু। আৰু সেয়ে তোমালৈ মোৰ ইমান ভয়। প্ৰতিটো কাউৰীয়েই প্ৰতিটো এন্দুৰৰ শত্ৰু।'' হিৰণ্যকে কলে।

''প্ৰতিটো বিষয়তেই ব্যতিক্ৰম আছে। আছে নে নাই কোৱা ? নে সকলোৰেই সমান ?'' লঘুপতনকে সুধিলে।

''যুগ যুগ ধৰি কিবা ঘটনা ঘটি থাকিলে, সেইবিলাকক লক্ষ্য কৰি বৃদ্ধসকলে ভাল-বেয়া উপদেশ দিয়ে। সেয়ে চোৱা, সাপ আৰু নেউলৰ বন্ধুত্ব নহয়। যিবোৰ জন্তুৱে মাংস খায়, সেইবিলাকৰ লগত নিৰামিষ ভোজী জন্তুৰ কেতিয়াও বন্ধুত্ব নহয়। পানী আৰু জুইৰ মাজত কেতিয়াবা বন্ধুত্ব হোৱা দেখিছানে ? জ্ঞানীৰ লগত মূৰ্খৰ একা ? ভাল মানুহৰ লগত বেয়া মানুহৰ কেতিয়াও বন্ধুত্ব নহয়।'' হিৰণ্যকে কলে।

''তথাপি চেষ্টা কৰি চোৱাত অসুবিধা কি ? চেষ্টা কৰিলে কি কৰিব নোৱাৰি ? চেষ্টা কৰিলে সকলো কামেই সম্ভৱ। মত, পথ, সত, সকলোৰে সাল-সলনি হয়। শত্ৰু মিত্ৰ হয়, মিত্ৰ শত্ৰু হয়। জ্ঞানীয়ে সৎ বন্ধু বিচাৰে। কেতিয়া কাৰ লগত কোন বিষয় লৈ শত্ৰুতা হৈছিল, সেই কথা মনত ৰাখি থোৱা অৰ্থহীন। কোনোবা কাউৰীয়ে কিবা কৰিছিল বুলি ময়ো যে সেই একেটাই কৰিম তাৰ কোনো মানে নাই।'' হিৰণ্যকৰ কথাত যুক্তি দি লঘুপতনকে কলে।

কাউৰী লঘূপতনকৰ কথাত এন্দুৰ হিৰণ্যকে কলে, ''তুমি কিজানি ভালেই-সৎ কাউৰী। তথাপি কওঁ, আমাৰ দুয়োজনৰ মাজত বন্ধুত্বৱে একো কাম নহব। যাৰ যি স্বভাৱ তাক সহজতে এৰি পেলোৱাটো টান। ব্যাকৰণ ৰচোতা পাণিনিক এটা সিংহই মাৰি পেলোৱাৰ কথা জানো মনত নাই ? এটা হাতীয়ে জৈমিনী নামৰ এজন জ্ঞানীলোকক মাৰি

পেলোৱাৰ কাহিনী জানো তুমি শুনা নাই ? এটা ঘঁৰিয়ালে পিংগলক নামৰ এজন মহাপণ্ডিতক মাৰি পেলোৱাৰ কথা জানো তোমাৰ মনত নাই ?'' হিৰণ্যকে কলে।

''তোমাৰ প্ৰতিটো কথা সঁচা। পিছে ময়ো অলপ কওনে? এই যে মানুহ, দেখাত সকলো একেই। কিন্তু কোনোবা ভাল, কোনোবা বেয়া। কোনোৱে মৰম চেনেহেৰে আনক আপোন কৰি লয়, কোনোৱে নিজৰ আপোন মানুহকো আতৰাই পঠিয়ায়। সেইদৰে কাউৰীৰো ভাল-বেয়া নথকা নহয়। মই যে তোমাৰ কোনো অপকাৰ নকৰো, তাৰ প্ৰমাণ পাবা। মই শপত খাই কৈছো।'' লঘুপতনকে কলে।

''মই তোমাৰ শপতত বিশ্বাস নকৰো। জ্ঞানী, অভিজ্ঞ লোকে শত্ৰুৰ শপতত বিশ্বাস নকৰিবলৈ কৈছে। বিশ্বাসৰ সুযোগ লৈ শত্ৰু কাষ চাপি আহে। তাৰপিছত সুবিধা পালেই ধ্বংস কৰে।'' হিৰণ্যকে কলে।

এন্দুৰৰ কথা শুনি কাউৰীৰ মন মৰি গ'ল। মনতে ভাৱিলে, 'এই সামান্য এন্দুৰে বহু কথাই জানে। যাৰ ইমান জ্ঞান তাৰ লগত যেনে তেনে বন্ধুত্ব কৰিব লাগিব।'

কাউৰীয়ে চিঞৰি কলে, ''হেৰা হিৰণ্যক, কথাতে কয়, সাত খোজ একে লগে গলেই বোলে বন্ধুত্ব হয়। আমি বহু কথা পাতিলো। এইদৰে সদায় কথা পতাত তোমাৰ আপত্তি আছে নেকি ? তুমি কবা মই শুনিম, মই কলে তুমি শুনিবা। তুমি কি কোৱা ?''

এন্দুৰে মনে মনে কাউৰীক নশলাগি নোৱাৰিলে। অৱশ্যে মুখ ফুটাই একো নকলে। তাৰপিছত অলপ ভাৱি কলে, ''ঠিক আছে, তোমাৰ প্ৰস্তাৱত মোৰ সন্মতি আছে। আমি নিতৌ কথা পাতিম। পিছে ময়ো এই গাঁতৰ পৰা নোলাও আৰু তোমাকো ইয়াত সোমাবলৈ নিদিও।''

এন্দুৰ হিৰণ্যকৰ প্ৰস্তাৱত কাউৰী লঘুপতনক সন্মত হ'ল। *(আগলৈ)*



বাসৱৰ ব্যৱসায়িক মন

পুৰন্দৰ আৰু পৰমেশ্বৰ আছিল ভাল বন্ধু। সিঁহত দুয়োজন বেছ ভাল ব্যৱসায়ী আছিল। এজনে কাপোৰৰ আৰু আনজনে খুচুৰা বিক্ৰীৰ ব্যৱসায় কৰিছিল। দুয়োজন বেছ পৰিশ্ৰমী আছিল আৰু ভাল পথেৰে ধন-সম্পদ উপাৰ্জন কৰিছিল। দুয়ো এমাহত এবাৰ লগ খাইছিল আৰু তেওঁলোকৰ ব্যৱসায়ৰ সম্পৰ্কে নানা কথা আলোচনা কৰিছিল।

এদিনাখন, পৰমেশ্বৰ পুৰন্দৰৰ ঘৰলৈ আহিল। তেওঁলোকে বাহিৰত বহি কথা পাতি থাকোতেই এজন ভিক্ষাৰী আহি ভিক্ষা খুজিবলৈ ধৰিলে। পুৰন্দৰে ভিক্ষাৰীক গালি পাৰি কলে, ‘‘তুমি এইদৰে কিয় ভিক্ষা কৰি ফুৰিছা? তুমিটো বেছ স্বাস্থ্যবান আৰু বয়সো কম। কাম এটা বিচাৰি নোলোৱা কিয়?’’

‘‘মহাশয়, মই মোৰ মা-দেউতা কোন তাক নাজানো। জনা হোৱাৰ পৰাই এইদৰে বাটে পথে ভিক্ষা কৰি ফুৰিছো। মোক কোনে কাম দিব?’’ ভিক্ষাৰীটোৱে কলে।

প্ৰথমতে ভিক্ষাৰীক গালি পৰাৰ বাবে পুৰন্দৰৰ বেয়া লাগিল। তেওঁ ভিক্ষাৰীটোক প্ৰথমতে পেট ভৰাই এসাজ খাবলৈ দিলে। তাৰপিছত সুধিলে, ‘‘তোমাৰ নাম কি?’’

‘‘মোৰ নাম বাসৱ।’’ ভিক্ষাৰীয়ে কলে।

‘‘ঠিক আছে বাসৱ, তোমাৰ স্বাস্থ্য পাতি ভালেই। তুমি কেৱল নিজৰ মনটোক সৱল কৰা দৰকাৰ। লগতে তুমি এটা কাম বিচাৰি লোৱা। তুমি এই কাম কৰি কিমানদিন জীয়াই থাকিম বুলি ভাৱিছা? জীৱিকা অৰ্জনৰ বাবে আন এটা পথৰ সন্ধান নকৰা কিয়?’’

‘‘মহাশয়, যদি আপুনি মোৰ বিশ্বাস কৰি কিবা এটা কাম দিয়ে, মই নিশ্চয়কৈ কৰিবলৈ চেষ্টা কৰিম।’’ বাসৱে কলে।

পুৰন্দৰে খন্তেক চিন্তা কৰিলে আৰু তাৰপিছত কলে, ‘‘ঠিক আছে। মই

এ হাইমাৱতী

তোমাক এতিয়া এখৰাহী আম দিম । সেয়া তুমি লৈ গৈ বিক্ৰী কৰি যি ধন পোৱা মোলৈ লৈ আহিবা । যদি তুমি তোমাৰ বিশ্বাসযোগ্যতা প্ৰমাণ কৰিব পাৰা, মই তোমাক সহায় কৰিম ।''

তাৰপিছত তেওঁ ভিতৰলৈ গৈ এসাজ কাপোৰ আনি বাসৱক পিন্ধিবলৈ দিলে । ''যদি তুমি ফটা-চিটা কাপোৰ পিন্ধি আম বিক্ৰী কৰিবলৈ যোৱা তেন্তে মানুহে তোমাৰ পৰা কিনিবলৈ সংকোচ কৰিব পাৰে । সেইবাবে এয়া পিন্ধি লোৱা ।'' পুৰন্দৰে কলে ।

তাৰপিছত তেওঁ এজন ঘৰৰ কাম কৰা লোকক এখৰাহী আম আনিবলৈ কলে । সেয়া তেওঁ বাসৱক দিলে ।

বাসৱে সুধিলে, ''মহাশয়, এই আমৰ বজাৰ মূল্য কি অনুগ্ৰহ কৰি মোক কবনে ?

বাসৱৰ চিন্তা দেখি পুৰন্দৰ সুখী হ'ল । তেওঁ কলে, ''এয়া হ'ল ভাল বিধৰ আম । ইয়াৰ একোটা আম গাৱঁৰ বজাৰত বিশ টকাত বিক্ৰী হয় । কিন্তু তুমি মানুহৰ ঘৰে ঘৰে গৈ এয়া বিক্ৰী কৰিবা । গতিকে তুমি নিজাকৈ ইয়াৰ দাম ঠিক কৰি লবা ।''

আমখিনি লৈ বাসৱ গুচি যোৱাৰ লগে লগে পৰমেশ্বৰে পুৰন্দৰক কলে, ''বন্ধু, এইদৰে ভিক্ষাৰীক বিশ্বাস কৰোঁটো বৰ নিৰাপদ নহয় । সি হয়তো তোমাৰ ওচৰলৈ উভতি নাহিব । সেইখিনি বিক্ৰী কৰি পোৱা টকাৰে সি অন্তত এটা সপ্তাহ আৰামেৰে থাকিব পাৰিব । তাৰ পিছত সি আন এখন গাৱঁলৈ গৈ এই একেই কাম কৰিব । মোৰ বোধেৰে তোমাৰ এপাচি আম লোকচান হ'ল ।''

''কোনো কথা নাই পৰমেশ্বৰ । এপাচি আম লোকচান হলে একো হানি নহয় । তোমাৰ মনত আছেনে যে আমিও প্ৰথমতে সৰুকৈ ব্যৱসায় আৰম্ভ কৰিছিলো । আমি আজি যি অৱস্থাত আছো তাৰ সকলো কৃতিত্ব যাব ৰাঘৱ ডাঙৰীয়ালৈ । তেওঁ আমাক সহায় নকৰাহলে আমি আজি হয়তো কৰবাতে থাকিলোহেতেন । আজিৰ এই সৰু সহায়ে বাসৱৰ জীৱন সলনি কৰি দিব পাৰে । নহলে ভাৱিম যে এখৰাহী আম কাৰোবাক দান দিলো ।''

''মই তোমাৰ লগত যুক্তিত জিকিব নোৱাৰো ।'' পৰমেশ্বৰে কলে । পৰমেশ্বৰে মানুহক সহজতে বিশ্বাস নকৰিছিল ।

''বাৰু, এতিয়া ভিতৰলৈ বলা । কিবা এটা খাই লোৱা যাওক । তাৰপিছত মই তোমাক নতুনকৈ আৰম্ভ কৰা নাৰিকলৰ বাৰী দেখুৱাবলৈ লৈ যাম ।'' পুৰন্দৰে কলে ।

আবেলি দুয়ো নাৰিকলৰ বাৰীলৈ গৈ থাকোতে পৰমেশ্বৰে কলে, ''এতিয়া ভাৱিব পাৰা যে এপাচি আম তুমি দান দিলা।'' এইদৰে কৈ শেষ কৰাৰ লগে লগে দেখিবলৈ পালে যে খালী পাচিটো লৈ বাসৱ উভতি আহিছে।

বাসৱে কাষ চাপি আহি কলে, ''মহাশয়, আপোনাৰ আশীৰ্ব্বাদৰ বাবে মই সকলোখিনি আম বিক্ৰী কৰিব পাৰিলো। অনুগ্ৰহ কৰি এই পইছাখিনি লওক। অলপ দেৰি হোৱা হলে মই হয়তো আপোনাক লগ নাপালোহেতেন।'' এইবুলি তেওঁ কিছু পইছা পুৰন্দৰক দিলে।

''তুমি কি দৰত আমখিনি বিক্ৰী কৰিলা ?'' পৰমেশ্বৰে সুধিলে।

''মই একেলগে পাঁচটা আম কিনাজনক এটা আম বিনামূলীয়াকৈ দিলো আৰু বাকী পাঁচটাৰ প্ৰতিটোতে ত্ৰিছ টকাকৈ ললো। খৰাহীটোত এশ ছাব্বিছটা আম আছিল। মই সেইবিলাক এটাত বিশ টকাকৈ বিক্ৰী কৰা হলে মুঠতে দুহেজাৰ পাঁচশ বিশ টকা পালোহেতেন। কিন্তু মই পাঁচটাত এটা আম, মানে মুঠ ২১ টা আম বিনামূল্যে দি মুঠতে ছশ ত্ৰিশ টকা বেছিকৈ পালো। কিয়নো মই বাকীবিলাক আম ত্ৰিশ টকা দৰত বিক্ৰী কৰিছিলো।'' বাসৱে পুৰন্দৰ আৰু পৰমেশ্বক বুজাই কলে।

পুৰন্দৰে পৰমেশ্বৰলৈ চালে আৰু কলে, ''বাসৱে এই কথা প্ৰমাণ কৰিলে যে যদি কোনোৱে উপযুক্ত সুবিধা লাভ কৰে, তেন্তে নিজকে প্ৰমাণ কৰিব পাৰে।''

তাৰপিছত তেওঁ বাসৱলৈ চাই কলে, ''মই তোমাৰ ব্যৱসায়িক বুদ্ধি আৰু সততাৰ মুগ্ধ হৈছো। তুমি বেছ বুদ্ধিয়ক। তুমি নিজাকৈ ব্যৱসায় আৰম্ভ কৰা। ভিক্ষা খোজা ত্যাগ কৰা। আজি তুমি যি উপাৰ্জন কৰিলা, সেয়া তুমি ৰাখি থোৱা। কালিলৈ আহি দুখৰাহী আম লৈ যাবা আৰু বিক্ৰী কৰিবা। এইদৰে এসপ্তাহ কাম কৰাৰ পিছত যি লাভ কৰিবা, সেই টকাৰে নিজাকৈ ব্যৱসায় আৰম্ভ কৰিব পাৰিবা। মই তোমাক সহায় কৰিম। মই ভাৱো তুমি ব্যৱসায়ত সফল হব পাৰিবা।'' বাসৱৰ পিঠিত থপৰিয়াই পুৰন্দৰে কলে। ঘটনা দেখি পৰমেশ্বৰো সুখী হ'ল।



বজ্ৰপাত

চাৰি দিন চাৰি ৰাতি একেৰাহে বৰষুণ দি আছিল। চৰাই-চিৰিকটিয়ে ডাঙৰ ডাঙৰ গছত আশ্ৰয় লৈছিল। যিবিলাকে গছৰ খোৰোঙত বাস কৰে সেইবিলাকৰ কোনো সমস্যা হোৱা নাছিল। কিন্তু যিবিলাকে খেৰ কুটাৰে বাঁহ সাজি বাস কৰে সিবিলাকৰ বৰ দুৰ্গতি হৈছিল। কিছুমান চৰায়ে বৰ্ষা ঋতুৰ সময়ত ব্যৱহাৰ কৰিব পৰাকৈ শস্য আদিও জমা কৰি থৈছিল।

গছৰ খোৰোঙত বাস কৰা এটা ভাটৌৰ নাম আছিল ৰবীন। সেইদিনা ৰাতিপুৱা সি পেট ভৰাই খালে আৰু সেইবাবে অলসতা অনুভৱ কৰিছিল। বৰষুণ এৰিলেই সি খেতি পথাৰৰ পৰা মিঠা মটৰমাহ অলপ সংগ্ৰহ কৰাৰ কথা চিন্তা কৰিছিল।

অলপ পৰৰ পিছতে বৰষুণ এৰিল যদিও আকাশ ডাৱৰীয়া হৈয়েই থাকিল। কিনিকিনীয়া বৰষুণ হৈ থাকিল।

ৰবীনৰ তাৰ সৰুকালৰ কথাবিলাক মনত পৰিল। দেউতাকে তাক কিদৰে উপৰলৈ উৰা মাৰি তাৰপিছত দ্ৰুতগতিত তললৈ ছোঁ মাৰি নামি আহি গছৰ ডালত বহিবহি লাগে তাক শিকোৱাৰ কথা। সেই দিনবিলাক যে কিমান সুন্দৰ আছিল। এইবিলাক ভাৱি ভাৱি সি অলপ নষ্টেলজিক হৈ পৰিল।

"ৰবীন" ৰবীনৰ ঘৰৰ দুৱাৰ মুখত কোনোবাই চিঞৰি মাতিলে।

ৰবীনে দুৱাৰ মুখলৈ আহি চাই আচৰিত হ'ল। সেয়া আছিল তাৰ বাল্যবন্ধু চিট্টি। চিট্টিও আছিল এটা ভাটৌ।

"সুন্দৰ কথা। মই তোমাৰ কথা ভাৱি আছিলো। ভিতৰলৈ সোমাই আহা। তোমাৰ পাখিবিলাক তেনেই তিতি গৈছে। তুমি নিশ্চয় বৰষুণতে উৰি আহিছা।" ৰবীনে কলে।

ৰবীনৰ বন্ধু ঘৰৰ ভিতৰলৈ সোমাই

এম কে সোমনাথ পানিকাৰ

গ'ল। তাৰপিছত তেওঁ ৰবীনক সুধিলে, ‘‘তোমাৰ ঘৰৰ আনসকল ক'ত ?’’

‘‘মোৰ পত্নী ওচৰতে থকা আন এটা খোৰোঙত বাস কৰে। তাই অলপতে দুটা কণী পাৰিছে। সেইকেইটাক উমনি দি আছে।’’ ৰবীনে কলে।

‘‘সেয়া বৰ ভাল খবৰ। তাৰমানে তোমাৰ পৰিয়াল ডাঙৰ হবলৈ গৈ আছে। অভিনন্দন।’’ চিট্টিয়ে কলে।

তাৰপিছত বহুসময় ৰবীন আৰু চিট্টিয়ে সৰু কালৰ নানা কাহিনী ৰোমন্থন কৰি কটালে। মাজতে ৰবীনে চিট্টিক কিবা কিবি খাবলৈও দিলে। হঠাতে দুৱাৰ মুখত কিবা এটা শব্দ শুনি সি জুমি চাই থৰ লাগিল। এটা কলা বৰণৰ সাপ। সি কলে, ‘‘মই যোৱা দুদিন একো খোৱা নাই। মই এতিয়া বৰ ভোকাতুৰ। তোমালোকৰ ভিতৰৰ কেৱল এটাক খালেই হব। ভাটৌৰ মাংস যে বৰ সোৱাদলগা সেই কথা মই জানো।’’ এইবুলি কৈ সাপটোৱে ফোঁচফোচাবলৈ ধৰিলে।

‘‘হে ভগৱান, এই দয়াহীন সাপটোৱে আমাক নিশ্চয় খাই পেলাব। আমাক ৰক্ষা কৰা।’’ ৰবীনে চিঞৰিলে।

দুয়োটা ভাটৌৱেই ভয়ত কপিবলৈ ধৰিলে। আনহাতে সাপটোৱেও লাহে লাহে খোৰোঙৰ ভিতৰলৈ সোমাই আহিবলৈ চেষ্টা কৰিলে। প্ৰকাণ্ড অজগৰটোৱে মূৰটো খোৰোঙত সুমুৱাই দিয়াৰ লগে লগে হঠাৎ গছজোপাত বিজুলীৰ পোহৰ পৰিল আৰু তাৰপিছতে এটা প্ৰচণ্ড শব্দ হল। পোৰা মাংসৰ গোন্ধ এটাই গছৰ খোৰোঙটো ভৰি পৰিল।

‘‘হে ভগৱান, সাপটোৰ ওপৰত বজ্ৰপাত পৰিল।’’ ৰবীনে চিঞৰি কলে। লগে লগে ‘ধুপুচ’কৈ শব্দ কৰি মৰা সাপটো তলৰ মাটিত সৰি পৰিল। দুয়ো ঘটনাটো বিশ্বাস কৰিবলৈ টান পালে।

‘‘ভগৱানে সদায় আমাক বিপদৰ সময়ত সহায় কৰি আহিছে।’’ চিট্টিয়ে ভগৱানলৈ কৃতজ্ঞতা প্ৰকাশ কৰি কলে। তাৰ অলপ পিছতে জোৰেৰে বতাহ বলিবলৈ ধৰিলে আৰু দবাপিতা বৰষুণ পুণৰ আৰম্ভ হৈ পৰিল।

ভাগ্য দেৱতা

আফ্রিকা দেশত এটা মাছমৰীয়া আছিল। সি সদায় এটা ডাঙৰ হ্রদত মাছ ধৰিছিল। মাছ ধৰিবৰ বাবে তেওঁ খৰাহীৰ দৰে জাল ব্যৱহাৰ কৰিছিল। তেওঁ সেই জালবিলাক পানী কম থকা ঠাইত পাতি থৈছিল। তেওঁ সৰু সৰু কাঠৰ টুকুৰা সেই জালৰ ওপৰত বান্ধি থৈছিল আৰু সেইবিলাকৰ যোগেদি কোন ঠাইত জাল পাতি থোৱা আছে তাক গম পাইছিল। ঘৰলৈ যোৱাৰ সময়ত তেওঁ সেই জালবিলাক টানি পাৰলৈ আনিছিল আৰু তাত সোমাই থকা মাছ ধৰি বজাৰত বিক্রী কৰিছিল। এইদৰে মাছ বিক্রী কৰি যি উপাৰ্জন কৰিছিল তাৰে জীৱিকা অৰ্জন কৰিছিল।

এদিনাখন মাছমৰীয়াই জালবিলাক লাহে লাহে ওপৰলৈ তুলি আনিবলৈ ধৰিলে। প্ৰথম তিনিখন জালত এটাও মাছ নালাগিল। চতুৰ্থখন জাল টানোতে তেওঁৰ বেছ গধুৰ লাগিল। তেওঁ ভাৱিলে ‘আজি ভাগ্য ভাল, ডাঙৰ মাছ লাগিছে নিশ্চয়।’ কিন্তু তেওঁ জাল পাৰলৈ টানি আনি দেখিলে যে এজনী হাড়ে-ছালে লগা বৃদ্ধাহে লাগিল।

মাছমৰীয়া আশ্চৰ্য খন্তেকতে ঘৃণালৈ পৰিৱৰ্তিত হ’ল। তেওঁ বৃদ্ধাক পুণৰ পানীত পেলাই দিব খুজিলে। কিন্তু তেনেতে বৃদ্ধাই কলে, ‘‘মোক পানীত পেলাই নিদিবা। তোমাৰ লগত লৈ ব’লা। তোমাৰ কোনো হানি নহয়।’’

‘‘মই তোমাক নিজৰ ঘৰলৈ লৈ যাম ? মই নিজেই কোনোমতে পেটে-ভাতে খাই আছো। তোমাক কেনেকৈ খুৱাই ৰাখিম ?’’ মাছমৰীয়াই কলে।

কিন্তু বৃদ্ধাই মাছমৰীয়াক বৰকৈ অনুৰোধ কৰাত মাছমৰীয়াই তেওঁক

ঘৰলৈ লৈ গ'ল। আহাৰ খোৱাৰ সময়ত মাছমৰীয়াই নিজৰ ভাগৰে ভাত অলপ বৃদ্ধাক খাবলৈ দিলে। খোৱাৰ পিছত মাছমৰীয়াই কলে, ''তুমি কৈছিলা যে মোৰ কিবা লাভ হ'ব। ক'তা, একো লাভ হোৱাই নাই দেখোন।''

''কালিলৈৰ সন্ধিয়াৰ ভিতৰত তুমি এপাল পশুৰ মালিক হৈ পৰিবা। গতিকে সোনকালে পশুৰ বাবে এটা ডাঙৰ গোহালি তৈয়াৰ কৰা।'' বৃদ্ধাই কলে।

মাছমৰীয়াই বৃদ্ধাক বহু প্ৰশ্ন কৰিলে। কিন্তু এটাও প্ৰশ্নৰ উত্তৰ নিদি বৃদ্ধাই কলে, ''মই যি কৈছো তাকে কৰা।''

কথামতেই পিছদিনা মাছৰীয়াই এটা ডাঙৰ গোহালি তৈয়াৰ কৰিলে। তাৰ চাৰিওফালে কাইটীয়া গছৰ ঠাল বান্ধি দিলে। ইতিমধ্যে সন্ধিয়া হৈ আহিছিল।

কাম সমাপ্ত কৰাৰ লগে লগেই মাছমৰীয়াই বহু পশুৰ মাত শুনিবলৈ পালে। এটা ষাড়ৰ পিছে পিছে বহু গৰু-গাইৰ এটা ডাঙৰ জাক আহি গোহালিত সোমালহি। গোহালিত সোমাই সকলো পশু শুই পৰিল, যেন তাত শুবৰ বাবেহে আহিছিল।

সেইদিনাৰে পৰা মাছমৰীয়াৰ জীৱন সলনি হৈ পৰিল। তেওঁ লাহে লাহে ধনী হৈ আহিবলৈ ধৰিলে। এটা সময়ত তেওঁ সেই অঞ্চলৰ সকলোতকৈ



ধনীলোক হৈ পৰিল। তেওঁ তাৰপিছত বহু মাটি-সম্পত্তি কিনি ঘৰ সাজিলে। তেওঁ আঢ্যৱন্ত ব্যক্তিৰ সংগত ঠাই পোৱা হ'ল।

কেতিয়াবা কোনোবাই যদি কিবা পৰামৰ্শ বা উপদেশ বিচাৰি আহে তেতিয়া তেওঁ দাড়ি লাৰি লাৰি কৈছিল, ''মোৰ আৰু আন কাম নাই নেকি? কালিলৈ আহিবা। মই সময় পালে চিন্তা কৰিম। আৰু খালী হাতে নাহিবা।'' তেওঁ এইদৰেই অহংকাৰত কথা কৈছিল।

তাৰপিছত প্ৰায় ছমাহ পাৰ হৈ গ'ল। মাছমৰীয়াৰ গাৱঁত এটা ভোজ আছিল। তেওঁ তালৈ বুলি গ'ল। তেওঁ তাত মাছে মঙহে খুব খালে আৰু লগতে সুৰাপানো কৰিলে। সেই ভোজ শেষ কৰি ঘৰলৈ উভতি অহাৰ সময়ত

আন্ধাৰ হৈ পৰিল। তেওঁ ইফালে সিফালে হালি-জালি আহি ঘৰ পালেহি। ইফালে ঘৰৰ সকলো দুৱাৰ মাৰি বৃদ্ধা ইতিমধ্যেই শুই পৰিছিল।

তেওঁ আহি যেতিয়া দুৱাৰ বন্ধ পালে, তেতিয়া চিঞৰিবলৈ ধৰিলে, "খোল দুৱাৰ, ঘৰৰ মালিক আহিছে।" কিন্তু বৃদ্ধাই দুৱাৰ নুখুলিলে। তেওঁ গভীৰ টোপনীত আছিল। বৃদ্ধাই দুৱাৰ খুলি নিদিয়া দেখি মাছমৰীয়াৰ বৰ খং উঠিল। তেওঁ চিঞৰিবলৈ ধৰিলে, "আৰে বুঢ়ী, দুৱাৰ খোল, মই তোক হ্ৰদৰ পানীৰ পৰা তুলি আনিছিলো। এতিয়া দুৱাৰ বন্ধ কৰি শুই আছ। খোল দৰজা।"

এইদৰে চিঞৰোতেই দেখিলে যে বৃদ্ধাই দুৱাৰ খুলি দিছে। বৃদ্ধাই মাছমৰীয়াক কলে, "তুমি এনেয়ে চিঞৰি মৰিছা। মোক এনেয়ে গালি পাৰিছা। যি উপকাৰ পোৱাৰ পিছত উপকাৰ কৰোতাক পাহৰি যায়, তেনে লোকৰ লগত মই থাকিব নিবিচাৰো। মই কালিলৈকে গুচি যাম।"

"বাহ, কথা কবলৈ আহিছে। গুচি যোৱা, মোৰ কি? মই ভালহে পাও।" সুবাৰ নিচাত থকা মাছমৰীয়াই কলে।

পিছদিনা বৃদ্ধা শুই উঠিল। তাৰপিছত বিচনা পাৰি বাচন-বৰ্তন ধুই শেষ কৰিলে। তেওঁ ঘৰৰ এপদ বস্তুও লগত নললে। পোনে পোনে তেওঁ গোহালিলৈ গ'ল আৰু তাৰ জপনা খুলি দিলে। সেয়া কৰি তেওঁ হ্ৰদৰ ফালে খোজ ললে। গোহালিৰ সমস্ত পশুৱে বৃদ্ধাক অনুসৰণ কৰিলে। অলপ সময়ৰ ভিতৰতে বৃদ্ধা আৰু সমস্ত পশু হ্ৰদৰ পানীত লুকাই পৰিল। পুণৰ সেইবিলাকক দেখা পোৱা নগ'ল।

অলপ দিনৰ ভিতৰতে মাছমৰীয়াৰ অৱস্থা আগৰ দৰে হৈ পৰিল। তেওঁ ধনীৰ পৰা দুখীয়া হৈ পৰিল। আগতে যি দৰে দৈনিক মাছ মাৰি, সেইবিলাক বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিছিল, সেইদৰেই দিন পাৰ কৰিবলৈ ধৰিলে।



পৰামৰ্শৰ দোকান

এখন গাঁৱত এখন বৰ আচৰিত ধৰণৰ দোকান আছিল। সেয়া আছিল পৰামৰ্শৰ দোকান। সেই দোকানখন চলাইছিল ধৰ্মপাল নামৰ এজন ব্যক্তিয়ে। তেওঁ কাগজৰ সৰু সৰু টুকুৰাত কিছুমান উপায় লিখি ৰাখিছিল। যাকেই পৰামৰ্শ বা উপদেশৰ প্ৰয়োজন হয়, তাকেই সমস্যা অনুসৰি সেই পৰামৰ্শ বিক্ৰী কৰিছিল। পৰামৰ্শ লিখা থকা প্ৰতি টুকুৰা কাগজৰ বাবে তেওঁ এশ টকাকৈ লৈছিল। মানুহে সেই পৰামৰ্শ লিখা কাগজৰ টুকুৰা কিনিছিল আৰু সেই পৰামৰ্শ মতে কাম কৰি লাভান্বিত হৈছিল।

এদিনাখন এজন বেপাৰী সেই দোকানলৈ আহিল। তেওঁ বৰ ধনী আছিল। পৰামৰ্শৰ দোকানৰ পৰা তেওঁ তিনিশ টকা দি তিনিটা পৰামৰ্শ কিনি পেলালে। সেই তিনিটা পৰামৰ্শ আছিল এনে-

যেতিয়া ক'ৰবালৈ যাত্ৰা আৰম্ভ কৰা, তেতিয়া পত্নীক সেই বিষয়ে নকবা।

কেতিয়াবা যদি ভোজন কৰিবলগীয়া হয়, তেতিয়া ৰাস্তাৰ কাষত নকৰিবা।

খৰধৰকৈ কাৰো লগত কোনো কথাতে বাজী নামাৰিবা।

এই পৰামৰ্শ কিনি বেপাৰী ঘৰলৈ গ'ল। তেওঁ জানিব খুজিলে যে এই পৰামৰ্শৰ সত্যতা কিমান। পত্নীক নোকোৱাকৈ তেওঁ লগত হেজাৰ মোহৰ লৈ গাড়ীত উঠি ব্যৱসায়ৰ বাবে চহৰলৈ গ'ল।

কিছুদূৰ যোৱাৰ পিছত তেওঁ ভোজনৰ সময় হ'ল। ৰাস্তাৰ পৰা কিছু দূৰত তেওঁ এটা কুঁৱা দেখা পালে। তেওঁ সেই কুঁৱাৰ কাষত ভোজন

এছ ৰাজাগোপাল ৰাও

তাৰপিছত নগৰ পাই তেওঁ তাত বেপাৰ কৰিলে আৰু বহু টকা লাভ কৰিলে। আনন্দতে তেওঁ সেই কাইটীয়া গছৰ কথা পাহৰি গ'ল আৰু আন এটা পথেদি ঘৰলৈ উভতি আহিল। গাৱঁলৈ আহিয়েই তেওঁৰ মনত পৰিল যে গাৱঁৰে এজন লাখপতি লোকে এটা ফোঁহাৰ বাবে বৰ কষ্টপাই আছে। তেওঁ এই ঘোষণা কৰি থৈছে যে যদি কোনোবাই সেইটো ভাল কৰিব পাৰে, তেন্তে দহহেজাৰ টকা পুৰস্কাৰ দিব। বহু লোকে চিকিৎসা কৰিও তাক ভাল কৰিব পৰা নাই।

কৰিবলৈ গ'ল। অলপ দূৰ যোৱাৰ পিছত তেওঁ ধনৰ মোনাটো চোলাৰ জেপত আছেনে নাই চালে। তাত সেইটো নাছিল। তেওঁ ভাৱি পালে যে সেইটো নিশ্চয় কুঁৱাৰ কাষতেই ক'ৰবাত পৰিল। ভালদৰে চাই তেওঁ গছৰ পাতত তলত মোনাটো বিচাৰি পালে। তেওঁ সেই ধনৰ মোনা লৈ গাড়ীলৈ উভতি আহোতেই তেওঁৰ ভৰিত কাইটে বিন্ধিলে। আচৰিত কথা এয়ে যে তেওঁৰ ভৰিৰ এটা ফোঁহা বহুদিন ধৰি ভাল নোহোৱাকৈ আছিল, কাইটে সেইটো ফালি পেলোৱাত ঠিক হৈ আহিল।

তেওঁ বৰ আনন্দিত হ'ল। তেওঁ সেই কাইটীয়া গছ উভতি আহোতে ঘৰলৈ লৈ যোৱাৰ কথা চিন্তা কৰি চিন দি ৰাখিলে।

তেওঁ ভাৱিলে যে সেই কাইটীয়া গছ লৈ আহিব পৰা হলে তেওঁ লাখপতিৰ ফোঁহা ভাল কৰিব পাৰিলেহেতেন আৰু তেনে কৰি দহহেজাৰ টকা লাভ কৰিলেহেতেন। এই ভাৱি তেওঁ উত্তেজিত হৈ উঠিল আৰু তিনিওটা পৰামৰ্শ পাহৰি গ'ল। তেওঁ পত্নীক কলে যে তেওঁ এজোপা বিশেষ কাইটীয়া গছ পাইছে আৰু চিন দি থৈ আহিছে। তাক আনিব পাৰিলে তেওঁ দহহেজাৰ টকা উপাৰ্জন কৰিব পাৰিব। ''মই এতিয়াই সেই লাখপতিৰ ওচৰলৈ যাম আৰু এই খবৰ দিমগৈ। কালিলৈ সেই কাইটীয়া গছ লৈ আহিমগৈ।'' তেওঁ পত্নীক কলে। পত্নীয়ে এই কথা চুবুৰীয়াৰ স্ত্ৰীক কলে। সেই তিৰোতাই তেওঁৰ পতিক কলে।

যেতিয়া বেপাৰী লাখপতিৰ ঘৰলৈ গৈ আছিল, তেতিয়া ৰাস্তাতে সেই চুবুৰীয়াক লগ পালে। কথা প্ৰসংগত তেওঁলোকে গম পালে যে দুয়ো একেটা কামৰ বাবেই গৈ আছে।

"সেই ফোঁহা কেনেকৈ ঠিক হব, সেই কথা মোৰ বাহিৰে আন কোনেও নাজানে।" বেপাৰীয়ে কলে।

"সেই কথা মই জানো।" চুবুৰীয়াই বেপাৰীক কলে।

"লাখপতিৰ ফোঁহা তুমি ঠিক কৰিব নোৱাৰা।" বেপাৰীয়ে কলে।

"মই ঠিক কৰিব পাৰিম। তুমি কি এই কথা লৈ মোৰ লগত বাজী মাৰিবা নেকি?" চুবুৰীয়াই কলে।

বেপাৰীয়ে কিনি অনা সেই পৰামৰ্শ তিনিটাৰ কথা পাহৰি গ'ল আৰু বাজী লগালে যে যদি চুবুৰীয়াই লাখপতিৰ সেই ফোঁহা ঠিক কৰিব পাৰে, তেন্তে চুবুৰীয়াই তেওঁৰ ঘৰলৈ আহি যি বস্তুৰেই স্পৰ্শ কৰে সেই বস্তুৰেই দি দিব।

চুবুৰীয়াই সেইদিনা ৰাতিয়েই সেই কুঁৱাৰ পাৰলৈ গ'ল। তাত থকা সেই কাইটীয়া গছজোপা তেওঁ উঘালি লৈ ঘৰলৈ ঘূৰি আহিল। তাৰপিছত পিছদিনা ৰাতিপুৱাই তেওঁ সেই গছ লৈ লাখপতি ব্যক্তিৰ ওচৰলৈ গ'ল আৰু সেই গছৰ কাইটেৰে লাখপতি ব্যক্তিৰ ফোঁহা ভাল কৰি পেলালে।

বেপাৰীয়ে পিছদিনা ৰাতিপুৱা সেই কাইটীয়া গছ আনিবলৈ যোৱাৰ আগতেই এই সকলো ঘটনা ঘটিল। বেপাৰীয়ে সকলো কথা গম পাই বৰ চিন্তাত পৰিল। 'যদি চুবুৰীয়াই আহি তেওঁৰ সমস্ত সম্পত্তি থকা আলমীৰাটো চুই দিয়ে তেন্তে কি হব?' তেওঁ কিনি

অনা সেই পৰামৰ্শকেইটা নমনাৰ বাবে বৰ দুখ কৰিবলৈ ধৰিলে। তেওঁ সেই পৰামৰ্শ নামানি নিজৰ পত্নীক কলে যে পিছদিনা তেওঁ সেই কাইটীয়া গছ আনিবলৈ যাব আৰু নভৱা নিচিন্তাকৈ আনৰ লগত বাজীও মাৰিলে। এনে অৱস্থাৰ পৰা কেনেকৈ মুক্তি পাব পাৰি বেপাৰীয়ে চিন্তা কৰিবলৈ ধৰিলে।

ভাৱি চিন্তি তেওঁ গৈ পুণৰ পৰামৰ্শৰ দোকান চলোৱা ধৰ্মপালৰ ওচৰ পালেগৈ। বেপাৰীয়ে ধৰ্মপালক সকলো কথা বিৱৰি কৈ সহায় প্ৰাৰ্থনা কৰিলে।

''যি হ'ল তাক এতিয়া নোহোৱা কৰিব নোৱাৰি। তুমি গৈ ধন-সম্পত্তিৰ আলমীৰা ঘৰৰ চাঙৰ ওপৰত তুলি থোৱা। তাৰপিছত তোমাৰ চুবুৰীয়া তোমাৰ ঘৰলৈ অহাৰ আগতে সেই চাঙলৈ উঠিব পৰাকৈ এটা জখলা লগাই থবা। ময়ো সেই সময়ত তোমাৰ ঘৰলৈ আহিম।''

ঘৰলৈ উভতি আহি বেপাৰীয়ে ধৰ্মপালে কোৱাৰ দৰেই কৰিলে। সেই চৰ্তৰ কথা গম পাই কিনো হব তাকে চাবলৈ বহু লোক গোট খালে।

কেইঘন্টামানৰ পিছত লগত দুজনমান লোক লৈ চুবুৰীয়া আহিল। তেওঁ ঘৰৰ ভিতৰত সোমাই ইফালে সিফালে চালে। বেপাৰীৰ ধন-সম্পদ থোৱা আলমীৰাটো তেওঁ দেখা নাপালে। শেষত তেওঁ ওপৰলৈ চাই সেই আলমীৰা ঘৰৰ চাঙৰ ওপৰত তুলি থোৱা দেখা পালে। তেওঁ তাত লগাই থোৱা জখলাত ধৰি উঠিবলৈ ললে।

''শেঠ, এও তোমাৰ জখলাডাল চুই দিলে। এই মূহুৰ্তৰ পৰা এই জখলা তোমাৰ নহয়। তুমি বাজীত হাৰি থাকিলা।'' ধৰ্মপালে সকলোৰে শুনাকৈ বেপাৰীক কলে।

সেই কথাত চুবুৰীয়াই বৰ আপত্তি কৰিলে। কিন্তু তাত উপস্থিত সকলো লোকেই ধৰ্মপালৰ কথা মানি ললে।

ধৰ্মপালৰ বাবেই বেপাৰী কোনো ক্ষতি নোহোৱাকৈ বাচি গ'ল।

সঞ্জীৱনী গছ

এখন গাৱঁত এজন খেতিয়কৰ ঘৰত সীতাৰাম নামৰ এটা ল'ৰা আছিল। সি গৰু-গাই আদি চৰাইছিল। সি ৰাতিপুৱাই উঠি ইটো সিটো কাম কৰি তাৰপিছত পইতা ভাত খাই গৰু চৰাবলৈ গৈছিল।

গাৱঁৰ বাহিৰত এখন বাগিছা আছিল। তাত সময়ে সময়ে সোৱাদ লগা ফল লাগিছিল। সেই বাগিছাত বহু ঘাঁহো গজি আছিল। তাৰ কোনো মালিকো নাছিল। সীতাৰাম আৰু তাৰ লগৰীয়াসকল কেতিয়াবা গৰু চৰাবৰ বাবে সেই বাগিছালৈ গৈছিল। তাত থকা ফল পাৰি খাইছিল। নিজৰ মাজতে নানা ধৰণৰ খেলো খেলিছিল। বাগিছাৰ গছৰ ছাঁত বহি নানা কথাৰ আলোচনা কৰিছিল। তাৰপিছত সন্ধিয়া হোৱা যেন দেখিলে গো-গাই আদি খেদি ঘৰলৈ উভতি আহিছিল। এইদৰে ভালদৰেই দিনবিলাক পাৰ হৈ গৈ আছিল।

এদিন পুঁৱা সীতাৰামে গৰুবিলাকক চৰাবৰ বাবে সেই বাগিছালৈ লৈ গ'ল। সেইদিনা কিবা এটা উৎসৱ আছিল বাবে আন কোনেও তেওঁৰ লগত গৰু চৰাবলৈ যোৱা নাছিল। সীতাৰামে সেই উৎসৱৰ কথা গমেই নাপাইছিল। অকলে অকলে সি গোটেই বাগিছাখন ঘূৰি পকি চালে। মাজতে নিজৰ খং গৰুৰ ওপৰতে জাৰিলে। গৰু বিলাকক ইফালৰ পৰা সিফাললৈ খেদি লৈ ফুৰিলে। কিন্তু তাৰ এনে লাগিল যে দিনটো যেন শেষই নহব।

এনেয়ে তাৰ মন ভাল লাগি থকা নাছিল, তেনেতে এটা পতংগই উৰি আহি তাৰ মূৰৰ ওপৰতে শব্দ কৰিবলৈ

টি সত্যনাৰায়ণ

ধৰিলে। তাৰ বৰ খং উঠিল। সি সেইটো ধৰি মাৰি পেলালে আৰু দুটুকুৰা কৰি দূৰলৈ দলিয়াই দিলে। সেই পতংগটো গৈ এজোপা জোপোহা গছৰ ওপৰত পৰিলগৈ। আচৰিতভাৱে তাৰ পিছত সেই পতংগটো পুণৰ জীৱিত হ'ল আৰু উৰি গুচি গ'ল।

ঘটনা দেখি সীতাৰাম চকিত হৈ পৰিল। তেওঁ সেই জোপোহা গছৰ ওচৰলৈ গৈ ভালদৰে পৰীক্ষা কৰিলে। সেইজোপা গছত বহু পাত আছিল। সেইবিলাক সাধাৰণ ধৰণৰ পাত নাছিল। বৰ কোমল আছিল। সীতাৰামে ভাৱিলে যে সেই পাতবিলাকৰ বাবেই সেই মৰা পতংগটো পুণৰ জীৱিত হৈ পৰিল।

সি সঞ্জীৱনী গছৰ বিষয়ে নানা কাহিনী শুনিছিল। সি ভাৱিলে এই গছ নিশ্চয় সঞ্জীৱনী গছ হব লাগিব। সি ঠাইটুকুৰা ভালদৰে মনত ৰাখি থলে।

নানা কাহিনী শুনিলেও সীতাৰামে কেতিয়াও সঞ্জীৱনী গছৰ কথা বিশ্বাস কৰা নাছিল। সি এইটোও ভাৱিলে যে যিটো পতংগ উৰি গ'ল সেইটো সি মাৰি দলিয়াই দিয়া পতংগটো নহবও পাৰে। ঘটনাটোৰ প্ৰমাণ চাবৰ বাবে সি বহু বিচাৰি এটা মৰা পতংগ বিচাৰি আনিলে। সেইটো সেইজোপা গছৰ পাতৰ ওপৰত ৰখাৰ অলপ পৰৰ পিছতে সেই পতংগটো পুণৰ জীৱিত হৈ পৰিল আৰু উৰি গুচি গ'ল।

এই ঘটনাৰ পিছত সীতাৰাম নিশ্চিত হৈ পৰিল যে সেইজোপা সঞ্জীৱনী গছেই হয়। যিকোনো মৃত জীৱই সেইজোপা গছৰ সংস্পৰ্শ পালেই জীৱিত হৈ পৰিব। সি এই বিষয়ে নিজৰ

লগৰীয়া সকলক কবৰ বাবে উত্ৰাৱল হৈ পৰিল।

পিছদিনা সি লগৰীয়া সকলক লগ পোৱাৰ লগে লগে কলে যে সি সঞ্জীৱনী গছ বিচাৰি পালে। লগতে সি আগদিনাখনৰ গোটেই কাহিনীটো আদিৰ পৰা অন্তলৈকে কৈ শুনালে। সঞ্জীৱনী গছৰ পাতত পৰি মৰা পতংগ জীৱিত হৈ পুণৰ উৰি যোৱাৰ এই কাহিনী শুনি লগৰীয়াসকলে ঠাট্টা কৰি হাঁহিবলৈ ধৰিলে। এনে কথাত সীতাৰামৰ বৰ খং উঠিল। তেওঁ কাকো সেই গছজোপা দেখুৱাই নিদিলে।

তাৰপিছত আৰু কিছুদিন পাৰ হৈ গ'ল। এদিনাখন পুৰা গাৱঁৰ মুখিয়ালৰ মৃত্যু হ'ল। গাৱঁত তেওঁৰ এটা দুমহলীয়া ঘৰ আছিল। তেওঁ কেৱল ধনীয়েই যে আছিল এনে নহয়, দানীও আছিল। তেওঁ গাৱঁত বহু পুখুৰী খন্দোৱাইছিল, মন্দিৰ নিৰ্মাণ কৰোৱাইছিল। কাৰোবাক কেতিয়াবা পইছাৰ দৰকাৰ হলে টকা-পইছা দি সহায় কৰিছিল। এনেবোৰ কাৰণত গাওঁবাসীয়ে তেওঁক ভগৱানৰ দৰে সন্মান কৰিছিল।

মৃত্যুৰ আগৰ এমাহমানৰ পৰাই তেওঁ শৰ্যা লৈছিল। নানান চিকিৎসকে আহি চিকিৎসা কৰিলে। নানা ঔষধ খুৱালে। কিন্তু তেওঁৰ স্বাস্থ্য ঘূৰাই অনাত কোনো সফল হব নোৱাৰিলে।

মৃত্যুৰ অলপ সময়ৰ ভিতৰতে মুখিয়ালৰ ঘৰত বহু লোক গোট খালে। তাৰে সৰহ সংখ্যক লোকেই মুখিয়ালৰ ভাল গুণ বিলাকৰ বিষয়ে আলোচনা কৰি আছিল। আন কোনোবাই কৈছিল, ''চিকিৎসকে কেৱল ঔষধহে দিব পাৰে, প্ৰাণ দিব নোৱাৰে।'' এইদৰে

সকলো লোকেই নানা ধৰণৰ কথা পাতি আছিল।

মুখিয়ালৰ মৃত্যুৰ খবৰ সীতাৰামেও পালে। তেওঁ সেইসময়ত গৰুবিলাকক চৰাবৰ বাবে সেই বাগিছালৈ লৈ গৈ আছিল। তেওঁ মুখিয়ালৰ ঘৰ পালেগৈ।

তেওঁ কলে, ‘‘মই এটা কথা কব বিচাৰো। মোৰ ওচৰত সঞ্জীৱনী গছ আছে। গাৱঁৰ বাহিৰৰ সেই বাগিছাখনত মই সেই গছ বিচাৰি পালো।’’ তাৰপিছত তেওঁ থুলমূলকৈ সেই পতংগ জীৱিত হৈ উঠা কাহিনী সকলোৰে আগত বৰ্ণনা কৰিলে।

সীতাৰামৰ কথা বেছিভাগ লোকেই বিশ্বাস নকৰিলে। ফচহুৱা কথা বুলি হাঁহি উৰাই দিলে। কিন্তু দুই-তিনিজন মানে বিশ্বাস কৰি তেওঁৰ লগতে সেই বাগিছাখনলৈ বুলি যাবলৈ ওলাল।

সীতাৰামে প্ৰথমতে সেই বাগিছাত প্ৰৱেশ কৰিলে। তেওঁৰ পিছে পিছে বাকী লোক কেইজন। তেওঁ সদায়েই সেই গছ এবাৰ চাইছিলগৈ। সেইবাবে ক'ত আছে ভালদৰেই জানিছিল। কিন্তু সেইদিনা তেওঁ সেই গছ দেখা নাপালে। তেওঁ ইফালৰ পৰা সিফালে ঘূৰি-পকি সঞ্জীৱনী গছ বিচাৰিবলৈ ধৰিলে।

তেওঁৰ লগত যোৱা লোক কেইজনৰ খং উঠিল। তেওঁলোকে ভাৱিলে যে সীতাৰামে তেওঁলোকক মূৰ্খ বনালে। গোটেইকেইজনে মিলি সীতাৰামক ভালদৰে এপিটন দিলে আৰু তাৰ পৰা গুচি গ'ল।

মাৰ খোৱাৰ পিছতো তেওঁ সেই সঞ্জীৱনী গছ বিচাৰিয়েই থাকিল। দহ-পোন্ধৰ বাৰমান গোটেই বাগিছা চলাথ কৰাৰ পিছতো তেওঁ সেই গছ দেখা নাপালে।

আচলতে গাৱঁৰ মুখিয়ালৰ আয়ুসত চাউল নাছিল। সেই বাবেই আগৰ ঠাইতে থকা সঞ্জীৱনী গছজোপা এবাৰলৈও সীতাৰামৰ চকুত নপৰিল।

কাছৰ পৰা শিকিবলগীয়া পাঠ

এদিনাখন ৰঞ্জন খুৰাকৰ লগত সাগৰৰ পাৰত ফুৰিবলৈ গ'ল। তাতে ৰঞ্জনৰ খুৰাকে এজন বন্ধুক লগ পালে আৰু নানান কথা পাতিবলৈ ধৰিলে। ৰঞ্জনে ইফালে সিফালে ঘূৰি ফুৰোতে এটা কাছ দেখিবলৈ পালে। সি কাছটোৰ ওচৰতে বহি ভালদৰে চাবলৈ ধৰিলে। কাছটোৱে লগে লগে মূৰটো চলঙৰ ভিতৰলৈ সুমুৱাই নিলে। সেইটো এটা শিলৰ দৰে দেখা গ'ল। ৰঞ্জনে তাতে অলপ সময় অপেক্ষা কৰিলে। অলপ সময়ৰ পিছত পুণৰ কাছটোৰ মূৰটো দেখা গ'ল কিন্তু পুণৰ ভিতৰলৈ সুমুৱাই নিলে। ৰঞ্জনে এডাল সৰু মাৰি বিচাৰি আনিলে আৰু কাছটোক খুচি দিলে যাতে সি মূৰটো উলিয়াই দিয়ে। কিন্তু সাৰ-সুৰ নোহোৱাকৈ কাছটো পৰি ৰ'ল।

তেনেতে খুৰাক আহি ৰঞ্জনৰ কাষ পালেহি। ৰঞ্জনে খুৰাকক কলে, "খুৰা, অলপ আগতে মই কাছটোৰ মূৰটো দেখা পাইছিলো। কিন্তু হঠাতে সি সেইটো ভিতৰলৈ সুমুৱাই নিলে।"

ৰঞ্জনৰ হাতৰ পৰা মাৰিডাল লৈ খুৰাকে কলে, "তুমি মাৰিৰে খুচি দিয়াটো ভাল কথা নহয়। এনে কৰিলে সি মৰি যাব পাৰে।" "তেন্তে কেনেকৈ কৰিব লাগে?" ৰঞ্জনে সুধিলে।

ৰঞ্জনৰ খুৰাকে কাছটোক হাতত তুলি ললে আৰু ঘৰলৈ আহিল। পিছে পিছে ৰঞ্জনো আহিল। খুৰাকে কাছটোক ঘৰৰ ভিতৰত এক গৰম ঠাইত ৰাখিলে। কাছটোৱে লাহেকৈ তাৰ মূৰটো উলিয়াই দিলে। তাকে দেখি ৰঞ্জনে আনন্দতে চিঞৰি উঠিল।

খুৰাকে কলে, "কাছ হ'ল বৰ স্পৰ্শকাতৰ। ঠিক মানুহৰ দৰে। আমি সিঁহতক জোৰ কৰা উচিত নহয়। আমি মৰম প্ৰদৰ্শন কৰি জীৱ-জন্তুৰ লগত বন্ধুত্ব কৰা উচিত। তেনে কৰিলে সিঁহত অতি সহজতে আৰু কম সময়ৰ ভিতৰতে বন্ধু হৈ পৰে। মই কি কলো বুজি পালানে?"

লাহে লাহে আগুৱাই যোৱা কাছটোৰ ফালে চাই ৰঞ্জনে মূৰ দুপিয়ালে।

– মন্ত্ৰৰদ মহেশ্বৰ





স্বৰ্ণ হস্ত

এসময়ত দক্ষিণ ভাৰতৰ মদুৰে নগৰত এজন পাণ্ড্য ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যৰ প্ৰজাক নিজৰ সন্তানৰ দৰে জ্ঞান কৰিছিল। তেওঁ কাৰো প্ৰতি কোনো অন্যায় হবলৈ দিয়া নাছিল। তেওঁৰ ৰাজ্য ৰাম ৰাজ্যৰ দৰে আছিল।

যদি কাৰোবাৰ কিবা অসুবিধা হয়, তেন্তে সেই খবৰ গুপ্তচৰে আনি ৰজাক দিছিলহি। ৰজাই তেতিয়া সেই নানান উপায়েৰে সেই অসুবিধা দূৰ কৰিছিল।

কেৱল সেয়াই নহয়, তেওঁ প্ৰায়ে ছদ্মবেশ ধৰি প্ৰজাৰ কুশল-মংগলৰ বাতৰি সংগ্ৰহ কৰি ফুৰিছিল। এনেবিলাক কাৰণতে ৰাজ্যৰ প্ৰজাই বৰ সুখত বাস কৰিছিল।

এদিনাখন ৰাতি ৰজাই ছদ্মবেশ ধৰি নগৰত ঘূৰি ফুৰিছিল। তেওঁ হঠাতে ব্ৰাহ্মণৰ বাসস্থান থকা এটা পথত সোমাল। তেওঁ গৈ এটা ঘৰৰ ওচৰ পাওতেই ভিতৰত এগৰাকী পুৰুষ আৰু এগৰাকী মহিলাই কথা পাতি থকা শুনা পালে। মহিলাই কিবা কথাত কান্দি আছিল আৰু পুৰুষে আশ্বাস দি আছিল।

ৰজাই তাতে থিয় হৈ কথোপকথন শুনিবলৈ ধৰিলে। সেই ঘৰত এটা ব্ৰাহ্মণ পৰিয়ালে বাস কৰিছিল। তেওঁলোকৰ কোনো সন্তান নাছিল। পিছদিনা ব্ৰাহ্মণ কিবা কামত কাশীলৈ যোৱাৰ কথা আছিল। তেওঁৰ অনুপস্থিতিত অকলে দিন কটোৱাৰ কথা চিন্তা কৰি পত্নীয়ে কান্দি আছিল।

"ছমাহৰ পিছত অমাৱস্যা হোৱাৰ লগে লগেই মই উভতি আহিম। এই ছমাহত তোমাৰ প্ৰয়োজন হব পৰা সকলো বস্তুৱেই আনি মই ঘৰত ৰাখি

ভি ৰামদেৱী

থৈছো। তুমি দুখ নকৰিবা। তুমি এইখিনি সময়ত কোনো কষ্টনোপোৱা।'' পতিয়ে কলে।

''মই খোৱা বস্তু কম হৈ যাব বুলি কান্দি থকা নাই। মই স্ত্রী, তাতে অকলে থাকিব লাগিব। যদি ছমাহ ঘৰত অকলে থাকিব লাগে, তেন্তে কষ্ট নহব নেকি? সদায় ভয় লাগি থাকিব। কোনে জানে কোন কেতিয়া আহি ঘৰত সোমাইহি।''

''আৰে পাগলী, সকলোৰে কষ্ট নিবাৰণ কৰা আমাৰ ৰজা থাকোতে চিন্তা কৰিবৰ কোনো কাৰণ নাই। ঘৰত চোৰ আদি সোমোৱাৰ কোনো সম্ভাৱনা নাই। তুমি আমাৰ ৰাজ্যত কেতিয়াবা চোৰ-ডকাইতি হোৱাৰ কথা শুনিছা নেকি? যি ৰজাই ইমান বিশাল ৰাজ্য এখনক ৰক্ষা কৰি আছে, তেনে ৰজাই তোমাক চোৰৰ পৰা ৰক্ষা কৰিব নোৱাৰিবনে? এইদৰে মিছাকৈ ভয় কৰি নাথাকিবা।'' পতিয়ে কলে।

এই কথা শুনাৰ পিছত ৰজা তাৰপৰা গুচি গ'ল। পিছদিনাখনেই সেই ব্রাহ্মণ কাশী অভিমুখে ৰাওনা হ'ল।

সেইদিনা ৰাতি, ৰজাই পুণৰ ছদ্মবেশ ধৰি সেই ঠাইলৈ আহিল। তেওঁ গোটেই ৰাতি ব্রাহ্মণৰ ঘৰ পহৰা দি থাকিল। এইদৰে প্রতিদিন ৰজাই ৰাতি ৰাতি সেই ঠাইলৈ আহি পহৰা দি থাকিল।

দিনৰ পিছ দিন, সপ্তহৰ পিছত সপ্তহ বাগৰি গ'ল। এইদৰে প্রায় ছমাহ হ'লহি। অমাৱশ্যাও হ'ল। কিন্তু ইতিমধ্যে ছমাহ নিতৌ পহৰা দি থকাৰ বাবে ৰজা অভ্যাসবশত পহৰা দিবৰ বাবে ছদ্মবেশত ব্রাহ্মণৰ ঘৰৰ ওচৰ পালেহি।

তেওঁ ঘৰৰ কাষ চাপি যোৱাত ঘৰৰ ভিতৰৰ পৰা কোনো পুৰুষৰ মাত শুনা



পালে। তেওঁৰ সন্দেহ হ'ল যে হয়তো কোনো পৰ পুৰুষ আহি ব্ৰাহ্মণৰ ঘৰত প্ৰৱেশ কৰিছে। তেওঁ দুৱাৰত খটখটালে। কিন্তু তেনে সময়তে তেওঁ বেৰৰ ফাঁকেৰে দেখা পালে যে ঘৰৰ ব্ৰাহ্মণ কাশীৰ পৰা ঘূৰি আহি ঘৰ পাইছেহি আৰু পতি-পত্নীয়ে বহি লৈ কথা পাতি আছে।

ৰজাই এখন্তেক চিন্তা কৰিলে। তেওঁ ভাৱিলে যে দুৱাৰত খটখটোৱা ভাল কাম নহ'ল। ব্ৰাহ্মণৰ এই সন্দেহ হব পাৰে যে তেওঁৰ অনুপস্থিতিত কোনো পৰপুৰুষৰ হয়তো ঘৰলৈ অহা-যোৱা আছিল।

ৰজাই এটা উপায় ভাৱি উলিয়ালে আৰু তৎক্ষণাত সেই ঘৰৰ কাষৰ পৰা আঁতৰি সেই পথত থকা আৰু কেইটামান ঘৰৰ দূৱাৰত খটখটালে আৰু আন্ধাৰৰ সুযোগ লৈ লৰালৰিকৈ সেই ঠাইৰ পৰা আঁতৰি আহিল।

যিবিলাক ঘৰৰ দূৱাৰত ৰজাই খটখটাইছিল, সেই সকলো ঘৰৰ পৰা মানুহ বাহিৰলৈ ওলাই আহিল। তেওঁলোকে ভাৱিলে নিশ্চয় কোনোবা আলহী-অতিথি আহিছে। তাৰপিছত কাকো দেখা নাপাই ভাৱিলে যে এয়া নিশ্চয় কোনো চোৰৰ কাম হব লাগিব। নগৰত এনে ঘটনা কেতিয়াও হোৱা নাছিল। গতিকে তেওঁলোকে ৰজাৰ ওচৰলৈ গৈ এই কথা জনাবলৈ ঠিক কৰিলে।

পিছদিনাখন সকলো লোক মিলি ৰজাৰ দৰবাৰ পালেগৈ। ৰজাই তেওঁলোকক সমস্যাৰ কথা কবলৈ কোৱাত এজনে কলে, ‘‘মহাৰাজ, আমি কালিলৈকে আপোনাৰ সুশাসনৰ বাবে



কোনো চোৰ বা আন কোনো সমাজবিৰোধী শক্তিলৈ ভয় নকৰাকৈ নির্ভয়ে সুখ-শান্তিৰে বাস কৰি আহিছিলো। কিন্তু কালি আমাৰ পথত এটা ঘটনা ঘটিল। সেই ঘটনাত আমি বৰ চিন্তিত হৈ পৰিছো আৰু হয়তো সেয়া আপোনাৰ বাবেও অপকির্তীৰ বিষয়। কালি ৰাতি কোনোবা লোকে আমাৰ ঘৰৰ দুৱাৰ খটখটাইছিল। দুৱাৰ খুলি আমি কাকো নেদেখিলো। আমি আপোনাক এই মিনতি কৰিব খোজো যে আমাৰ মনত ভয়ৰ সৃষ্টি কৰা সেই লোকক ধৰি উচিত শাস্তি দিয়া যায়।''

ৰজাই এই কথা শুনাৰ পিছত কাষতে থকা প্ৰধানমন্ত্ৰীলৈ চাই সুধিলে, ''প্ৰধানমন্ত্ৰী ডাঙৰীয়া, যি অপৰাধৰ কথা এইসকল লোকে বৰ্ণনা কৰিলে, সেই অপৰাধৰ বাবে শাস্তি কি ?''

''মহাৰাজ, প্ৰজাসকলে যি অপৰাধৰ কথা বৰ্ণনা কৰিলে, আমাৰ দেশৰ বিধান মতে তেনে অপৰাধৰ বাবে শাস্তি হ'ল সোঁহাত ছেদন কৰা।'' প্ৰধানমন্ত্ৰীয়ে কলে।

ৰজাই প্ৰধানমন্ত্ৰীৰ কথা শুনাৰ লগে লগে নিজৰ তৰোৱাল খাপৰ পৰা উলিয়াই লৈ বাওঁহাতেৰে ধৰি নিজৰ সোঁহাত ছেদন কৰিলে। তাৰপিছত তেওঁ সকলোৰে আগত যি ঘটিছিল সেই সকলো কথা বৰ্ণনা কৰিলে। এইকথা শুনি সকলো লোক বৰ দুখী হৈ পৰিল। কিন্তু একেসময়তে তেওঁলোকে ৰজাৰ বৰ প্ৰশংসা কৰিলে।

তাৰপিছত ৰাজ্যৰ প্ৰজাসকলে এখন সোণৰ হাত তৈয়াৰ কৰি ৰজাৰ বাহুত লগাই দিলে। ৰজাই সেই হাত পিন্ধি সুন্দৰেশ্বৰ ভগৱানৰ মন্দিৰত পুজা কৰাৰ লগে লগে সেই হাত আগৰ দৰে ভাল হৈ পৰিল।

জিকিমিকাই থকা সোণৰ হাতৰ অধিকাৰী হোৱাৰ বাবে সেই ৰজা 'সুৱৰ্ণ হস্ত পাণ্ড্য ৰজা' নামেৰে প্ৰসিদ্ধ আছিল।





মিছলীয়া

কমলপুৰ গাৱঁত বাস কৰা বীৰভদ্ৰই অতি কম বয়সতে দেউতাকক হেৰুৱাইছিল। মাকে তেওঁক তুলি তালি ডাঙৰ দীঘল কৰিছিল। তেওঁ পৰিয়ালৰ তিনিপুৰা মাটিত খেতি-বাতি কৰি যেনে তেনে পৰিয়াল চলাই আছিল। তেওঁ বীৰভদ্ৰক দেউতাকৰ অভাৱ অনুভৱ হবলৈ দিয়া নাছিল। আলাসতে ডাঙৰ হোৱা বীৰভদ্ৰৰ পঢ়া-শুনাত একেবাৰে ৰাপ নাছিল। বেছিভাগ সময় তেওঁ বন্ধু-বান্ধৱৰ লগত খেলা-ধুলা কৰিয়েই পাৰ কৰি দিছিল। আনকি ডাঙৰ হোৱাৰ পিছতো তেওঁ মাকক কোনো কামতে সহায় কৰা নাছিল।

এদিনাখন মাকে তেওঁক কলে, ‘‘বীৰ, মোৰ বয়স হৈ আহিছে। আগৰ দৰে কাম-বনো কৰিব নোৱাৰা হৈ আহিছো। তুমি যদি নিজে খেতি-বাতি কৰাৰ দায়িত্ব লব পাৰা, তেন্তে বৰ ভাল কথা হব।’’

বীৰভদ্ৰই এই কথা শুনি বৰ বিৰক্তি পালে। সি কলে, ‘‘মই এই হাল বোৱা, খেতি কৰা ধৰণৰ লেতেৰা কাম কৰিব নোৱাৰো।’’

বীৰভদ্ৰৰ এটা বেয়া অভ্যাস আছিল। সেয়া হ’ল সি যেতিয়াই তেতিয়াই মিছা কথা কৈছিল। যেতিয়া তেওঁ ব্যৱসায়ৰ বাবে আন চহৰলৈ গৈছিল, কেতিয়াবা নিজকে এজন চিকিৎসক, আন কেতিয়াবা এজন অধিবক্তা বুলি চিনাকি দিছিল। আকৌ কেতিয়াবা নিজকে এজন প্ৰতিষ্ঠিত ব্যৱসায়ী বুলি কৈছিল। তেওঁ ইমান আত্মবিশ্বাসেৰে মিছা মাতিছিল যে মানুহে তেওঁৰ কথা বিশ্বাস কৰি লৈছিল।

এবাৰ, ক’ৰবাৰ পৰা কমলপুৰলৈ বীৰভদ্ৰ নামৰ এজন চিকিৎসকক বিচাৰি এজন ৰোগী আহিছিল। আকৌ এবাৰ, বীৰভদ্ৰ নামৰ এজন অধিবক্তাক বিচাৰি লোক কমলপুৰলৈ আহিছিল। এই ঘটনাবিলাকৰ পৰা কমলপুৰৰ লোকে বীৰভদ্ৰৰ মিছা মতাৰ অভ্যাসৰ বিষয়ে গম পাই গৈছিল। এটা সময়ত গাৱঁৰ

৮ তিৰুমলাশ্ৰী

সকলো লোকে বীৰভদ্ৰক 'মিছলীয়া' বুলি মাতিবলৈ আৰম্ভ কৰিলে।

এদিনাখন গাওঁবুঢ়াই বীৰভদ্ৰক মতাই পঠিয়ালে। বীৰভদ্ৰ উপস্থিত হ'লত তেওঁ কলে, "মোৰ এনে অনুভৱ হয় যে মিছা কথা কোৱাৰ বাহিৰে আন কোনো কামতেই তুমি ভাল নহয়। আনে বিশ্বাস কৰিব পৰাকৈ মিছা কথা কোৱাও হ'ল এটা কলা। তুমি এই অভ্যাসক পেশালৈ ৰূপান্তৰিত কৰা উচিত।"

এই কথা শুনি বীৰভদ্ৰ আচৰিত হ'ল। গাঁওবুঢ়াই নিজৰ কথা ভালদৰে বুজাই কলে। গাওঁবুঢ়াৰ জোঁৱায়েক আছিল নগৰৰ এজন নামজ্বলা অধিবক্তা। তেওঁ নিশ্চয় বীৰভদ্ৰক উপযুক্ত কাম দিব পাৰিব। বীৰভদ্ৰ মান্তি হ'ল।

নগৰত উপস্থিত হোৱাৰ লগে লগে গাওঁবুঢ়াৰ জোঁৱায়েক গোপালে বীৰভদ্ৰক স্বাগতম জনালে। "তুমি মোৰ কামত ভালদৰেই সহায় কৰিব পাৰিবা। মই কোৱাৰ দৰে কাম কৰি গলে তুমি বহু টকা ঘটিব পাৰিবা।" এই কথাত বীৰভদ্ৰ আনন্দেৰে মান্তি হ'ল।

গোপালে কেতিয়াবা নিজৰ মক্কেলক গোচৰত জিকাই দিবৰ বাবে মিছা সাক্ষীৰ সহায় লৈছিল। তেওঁ বীৰভদ্ৰক এনে মিছা সাক্ষীৰ ৰূপত বহুবাৰ ব্যৱহাৰ কৰিলে। বীৰভদ্ৰয়ো নানা পৰিচয় লৈ সাক্ষী প্ৰদান কৰিলে। তাৰ বাবে বেছ কিছু পৰিমাণৰ ধনো লাভ কৰিলে। মিছা কথা কোৱাৰ অভ্যাস তেওঁৰ আগৰ পৰাই আছিল। সেই অভ্যাসকে তেওঁ জীৱিকা অৰ্জনৰ পথ হিচাপে গ্ৰহণ কৰিলে।

এবাৰ তেওঁ গাৱঁত থকা মাকক দেখা কৰি নগৰলৈ আহি আছিল। পথতে তেওঁ এহাল বৃদ্ধ-বৃদ্ধাক লগ পালে।

সেই বৃদ্ধ-বৃদ্ধাক বৰ দুখীয়া লোকৰ দৰে লাগিল। তেওঁলোকৰ কাপোৰ-কানি আছিল তেনেই ফটা-চিটা। বীৰভদ্ৰই জানিব পাৰিলে যে তেওঁলোকৰ একমাত্ৰ সন্তানক মিছাকৈয়ে চুৰি কৰাৰ অপৰাধত অভিযুক্ত কৰি জেলত ৰখা হৈছে। সেই গোচৰৰ বিচাৰ পিছদিনা হোৱাৰ কথা। যদি তেওঁলোকৰ পুত্ৰ সেই মিছা গোচৰত দোষী সাব্যস্ত হয়, তেন্তে বৃদ্ধ-বৃদ্ধাৰ চোৱা-চিতা কৰিবলৈ কোনো নাথাকিব। তেনে এক অৱস্থাৰ কথা চিন্তা কৰি তেওঁলোকে বৰ ভয় খাইছে। সেইবাবে তেওঁলোকে আত্মহত্যা কৰাৰ সিদ্ধান্ত লৈ পেলাইছে। তেওঁলোকে শেষবাৰৰ বাবে পুত্ৰক দেখা কৰিবৰ বাবে নগৰলৈ যাবলৈ আহিছে।

ঘটনা শুনি বীৰভদ্ৰই বৰ দুখ পালে। সি তেওঁলোকক সান্ত্বনা দিবলৈ ধৰিলে। সি কলে যে ভগৱানে তেওঁলোকৰ সন্তানক ৰক্ষা কৰিব। তেওঁলোক নিৰাশ হোৱাৰ প্ৰয়োজন নাই। সি দুয়োকে নিজৰ লগত নগৰলৈ লৈ গ'ল।

পিছদিনাখন, যেতিয়া বীৰভদ্ৰ আদালতলৈ গ'ল, তেওঁ তাত সেই বৃদ্ধ-বৃদ্ধাক লগ পালে। তেওঁলোক বীৰভদ্ৰক কলে যে সেইদিনা তেওঁলোকৰ পুত্ৰৰ গোচৰ আছে। তেওঁলোকে হাতকেৰেয়া লগাই থোৱা পুত্ৰক আঙুলিয়াই দেখুৱালে। বীৰভদ্ৰ আচৰিত হ'ল। সি একেবাৰে কম বয়সৰ আছিল, প্ৰায় ২০ বছৰ মান হৈছিলহে। তাক দেখাৰ লগে লগে বীৰভদ্ৰৰ এটা ঘটনা মনত পৰিল।

কিবা এটা কামৰ বাবে বীৰভদ্ৰ জনকপুৰলৈ গৈছিল। তেতিয়া ৰাতি হৈছিল। গাওঁ পাবৰ সময়তে জোৰেৰে বৰষুণ হবলৈ আৰম্ভ কৰিলে। ওচৰতে এটা মন্দিৰ দেখা পাই তাত আশ্ৰয় লবলৈ বুলি তেওঁ মন্দিৰৰ ভিতৰত সোমালগৈ। গাৱঁৰ মুনচিফ আৰু পুৰোহিতে মন্দিৰৰ পৰা ধন-ৰত্ন চুৰ কৰি আছিল। বস্তু চুৰ কৰি ওলাই যোৱাৰ পিছত এজন যুৱকে তেওঁলোকক দেখা পালে আৰু বাধা দিবলৈ চেষ্টা কৰিলে। সেই যুৱকে তত ধৰিব পৰাৰ আগতেই পুৰোহিত আৰু মুনচিফে তাক আক্ৰমণ কৰি বন্দী কৰিলে। তাৰপিছত তেওঁলোকে তাত গোট খোৱা সকলোকে কলে যে সেই যুৱকে গাৱঁৰ মন্দিৰৰ পৰা ধন-ৰত্ন চুৰ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে তাক প্ৰমাণ কৰিবৰ বাবে যুৱকৰ পকেটত এটা অলংকাৰ সুমুৱাই দিলে আৰু বাকী ধন-সোণ মন্দিৰৰ প্ৰতিমাৰ পিছফালে লুকুৱাই থলে।

এই সকলো ঘটনা বীৰভদ্ৰই দেখি আছিল যদিও তেওঁ একো নকৈ মনে মনে সেই ঠাই এৰি গুচি গ'ল।

এতিয়া এই কথা জানিব পাৰি বীৰভদ্ৰ আচৰিত হ'ল যে তেওঁ গোটেই ঘটনাটো দেখাৰ পিছতো সেই যুৱকক দোষী সাব্যস্ত কৰি সাক্ষী প্ৰদান কৰিব লাগিব।

অভিযুক্ত যুৱকে জবানবন্দীত কলে যে তেওঁ এই চুৰি কৰা নাই, বৰঞ্চ মুনচিফ আৰু পুৰোহিতহে চোৰ। ফলত আদালতে দুয়োকে হাজিৰ হবলৈ কলে। তেতিয়া দুয়ো এজন অধিবক্তাৰ পৰামৰ্শ ললে। ঘটনাক্ৰমে সেইজন অধিবক্তাই আছিল গোপাল।

গোপালে বীৰভদ্ৰক কলে, ''তুমি আদালতত কব লাগিব যে সেইদিনা তুমি

মন্দিৰত আশ্ৰয় লৈছিলা আৰু যেতিয়া এই যুৱকে মন্দিৰৰ পৰা ধন-সোণ চুৰি কৰি পলাব বিচাৰিছিল, তেতিয়া পুৰোহিত আৰু মুনচিফে এই যুৱকক ধৰি পেলোৱা দেখা পাইছিলা।'' গোপালে লগতে কলে যে এই কাম কৰাৰ বাবদ আগৰ সমান ধনেই দিয়া হব।

সাক্ষী দিবৰ বাবে বীৰভদ্ৰক কাঠগৰালৈ মতা হ'ল। বীৰভদ্ৰই তাত উঠি এবাৰ সেই অভিযুক্ত যুৱকৰ পিতৃ-মাতৃ, অভিযুক্ত যুৱক, পুৰোহিত, মুনচিফ আৰু গোপালৰ ফালে চালে। তাৰপিছত তেওঁ গীতাৰ ওপৰত হাত থৈ প্ৰতিজ্ঞা কৰিলে যে তেওঁ সঁচা কথা কব।

বীৰভদ্ৰই সকলোৰে আগত তেওঁ দেখা ঘটনাটোৰ হুবহু বিৱৰণ দিবলৈ ধৰিলে। তেওঁৰ কথা শুনি গাৱঁৰ মুনচিফ আৰু মন্দিৰৰ পুৰোহিতৰ মুখৰ বৰণ সলনি হৈ পৰিল। আদালতৰ বিচাৰপতিয়ে বীৰভদ্ৰৰ কথা শুনি টোকা প্ৰস্তুত কৰিলে আৰু লুকুৱাই থোৱা ধন-সোণ উদ্ধাৰ কৰিবৰ বাবে লগে লগে জনকপুৰলৈ চিপাহী প্ৰেৰণ কৰিলে।

তাৰপিছত আদালতে যুৱকক মুক্তি দিলে আৰু মুনচিফ আৰু পুজাৰীক কাৰাদণ্ড দিলে।

বীৰভদ্ৰই গোপালৰ খণ্ডক গুৰুত্বই নিদিলে। মুক্তি লাভ কৰা সেই যুৱক বৃদ্ধ পিতৃ-মাতৃয়ে বীৰভদ্ৰৰ ভৰি চুই প্ৰণাম কৰিব খুজিলে। বীৰভদ্ৰই কোনোমতেহে ৰখালে।

এই ঘটনাৰ পিছত বীৰভদ্ৰই বৰ আনন্দ লাভ কৰিলে। এটা সঁচা কথা কোৱাৰ পিছতে ইমান আনন্দ লাভ কৰাত তেওঁ নিজেই বৰ আচৰিত হ'ল। তেওঁ এই কথা ভাৱি বৰ দুখ পালে যে তেওঁ দিয়া মিছা সাক্ষীৰ বাবে হয়তো বহু লোকে অনাহকত দোষী সাব্যস্ত হৈ কাৰাবাস খাটিবলগীয়া হ'ল। তেওঁ সিদ্ধান্ত কৰিলে যে মিছা কথা কোৱাৰ এই বদ অভ্যাস তেওঁ ত্যাগ কৰিব। তেওঁ বুজিলে ইয়াৰ পিছত গোপালৰ লগত কাম কৰাটো সম্ভৱ নহব। জীৱিকা অৰ্জনৰ বাবে তেওঁ এটা নতুন পথৰ সন্ধান কৰিব লাগিব।

তেওঁ গাৱঁলৈ গৈ খেতি কৰি এটা সৎ জীৱন যাপন কৰাৰ সিদ্ধান্ত ললে।



অমৃত

ৰামপুৰৰ জমিদাৰ আৰু তেওঁৰ খেতিৰ কাষতে এটা জুপুৰীত বাস কৰা এজন খেতিয়কৰ একে সময়তে দুটা পুত্ৰ সন্তানৰ জন্ম হ'ল। তাৰপিছত প্ৰায় পাঁচ বছৰ পাৰ হৈ গ'ল। জমিদাৰৰ পুত্ৰই নানা ধৰণৰ বিলাসী খাদ্য খাইছিল। তাক বেছ আৰামৰ মাজেৰে ডাঙৰ-দীঘল কৰা হৈছিল। কিন্তু সি বৰ দুৰ্বল আছিল। জমিদাৰে নানা চিকিৎসকৰ হতুৱাই তাৰ স্বাস্থ্য পৰীক্ষা কৰিছিল। চিকিৎসকলে কৈছিল যে তেওঁ সন্তানৰ ৰক্তহীনতাৰ বাহিৰে আন একো সমস্যা নাই। বহু চিকিৎসাৰ পিছতো জমিদাৰৰ পুত্ৰৰ স্বাস্থ্য ঠিক নহ'ল।

এদিনাখন জমিদাৰে পুত্ৰক নিজৰ খেতিপথাৰৰ ফালে লৈ গ'ল। তেওঁ দেখিলে যে খেতিয়কে পুতেকৰ লগত খেলি আছে। জমিদাৰৰ পুত্ৰই তাকে দেখি দৌৰ মাৰিলে আৰু খেতিয়ক আৰু তেওঁৰ পুত্ৰৰ লগত খেলিবলৈ ধৰিলে। অলপ পিছতে খেতিয়কে ঘৰৰ ভিতৰৰ পৰা বাতি এটাত কিবা তৰল পদাৰ্থ আনি পুতেকক খুৱাই দিলে। তাৰপিছত পুণৰ সি খেলিবলৈ লাগিল। সি বেছ স্বাস্থ্যৱান আছিল।

জমিদাৰে সুধিলে, ''সেয়া কি?''

খেতিয়কে হাঁহি এটা মাৰি কলে, ''সেয়া মোৰ পূৰ্বপুৰুষৰ দিনৰ পৰা ব্যৱহৃত হৈ অহা একপ্ৰকাৰৰ অমৃত।''

দিন যোৱাৰ লগে লগে জমিদাৰে লক্ষ্য কৰিবলৈ ধৰিলে যে খেতিয়কৰ পুত্ৰ দিনক দিনে শক্তিশালী হৈ যাবলৈ আৰম্ভ কৰিছে। তেওঁ নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰি এদিন গৈ খেতিয়কৰ ঘৰ পালেগৈ আৰু খেতিয়কক কলে, ''অনুগ্ৰহ তুমি মোক মোৰ পুত্ৰক খুৱাবৰ বাবে সেই অমৃতৰ অলপমান দিবানে? মই তাৰ বাবে তোমাক উচিত মূল্য দিম।''

''মহাশয়, মই পইছাৰ কথা চিন্তা কৰা নাই। মই চিন্তা কৰিছো যে আপোনালোকৰ

পি ভি সত্যনাৰায়ণ

দৰে ধনী মানুহে সেয়া ভাল পাবনে নাই।'' খেতিয়কে জমিদাৰক কলে।

''মই নিশ্চয় সেয়া ভাল পাম। মোৰ পুত্ৰৰ স্বাস্থ্য আৰু সুখতকৈ মোৰ বাবে একোৱেই ডাঙৰ নহয়।'' জমিদাৰে কলে।

''তেন্তে ভিতৰলৈ আহক। মই আপোনাক দেখুৱাই দিম।'' এইবুলি খেতিয়কে জমিদাৰক ভিতৰলৈ লৈ গ'ল। তেওঁ জমিদাৰক 'ৰাগী'ৰ দানা এটা পাত্ৰত সৰহকৈ পানী দি জুইৰ ওপৰত দি থোৱা দেখুৱালে। তাৰ পিছত কলে, ''মহাশয়, এয়াই হ'ল দুখীয়া মানুহৰ অমৃত। আমি এই পানীয়ই পুৰুষৰ পিছত পুৰুষ ধৰি খাই আহিছো। ই শিশুক সবল কৰি তোলে আৰু ৰক্তহীনতাৰ পৰা ৰক্ষা কৰে। যদি আপোনাৰ পুত্ৰই খাই ভাল পায়, তেন্তে মই দি পঠিয়াবলৈ বৰ আনন্দ বোধ কৰিম।''

কিন্তু ইতিমধ্যেই খেতিয়কৰ পুত্ৰই তেওঁৰ লগত খেলি থকা জমিদাৰৰ পুত্ৰক কিছু সেই পানীয় খাবলৈ দিলে।

আচৰিত কথা, ইটো নাখাও, সিটো নাখাও কৰা জমিদাৰ পুত্ৰই একেকোবে সেই পানীয় খাই পেলালে। ইতিমধ্যেই খেতিয়ক আৰু জমিদাৰ বাহিৰলৈ ওলাই আহিছিল। তেওঁলোকে ঘটনা দেখি আচৰিত হ'ল।

জমিদাৰে নিয়মিত ভাৱে সেই পানীয় খেতিয়কৰ ঘৰৰ পৰা আনি নিজৰ পুত্ৰত খুৱাবলৈ ললে। প্ৰায় এমাহমান পাৰ হৈ গ'ল। লাহে লাহে জমিদাৰৰ পুত্ৰ খেতিয়কৰ পুত্ৰৰ দৰেই স্বাস্থ্যৱান হৈ আহিবলৈ ধৰিলে। তাকে দেখি জমিদাৰে ভাৱিলে, ''এই অমৃতৰ কি আচৰিত শক্তি।' তেওঁ তাৰপিছত তেওঁ ঘৰৰ সকলোৰে বাবে বিলাসী খাদ্য বাদ দি নানা ধৰণৰ ভিটামিন আৰু প্ৰটিন থকা খাদ্য পৰিবেশন কৰিবলৈ ৰান্ধনিক আদেশ দিলে।

লগতে তেওঁ এইটোও নিশ্চিত কৰিলে যে তেওঁৰ পুত্ৰই মুকলিত আন আন শিশুৰ লগত খেলা-ধূলা কৰিবলৈ পৰ্যাপ্ত সুবিধা পায়। এই কথা নকলেও হব যে এইবিলাক কৰাৰ ফলত জমিদাৰৰ পুত্ৰ সম্পূৰ্ণৰূপে স্বাস্থ্যৱান হৈ পৰিল। জমিদাৰৰ লগতে তেওঁৰ পৰিয়ালৰ বাকী সকলো সুখী হ'ল।

সংগীতৰ কাহিনী

এবাৰ হঠাতে পৃথিৱীত দূৰ্ভিক্ষৰ সৃষ্টি হ'ল। মানুহে খাবলৈ নাপাই ভোকত অস্থিৰ হৈ পৰিল। এনে অৱস্থা দেখি ভগৱানৰো বৰ দুখ লাগিল। 'পৃথিৱীত বিশাল পৰিমাণৰ প্ৰাকৃতিক সম্পদ আছে। মানুহবিলাকো সক্ষম। পৃথিৱীৰ মাটিও সাৰুৱা। কিন্তু কিয় হঠাতে এই দূৰ্ভিক্ষৰ সৃষ্টি হ'ল?'' ভগৱানে চিন্তা কৰিলে আৰু অনুসন্ধান কৰিবৰ বাবে এজন দেৱদূত প্ৰেৰণ কৰিলে।

''ভগৱান, এই দূৰ্ভিক্ষৰ কাৰণ সম্পদহীনতা নহয়। ই হ'ল মানুহৰ আমনি পোৱা স্বভাৱ। মানুহে একেধৰণৰ কামত আমনি পায়। খেতি-বাতি এৰি তেওঁলোকে চাকৰি কৰিবলৈ আৰম্ভ কৰিলে।'' দূতদূতে ঘূৰি গৈ কলে। তেওঁ আকৌ কলে, ''এই আমনি পোৱা স্বভাৱ যদি মানুহে দূৰ নকৰে, তেন্তে মানুহ জাতিৰ এদিন অস্তিত্ব নাইকীয়া হৈ পৰিব।''

ভগৱানে হাঁহি মাৰি উত্তৰ দিলে, ''সেয়া সঁচা কথা। এতিয়া সংগীতে জন্ম লোৱাৰ সময়।'' দেৱদূত আচৰিত হ'ল, 'সংগীত?' ''এতিয়াৰে পৰা, মানুহে কাম কৰোঁতে তেওঁলোকৰ ওঠত লাগি থাকিব সংগীত। তেওঁলোকৰ ভৰিয়ে সংগীতত তালৰ যোগ দিব। এইদৰে কাম আৰু সংগীতৰ এক এৰাব নোৱাৰা সম্পৰ্কৰ সৃষ্টি হ'ব। সংগীতেই মানুহক আমনি পোৱাৰ পৰা বচাই ৰাখিব।'' ভগৱানে কলে। ''এয়া বৰ ভাল হ'ব। কিন্তু যদি মানুহে সংগীত শুনি আমনি পাবলৈ আৰম্ভ কৰে তেতিয়া?'' দেৱদূতে সুধিলে। ''সেয়াই হ'ব সংগীতৰ বৈশিষ্ট। মই সংগীতক এনেকৈ তৈয়াৰ কৰিম যাতে শুনি মানুহে কেতিয়াও আমনি নাপায়।'' ভগৱানে কলে।

তাৰপিছত সংগীতৰ জন্ম হ'ল। সংগীতে মানুহক কামত আমনি পোৱাৰ পৰা বচাই ৰাখিলে। বেলেগ বেলেগ মানুহে ভাল পাব পৰাকৈ নতুন নতুন ধৰণৰ সংগীতৰ জন্ম হ'ল। ভগৱানৰ কথামতেই আজিও আমি যেতিয়া সংগীত শুনো, আমাৰ ভৰি আপোনা-আপোনি সংগীতৰ তালৰ লয়ত নাচিবলৈ আৰম্ভ কৰে।

– পি ভেংকটেশ্বৰ ৰাও

শিথিলালয় – ৩১

(বৃশ্চিক নেতাই শিখিমুখীৰ লগত যুদ্ধ কৰি পৰাজয় বৰণ কৰিলে। শিখিমুখীয়ে তেওঁক ক্ষমা কৰি দিলে। তাৰপিছত সকলো পাহাৰৰ ওপৰৰ পৰা খাৰৈলৈ নামি আহিল। তাত সকলোৱে মিলি বনৰীয়া হাতীৰ জাকক খেদি পঠিয়ালে। জংঘলাৰ সন্দেহ হ'ল যে গছৰ ওপৰত লাগি থকা মানৱাকৃতি মূৰ্তিটো নাগসোমৰ হব পাৰে। তেওঁ খৰকৈ সেইজোপা গছত বগাবলৈ ধৰিলে। তাৰপিছত...)

শিখিমুখী আৰু তেওঁৰ দল গছজোপাৰ তলত থিয় হৈ ওপৰৰ পৰা জংঘলাই কি কয় তাক শুনিবলৈ অপেক্ষা কৰি আছিল। জংঘলাই সেই বিশেষ ডালটোলৈ বগাই গৈ আকৃতিটো ভালদৰে পৰীক্ষা কৰি চাই তললৈ চিঞৰি কলে, “শিখি চাহাব, এয়া নাগসোমেই হয়। সি এতিয়াও জীয়াই আছে। উশাহ-নিশাহ লৈ আছে। আপুনি গছৰ ওপৰলৈ আৰু দুজনমান লোক পঠিয়াই দিয়ক। তেতিয়া আমি নাগসোমৰ অচেতন দেহটোক তললৈ নমাব পাৰিম।”

জংঘলাৰ কথা শেষ হবলৈ নাপালেই, লগে লগে দুজন বৃশ্চিক যুৱক গছত বগাবলৈ আৰম্ভ কৰিলে। তেওঁলোক দুজনৰ লগত মিলি জংঘলাই লতাৰে ভালদৰে বান্ধি নাগসোমৰ অচেতন দেহটো তললৈ নমাবলৈ সক্ষম হ'ল।

নাগসোম জীয়াই আছে নে নাই সেই কথা শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে পৰীক্ষা কৰিবলৈ ধৰিলে। তেনেতে বৃশ্চিক নেতাই কাষৰে জোপাহাৰ পৰা কিবা গছৰ পাত লৈ আহিল। তেওঁ সেই পাতৰ ৰস নাগসোমৰ নাকত ঢালি দিলে। অলপ পৰৰ পিছতে নাগসোমে চেতনা ঘূৰাই পালে আৰু উঠি বহিল।

দাসৰি সুব্ৰমন্যাম



‘‘নাগসোম, তুমি পাহাৰৰ ওপৰৰ পৰা খাৱৈত জাপ মাৰি দিছিলা। তথাপি তুমি বৰ বেছি আঘাট পোৱা নাই। তোমাক পুণৰ দেখা পাই আমি বৰ সুখী হৈছো।’’ শিখিমুখীয়ে কলে।

নাগসোমে পাগলৰ দৰে এবাৰ চাৰিওফালে চালে। ‘‘এয়াই শিথিলালয়, এয়াই শিথিলালয়’’ বুলি কৈ ঘন অৰণ্যৰ দিশে দৌৰিবলৈ চেষ্টা কৰিলে।

শিখিমুখীয়ে তেওঁক ককালত ধৰি ৰখালে আৰু বিক্ৰমকেশৰীক কলে, ‘‘বিক্ৰম, বোধহয় নাগসোমৰ এতিয়াও উন্মত্ত ফলৰ নিচা যোৱা নাই। আমি কি কৰা ভাল হব বুলি ভাৱা?’’

বিক্ৰমকেশৰীয়ে কিবা এটা কোৱাৰ আগতেই ‘বচোৱা, বচোৱা’ এটা চিঞৰ সকলোৰে কাণত পৰিল।

সকলোৱে চিঞৰটো অহাৰ দিশলৈ মূৰ তুলি চালে। লাল কুকুৰে সেইদিশলৈ চাই ভুকি উঠিল। শিখিমুখীয়ে আচৰিত হৈ সুধিলে, ‘‘সেয়া কি পিশাচৰ চিঞৰ? নে শিথিলালয়ৰ পুজাৰীৰ চিঞৰ?’’ এইবুলি তেওঁ তৰোৱাল উলিয়াই লৈ শব্দটো অহাৰ দিশে দৌৰিবলৈ আৰম্ভ কৰিলে।

বৰগছৰ শিপাৰ মাজেদি দৌৰি গৈ শিখিমুখীয়ে অলপ দূৰত থমকি ৰ’ল। তেনেতে তেওঁ আকৌ সেই চিঞৰটো শুনিলে - ‘বচোৱা, বচোৱা’। এইবাৰ কিন্তু সেই চিঞৰত প্ৰথমবাৰৰ দৰে শক্তি নাছিল। এনে লাগিল যে কোনোবা ধীৰে ধীৰে মৃত্যুৰ মুখলৈ আগুৱাই গৈছে।

‘‘বিক্ৰম, এই চিঞৰ নিশ্চয়কৈ শিথিলালয় পুজাৰীৰ। এই কথাত মোৰ কোনো সন্দেহ নাই। তেওঁ নিশ্চয় কিবা বিপদত পৰিছে।’’ শিখিমুখীয়ে কলে।

বিক্ৰমে উত্তৰ দিবলৈ লওতেই তেওঁলোকৰ লগত যোৱা লাল কুকুৰ এটা জোপোহা পাৰ হৈ গৈ চিঞৰিবলৈ ধৰিলে। সকলো লোক লাল কুকুৰৰ পিছে পিছে গৈ যি দৃশ্য দেখা পালে, তাত তেওঁলোকৰ শৰীৰৰ নোম দাং খাই উঠিল।

এটা প্ৰকাণ্ড সাপে শিথিলালয়ৰ পুজাৰীক প্ৰায় আঠুলৈকে গিলি পেলাইছে। পুজাৰীয়ে হাতেৰে ঢুকি পোৱা ইটো সিটো বস্তুত খামুচি ধৰি

সাপৰ কবলৰ পৰা মুক্তি পাবৰ বাবে প্ৰাণেপণে চেষ্টা কৰিছে। চিঞৰি আনৰ সহায় ভিক্ষা কৰিছে।

"এই পুজাৰী যিমানেই দুষ্ট নহওক কিয়, এই বিয়াগোম সাপৰ কবলৰ পৰা ৰক্ষা কৰাটো আমাৰ কৰ্তব্য হব।" এইবুলি কৈ শিখিমুখী আগুৱাই গ'ল। তেওঁ গৈ সাপৰ কঁকালত তৰোৱালেৰে ঘাপ দিবলৈ ধৰিলে। তাকে দেখি বাকীসকল লোকেও নিজৰ হাতত থকা অস্ত্ৰৰে সাপক আক্ৰমণ কৰিবলৈ ধৰিলে। সাপে আঘাট পাই পুজাৰীক এৰি দিলে। পুজাৰী তাৰ মুখৰ পৰা বাহিৰ ওলাই আহিল। বৃশ্চিক জাতিৰ লোকসকলে সাপক আঘাট কৰিয়েই থাকিল।

শিখিমুখী আৰু বিক্ৰমকেশৰী আগুৱাই গৈ পুজাৰীৰ ওচৰ পালেগৈ। পুজাৰীৰ ভৰি তেজেৰে লুতুৰি পুতুৰি হৈ পৰিছিল। তেওঁৰ ভৰিৰ আকৃতিয়েই সলনি হৈ পৰিছিল। ৰঙা মাংস ওলাই পৰিছিল।

পুজাৰীয়ে অসহ্য বিষত ধৰফৰাবলৈ ধৰিলে। তেওঁ দুয়োহাতেৰে কিবা এটা বস্তু জোৰেৰে ধৰি আছিল।

শিখিয়ে তুলি দিবলৈ লওতেই পুজাৰীয়ে কলে, "শিখি, মোক ইয়াতেই মৰিবলৈ দিয়া। মৰাৰ আগতে মই যিকোনো প্ৰকাৰে শিথিলালয়ৰ সন্ধান বিচাৰি উলিয়ালো। মোৰ মন্ত্ৰ শক্তি আৰু শিথিলালয়ৰ প্ৰতি থকা মোৰ ভক্তি অথলে নগ'ল।"

"তুমি কি সঁচাকৈয়ে শিথিলালয় বিচাৰি উলিয়ালা? ক'ত আছে সেই শিথিলালয়? মৰাৰ আগতেও তোমাৰ মিছা কথা কোৱাৰ স্বভাৱ ত্যাগ কৰিব



পৰা নাই ?'' শিখিমুখীয়ে পুজাৰীৰ কথা বিশ্বাস নকৰি সুধিলে।

শিখিমুখীৰ শ্লেষাত্মক কথা শুনি পুজাৰীয়ে মূৰ তুলি শিখিমুখীৰ চকুলৈ চালে। তাৰপিছত অলপ সময় তাপ মাৰি থকাৰ পিছত কবলৈ ধৰিলে, ''তোমাৰ চকুত মই দুষ্ট, দগাবাজ। নহয় জানো ? শিথিলেশ্বৰীৰ বাবে মই কিছু তুচ্ছ মানৱক কষ্টদিবলগীয়া হ'ল। দেৱীৰ আগত সেই মানৱৰ কি মূল্য আছে ? চোৱা, এয়াই হ'ল শিথিলালয়ৰ চুড়াৰ কলচী।'' এইবুলি শিথিলালয়ৰ পুজাৰীয়ে দুয়োখন হাত আঁতৰাই দিলে।

তেতিয়ালৈকে শিখিমুখী আৰু বিক্ৰমে পুজাৰীৰ হাতৰ মাজত কি লুকাই আছিল তাক গম পোৱা নাছিল। পুজাৰীয়ে হাত দুখন আতৰাই দিয়াৰ লগে লগে এটা মন্দিৰৰ চুড়াৰ শীৰ্ষাংশ দেখা পালে। সেইটো সূৰ্যৰ ৰশ্মি পৰি জিলিকি আছিল। আচৰ্যত তেওঁলোকৰ মুখ মেল খাই গ'ল। সেই কলচীটো দেখাৰ লগে লগে বৃশ্চিক জাতিৰ সকলো লোকে সষ্টাংগে প্ৰণাম কৰিবলৈ ধৰিলে।

অলপ সময় ধৰি সকলো মৌণ হৈ ৰ'ল। শিখিমুখীৰ সন্দেহ হ'ল যে শিথিলালয়ৰ পুজাৰীয়ে কিবা ভেলেকী বাণো মাৰিব পাৰে। বিক্ৰমকেশৰীয়ে কিবা ভাৰি সেই কলচীটোৰ ফালে আগুৱাই গ'ল আৰু দুয়ো হাতেৰে ধৰি আজুৰিবলৈ ধৰিলে। কিন্তু সমস্ত জোৰ প্ৰয়োগ কৰাৰ পিছতো বিক্ৰমে সেইটো লৰাবই নোৱাৰিলে।

ঘটনা দেখি জীৱন-মৃত্যুৰ মাজত দোলি থকা পুজাৰীয়েও হাঁহি ৰখাব নোৱাৰিলে। তেওঁ কলে, ''কনিষ্ঠ বিক্ৰম, তুমি ভাৱিছা নেকি যে কেৱল কলচীটো মাটিত পুতি থোৱা আছে ? শুনা মই তোমাক আচল কথা কৈছো। মই তোমাৰ ককাদেউতা মহাৰাজ বিক্ৰমকেশৰীক চিনি পাও। সেই ঘটনা ঘটোতে ময়ো উপস্থিত আছিলো।''

''পুজাৰী, তুমি কব বিচাৰিছা নেকি যে গোটেই শিথিলালয়েই মাটিত পোত খাই গ'ল।'' শিখিমুখীয়ে সুধিলে।

''বহু বছৰৰ আগতে ভূমিকম্পৰ বাবে এই মন্দিৰ তললৈ বহি গৈছিল। তাৰপিছত কাষত থকা পাহাৰৰ পৰা শিল

আদি খহি মন্দিৰৰ ওপৰত পৰিল আৰু মন্দিৰটো পোত গ'ল। সেই শিল আদি আতৰাই দিলেহে শিথিলেশ্বৰীৰ দৰ্শন লাভ কৰাটো সম্ভৱ হব। শিখি, তুমি হ'লা শৱৰ জাতিৰ লোক। এই মন্দিৰৰ লগত তোমাৰ কি সম্পৰ্ক? তোমালোকৰ ইয়াত থকা ধন-সোণৰ লগতহে মতলব। নহয় জানো?'' পুজাৰীয়ে ঘৃণাৰ স্বৰেৰে সুধিলে।

শিখিমুখীয়ে বিক্ৰমকেশৰীৰ ফালে চালে। তেওঁলোকে বুজিলে যে মৰাৰ আগতে পুজাৰীয়ে ইম্যু জাতিৰ লোকসকলক তেওঁলোকৰ শত্ৰু কৰিব খুজিছে। পুজাৰীক কি কৰা যায়, সেইটো চিন্তা কৰি থাকোতেই, নাগসোমে আগুৱাই আহি সেই কলচীৰ ওচৰ পালেহি আৰু তাক স্পৰ্শ কৰিলে। লগে লগে তেওঁৰ অনুভৱ হ'ল যে কিবা এটা শক্তি তেওঁৰ শৰীৰৰ ভিতৰত প্ৰৱেশ কৰিলে।

নাগসোমে এবাৰ জোৰেৰে নিশ্বাস পেলাই কলে, ''বিক্ৰম চাহাব, এতিয়া মই উন্মত্ত ফলৰ নিচাৰ পৰা মুক্ত হৈ পৰিলো। এই কলচীত সঁচাকৈয়ে কিবা শক্তি আছে। ইয়াত কোনো সন্দেহ নাই যে ইয়াৰ তলত শিথিলালয় মন্দিৰটো আছে। আমি এই শিলবিলাক আতৰাব লাগিব।''

''এই কাম কৰাটো বৰ কঠিন হব। তথাপিও তাকেই কৰিব লাগিব। শিখি, তোমাৰ কি মতামত?'' বিক্ৰমে সুধিলে।

''যিমানেই কঠিন নহওক কিয়, আমি এই কাম কৰিব লাগিব। ইমান দূৰ আহি শিথিলালয়ত প্ৰৱেশ নকৰাকৈ আমি কি সতে উভতি যাম? তুমি জানো তোমাৰ ককাদেউতাৰ আত্মাই শান্তি পোৱাটো নিবিচাৰা? তুমি জানো তোমাৰ পিতৃৰ আজ্ঞা পালন কৰিব নিবিচাৰা?'' এইবুলি কৈ বিক্ৰমক সৰু কণ্ঠৰে সুধিলে, ''কিন্তু এই পুজাৰীৰ কি কৰা যায়? ই ইটো সিটো কৈ ইম্যু জাতিৰ লোকসকলক আমাৰ শত্ৰুলৈ ৰূপান্তৰিত কৰি পেলাব পাৰে।''

নাগসোমে শিখিমুখীৰ কথাৰ অনুমান কৰিব পাৰিলে। তেওঁ কলে, ''এই পুজাৰীৰ দুয়োটা ভৰি অকামিলা হৈ পৰিল। বিষত ই অলপ সময়ৰ ভিতৰতে

নিজে নিজেই মৰি থাকিব। তাৰ কথাত আমি বৰ গুৰুত্ব নিদিয়াই ভাল হব। মোৰ পূৰ্ণ বিশ্বাস আছে যে এই কলচী শিথিলালয়ৰেই।''

''যদি আমি এই শিলবিলাক আতৰাব নোৱাৰো, তেন্তে শিথিলালয়ৰ দৰ্শন লাভ কৰাটো সম্ভৱপৰ নহব। এই কাম এদিন বা দুদিনত সম্পূৰ্ণ কৰিব পৰা নাযাব। ইয়াতে আমি বেছ কিছুদিনৰ বাবে শিৱিৰ স্থাপন কৰিব লাগিব। তাৰ বাবে বহু জুপুৰী নিৰ্মাণ কৰিব লাগিব। আমি প্ৰথমতে সেই কাম আৰম্ভ কৰাই ভাল হব।'' শিখিমুখীয়ে নাগসোমৰ কথাৰ উত্তৰত কলে।

নাগসোমে শিখিমুখীৰ কথাত মূৰ দুপিয়াই বৃশ্চিক জাতিৰ লোকসকলৰ ফালে চালে। বৃশ্চিক নেতাই হাতযোৰ কৰি শিখিমুখীৰ সন্মুখত থিয় হ'লহি। শিখিমুখীয়ে তেওঁ প্ৰথমতে কি কি কাম কৰিব লাগিব সেইবিষয়ে বুজাই কলে। তেওঁ শিখিমুখীৰ কথা শুনাৰ পিছত কলে, ''জুপুৰি নিৰ্মাণ কৰাটো বৰ টান কাম নহব। তাৰপিছত এটা বা দুটা হাতীক আমি পোহনীয়া কৰি লব পাৰিলেই আমাৰ কাম একেবাৰে উজু হৈ পৰিব।'' তাৰপিছত শিথিলালয়ৰ পুজাৰীৰ ফালে দেখুৱাই কলে, ''ইটো নিজে নিজেই মৰি যাব। কিন্তু অলপ দয়া দেখুৱাই দৰব-পাতি দিয়া ভাল হব নেকি?''

''যদি সম্ভৱ হয়, তেন্তে কিবা দৰব-

পাতি দি তাৰ যান্ত্ৰণা দূৰ কৰিবলৈ চেষ্টা কৰা। মই তাৰ কথা পাহৰিয়েই গৈছিলো।'' শিখিমুখীয়ে কলে।

বৃশ্চিক জাতিৰ নেতাই আদেশ দিয়া লগে লগে কেইজনমান লোকে পুজাৰীৰ ভৰিত কিবা ঔষধি গছৰ পাত বান্ধিদিলে। পুজাৰীয়ে অনুৰোধ কৰি কলে, ''গছৰ ডালত এখন ঝুলনা তৈয়াৰ কৰি মোক তাত বহুৱাই দে।'' তাৰপিছত পুণৰ বিনম্ৰ সুৰেৰে কলে, ''মই দুই-তিনিদিনকৈ বেছি হয়তো জীয়াই নাথাকিম। তোমালোকে শিথিলালয় বিচাৰি উলিওৱা। মই শিথিলেশ্বৰীৰ দৰ্শন কৰি প্ৰাণ ত্যাগ কৰিম।''

''মৃত্যু নিশ্চিতজনৰ ইচ্ছা পূৰণ কৰাটো আমাৰ ধৰ্ম।'' শিখিমুখীয়ে পুজাৰীৰ ইচ্ছা মানি ললে। তেওঁৰ

নিৰ্দেশমতে পুজাৰীৰ বাবে গছৰ ডালত এখন ঝুলনা তৈয়াৰ কৰি পুজাৰীক তাতে বহুৱাই দিয়া হ'ল।

তাৰপিছত তেওঁলোকে কিছু গছৰ ডাল কাটি দিলে। সেইবিলাক মাটিত পুতি তাৰ ওপৰত গছৰ পাত দি দিলে। সকলোৱে মিলি কিছুমান সৰু সৰু জুপুৰী নিৰ্মাণ কৰিলে। সেইদিনা ৰাতি তেওঁলোকৰ টোপনীয়েই নাহিল। চাৰিওফালে বনৰীয়া হাতী ঘূৰি ফুৰিছিল। জুপুৰীৰ চাৰিওফালে জুই ধৰি কোনোমতে ৰাতিটো কটালে।

পিছদিনা ৰাতিপুৱাৰ লগে লগে লতাৰে ৰচী তৈয়াৰ কৰিবলৈ ধৰিলে। সেইবিলাকেৰে বান্ধি ডাঙৰ ডাঙৰ শিল আতৰাবলৈ ধৰিলে। তেওঁলোকে জন্তুৰ ছালৰ ডবা বজাই বা শিল দলিয়াই বনৰীয়া হাতীক আতৰাই ৰাখিবলৈ চেষ্টা কৰিলে।

সূৰ্যাস্তৰ সময়লৈকে তেওঁলোকৰ কামত কোনো বাধাৰ সৃষ্টি নহ'ল। শিখিমুখীয়ে সেইদিনাৰ কাম সমাপ্ত কৰি ৰাতি আহাৰ ৰান্ধিবৰ বাবে জুই ধৰিবলৈ অনুচৰক আদেশ দিলে। তেনে সময়তে চাৰিওফালৰ টিলাত চাৰিটা হাতী দেখা পোৱা গ'ল। প্ৰতিটো হাতীৰ ওপৰত ত্ৰিশূল ধাৰী ভয়ংকৰ আকৃতিৰ ব্যক্তি বহি আছিল।

শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে লগে লগে নিজৰ অনুচৰসকলক সাৱধান কৰি দিলে। অস্ত্ৰ-শস্ত্ৰৰে সকলো সাজু হৈ পৰিল। কিন্তু সেই সময়তে হাতীৰ ওপৰত উঠি অহা লোকসকলে চিঞৰি কলে, "য'তেই আছা সকলো তাতেই থিয় হৈ থাকা। আমাৰ পিছে পিছে এশ হাতীৰ ওপৰত উঠি অসংখ্য অঘোৰী আহি আছে। পলাবলৈ চেষ্টা কৰিলে কথা ভাল নহব।"

শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে এবাৰ নাগসোম আৰু বৃশ্চিক নেতাৰ ফালে চালে। তাৰপিছত দুয়ো নিজৰ অস্ত্ৰ-শস্ত্ৰলৈ সেই ত্ৰিশূলধাৰীসকলৰ ফালে আগুৱাই গ'ল।

(আগলৈ)

অব্যৱহৃত জ্ঞান

এসময়ত ভদ্ৰাপাদ নামৰ এজন গুৰু আছিল। তেওঁ কমলপুৰ গাৱঁত থকা ৰামৰ মন্দিৰত পুজা-অৰ্চনা কৰিছিল। গুৰু ভদ্ৰাপাদ তেওঁৰ জ্ঞানৰ বাবে ওচৰে পাজৰে থকা আনবিলাক গাঁৱতো জনাজাত আছিল। তেওঁক সকলোৱে বেছ সন্মান কৰিছিল।

এদিনাখন গুৰুৱে গাৱঁৰ কাষতে থকা নদীত গা ধুই আছিল। তেনেতে এটা ডাঙৰ ঢৌ আহি গুৰুক উটুৱাই নি নদীৰ দ অংশ পোৱালেগৈ। গুৰুৱে ভয়তে চিঞৰিবলৈ ধৰিলে। তেওঁৰ সকলো শিষ্যই সাঁতুৰিব জানিছিল। কিন্তু নদীত জাপ দি গুৰুক উদ্ধাৰ কৰাৰ সাহস কাৰো নহ'ল। তেওঁলোকেও আনৰ সহায় বিচাৰি চিঞৰ বাখৰ কৰিবলৈ ধৰিলে।

চিৰাজ নামৰ এটা মাছমৰীয়াই সেই চিঞৰ শুনা পালে। লৰালৰিকৈ ওচৰ চাপি আহি যেতিয়া দেখিলে যে গুৰু ভদ্ৰাপাদ পানীত উটি যাব ধৰিছে, তেওঁ পলম নকৰি পানীত জাপ মাৰি দিলে। তেওঁ নদীৰ বিপৰীত দিশত সাঁতুৰি কোনোমতে গুৰুক উদ্ধাৰ কৰিবলৈ সক্ষম হ'ল। তেওঁ গুৰুক পাৰলৈ তুলি অনাৰ পিছত শিষ্যসকলে মাছমৰীয়া চিৰাজক বেৰি ধৰিলে আৰু গুৰুৰ গুণানুকীৰ্তন কৰিবলৈ ধৰিলে। অলপ সময়ৰ পিছতে গুৰুৱে সম্বিত ঘূৰাই পালে। তেওঁ শিষ্যসকলে চিৰাজৰ আগত তেওঁৰ গুণ বখানি থকা শুনা পাই সকলো শিষ্যকে কলে, ''যদি এই মূহুৰ্তত কাৰোবাৰ মহানতাৰ প্ৰশংসা আমি কৰিব লাগে, সেয়া হ'ল চিৰাজ। এজন লোক সহস্ৰ জ্ঞানৰ গৰাকী হব পাৰে। কিন্তু যদি সেইবিলাকৰ এটাও কামত নলগাই, তেন্তে তেনে জ্ঞানৰ কোনো অৰ্থ নাই। কেৱল এক জ্ঞানৰ অধিকাৰী হৈ সেয়া ভালদৰে কামত লগাব পৰাজন বাকীসকলতকৈ মহান।'' তাৰপিছত গুৰুৱে চিৰাজক মূৰ দোঁৱাই সন্মান প্ৰদৰ্শন কৰিলে।

শিষ্যসকলে বুজিলে যে অব্যৱহৃত জ্ঞানৰ কোনো মূল্য নাই। তেওঁলোকে লাজতে তলমূৰ কৰিলে।

– ভীমভৰপু পুৰুষোত্তম



লহৰ লিখা মুঞ্চী

বৃটিছ চৰকাৰৰ শাসন আৰম্ভ হোৱা বেছিদিন হোৱা নাছিল। এক ব্ৰাহ্মণৰ গাৱঁত কামশাস্ত্ৰী নামৰ এজন মুঞ্চী আছিল। তেওঁ সাধাৰণ মানুহ নাছিল। তেওঁ বৰ চালাক আছিল। সকলোৰে পৰা ঘোঁচ লৈছিল। তেওঁ কাকো গণ্যই নকৰিছিল। সেই গাৱঁতে উপায়ুক্তৰ কিছু মাটি আছিল। উপায়ুক্তই সেই ভূমিৰ কৰৰ বাবদ কিছু টকা প্ৰেৰণ কৰিলে। মুঞ্চীয়ে সেই পইছা উভতাই পঠিয়াই কলে যে যদি তেওঁ নিজৰ ভাগ লাভ নকৰে অৰ্থাৎ ঘোঁচ লাভ নকৰে, তেন্তে সেই পইছা জমা কৰিব নোৱাৰে। উপায়ুক্তই বহু চেষ্টা কৰিলে কিন্তু একো ফল নধৰিল।

ঠিক সেই সময়তে গাৱঁৰ লোকে মুঞ্চীৰ বিপক্ষে অভিযোগ দিবলৈ সিদ্ধান্ত কৰিলে। সেই অভিযোগ তেওঁলোক বহু ডাঙৰ ডাঙৰ কাৰ্যকৰ্তাৰ ওচৰলৈ প্ৰেৰণ কৰিলে। আনকি এটা প্ৰতিলিপি লণ্ডনত থকা কাৰ্যালয়লৈও পঠিয়াই দিয়া হ'ল।

সাধাৰণ লোকৰ পৰা ঘোঁচ বিচাৰি নানা হাৰাশাস্তি কৰাৰ কাৰণে বিষয়ববীয়া সকলে সেই মুঞ্চীক উপযুক্ত শাস্তি প্ৰদান কৰিবৰ বাবে সিদ্ধান্ত কৰিলে। শাস্তি হিচাপে নিৰ্ণয় কৰা হ'ল যে মুঞ্চীক এবছৰৰ বাবে মহাসমুদ্ৰৰ মাজত এটা জনপ্ৰাণীহীন দ্বীপত পৰ্যাপ্ত খোৱাবস্তু দি নিৰ্বাসিন দিয়া হওক। এই নিৰ্ণয় লৈ ভাৰতৰ গৱৰ্ণৰৰ ওচৰলৈ প্ৰেৰণ কৰা হ'ল আৰু সেই শাস্তিৰ কথা জনাই মুঞ্চীলৈকো চিঠি লিখা হ'ল। তাত উল্লেখ কৰা হ'ল যে প্ৰয়োজনীয় খাদ্য-বস্তু লাভ কৰিবৰ বাবে আৱেদন কৰিব পাৰে। মুঞ্চীয়ে আন আন বস্তুৰ লগতে দহ ৰীম কাগজ, চিয়াহী, কলম, পেঞ্চিল

চি লক্ষ্মী

আদি বিচাৰি আৱেদন কৰিলে। এই সকলো বস্তু মুঞ্চীক দি নাৱত তুলি দিয়া হ'ল।

মু ঞ্চী গৈ যেতিয়া সেই দ্বীপ পালেগৈ তেওঁ সেই কাগজৰ পৰা বহী বনাই ললে আৰু তাত লিখিবলৈ ধৰিলে। দহটা লহৰ পাৰলৈকে আহিল, তাৰে আঠটা উভতি গ'ল - এইদৰে লিখিবলৈ ধৰিলে। এখনৰ পিছত এখন বহী ভৰ্তি হৈ যাবলৈ ধৰিলে। সেই সময়ত ইষ্ট ইণ্ডিয়া কোম্পানীৰ এখন জাহাজ আহি সেই দ্বীপত লাগিলহি। মুঞ্চীয়ে সেইখন ৰখালে আৰু এশ টকাৰ এখন ৰচিদ দি পইছা বিচাৰিলে। সেই জাহাজত থকা ইংৰাজসকল আচৰিত হ'ল। তেওঁলোকে সুধিলে, ''এয়া কিহৰ ৰচিদ ? তুমি কোন ?'' ''ৰচিদত লিখা থকা কৰ নিদিয়ালৈকে তোমালোকৰ এই জাহাজ বন্দৰৰ ভিতৰলৈ নিবলৈ দিব নোৱাৰো। মই হলো মুঞ্চী। এয়া মোৰ হিচাপ-নিকাচৰ বহী।'' এইবুলি তেওঁ লহৰৰ হিচাপ লিখা বহীবিলাক দেখুৱালে।

উপায়বিহীন হৈ ইংৰাজে সেই কৰ পৰিশোধ কৰিলে আৰু ৰচিদৰ পিছফালে লিখাই ললে - 'লহৰৰ মুঞ্চীক এই কৰ পৰিশোধ কৰা হ'ল'। তাৰপিছত সেইফালে অহা প্ৰতিখন জাহাজৰ পৰাই মুঞ্চীয়ে এশ টকাকৈ সংগ্ৰহ কৰিলে। ইফালে মুঞ্চীয়ে দিয়া সকলো ৰচিদ গৈ ইংলেণ্ডত থকা কোম্পানীৰ মূখ্য কাৰ্যালয় পালেগৈ। তাত গাণণিকে এনে ৰচিদ লবলৈ আপত্তি কৰিলে। তেওঁ ছপা কৰা ৰচিদ বিচাৰি ভাৰতলৈ লিখি পঠিয়ালে। সেই পত্ৰ আহি উপায়ুক্তৰ ওচৰ পালেহি। তেওঁ সেই চিঠি পঢ়ি গম পালে যে এই কাম হ'ল কামশাস্ত্ৰীৰ, যাক ঘোঁচ খোৱাৰ বাবে সমূদ্ৰৰ মাজৰ দ্বীপত নিৰ্বাসিন দিয়া হৈছে। উপায়ুক্তই কোনো উপায় বিচাৰি নাপাই পুণৰ বিচাৰ কৰিবলৈ ঠিক কৰিলে।

বহু বিচাৰ কৰি শেষত উপায়বিহীন হৈ কামশাস্ত্ৰীৰ শাস্তি ৰদ কৰা হ'ল।

কামত নহা সন্মান

কলিংগ দেশৰ ৰজাক দাতাকৰ্ণ বুলি কোৱা হৈছিল। তেওঁ প্ৰতিদিনেই সহস্ৰাধিক লোকক পেট ভৰাই আহাৰ খাবলৈ দিছিল আৰু ব্ৰাহ্মণক স্বৰ্ণদান কৰিছিল। সেইবাবে কেৱল কলিংগ দেশতেই নহয়, দেশে বিদেশে তেওঁ মহাদানী হিচাপে প্ৰখ্যাত হৈ পৰিছিল।

কলিংগ ৰজাৰ এক কণ্যা সন্তান আছিল। সেই কণ্যা আছিল বিবাহযোগ্যা। দেশে বিদেশে ৰজাই ৰাজকুঁৱৰীৰ বাবে যোগ্য বৰৰ সন্ধান কৰিবলৈ ধৰিলে। বহু বিচাৰ খোচাৰ কৰাৰ অন্তত তেওঁ গম পালে যে কনৌজ দেশৰ ৰাজকুমাৰ সকলো ফালৰে পৰা ৰাজকুমাৰীৰ পতি হবৰ উপযুক্ত। তেওঁ কনৌজৰ ৰজালৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ ঠিক কৰিলে।

কলিংগ ৰজাই কনৌজ দেশৰ ৰজাৰ ওচৰলৈ দূত প্ৰেৰণ কৰিলে। দূতে গৈ কনৌজৰ ৰজাক কলেগৈ, ‘‘মহাৰাজ, আমাৰ কলিংগ ৰাজৰ খ্যাতি সৰ্বজনবিদিত। মহাৰাজে প্ৰতিদিনেই সহস্ৰাধিক দৰিদ্ৰ আৰু ব্ৰাহ্মণক দান দক্ষিণা দিয়ে। আমাৰ মহাৰাজে তেখেতৰ কণ্যাৰ লগত আপোনাৰ পুত্ৰৰ বিবাহৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰিছে।’’

‘‘তোমাৰ ৰজাই প্ৰতিদিনেই সহস্ৰাধিক দৰিদ্ৰ আৰু ব্ৰাহ্মণক দক্ষিণা দিয়াৰ অৰ্থ হ’ল যে কলিংগ দেশ বহু দৰিদ্ৰলোকেৰে ভৰি আছে। মই এনে দৰিদ্ৰৰ দেশৰ লগত বিবাহৰ সম্বন্ধ কৰিব নোখোজো।’’ কনৌজৰ ৰজাই উত্তৰ দিলে।

সকলোতকৈ মহান গুণ কি?

এবাৰ এখন চৰাইখানাত তিনিজন লোক মুখামুখি হ'ল। তেওঁলোকৰ ভিতৰৰ এজন আছিল সফল চিকিৎসক। দ্বিতীয়জন আছিল জনাজাত পণ্ডিত। আনহাতে তৃতীয়জন আছিল এজন ধনী লোক। সোনকালেই তেওঁলোকে নিজৰ নিজৰ মহানতাক লৈ তৰ্ক-বিতৰ্ক কৰিবলৈ ধৰিলে।

ধনী লোকজনে কলে, ''এই পৃথিবীখন কেৱল ধনৰ বাবে চলি আছে। সকলো লোকেই ধনৰ নিৰ্দেশ মানি চলে।''

''সেইটো সচাঁ নহয়। এজন মানুহ স্বাস্থ্যৱান হলেহে জীৱনক উপভোগ কৰিবলৈ সক্ষম হৈ উঠিব পাৰে। সেইবাবে মানুহৰ জীৱনক স্বাস্থ্যৱান কৰি ৰখা চিকিৎসকৰ কামহে সকলোতকৈ মহান।'' চিকিৎসকজনে কলে।

''এজন লোক শ বছৰ জীয়াই থাকিলেও, অগাধ ধন-সম্পত্তিৰ গৰাকী হলেও যদি তেওঁৰ শিক্ষা নাথাকে, তেন্তে তেওঁৰ আৰু জন্তুৰ মাজত কোনো পাৰ্থক্য আছে বুলি মই নাভাৱো।'' পণ্ডিতে কলে।

সেই চৰাইখানাৰ মেনেজাৰজনে তিনিওজন লোকৰ কথা-বাৰ্তা শুনি আছিল। তেওঁ তিনিওজনকে এটা পৰামৰ্শ দি কলে, ''আপোনালোকৰ মাজত কোনজনৰ কাম সকলোতকৈ মহান সেয়া এইদৰে যুক্তি তৰ্ক কৰি প্ৰমাণ কৰাটো সহজ নহব। এনে এটা পৰীক্ষাৰ কথা চিন্তা কৰি উলিয়াওক, যাৰ সহায়ত কাৰ কাম সকলোতকৈ মহান তাৰ এটা সিদ্ধান্তলৈ আহিব পৰা যায়।'' এই কথা তিনিওজনে মানি ললে আৰু এটা পৰীক্ষা কৰি চাবলৈ সিদ্ধান্ত ললে।

তেওঁলোক তিনিওজন এখন গাৱঁলৈ যাবলৈ ঠিক কৰিলে। এটা দহবছৰীয়া ল'ৰা সেই চৰাইখানাৰে এটা কোণত শুই আছিল। সি তেওঁলোকৰ কথা-বাৰ্তা

ডি লক্ষ্মণ ৰাও

শুনি কলে, ''মহাশয়, মই এটা মাউৰা ল'ৰা। মোক আপোনালোকৰ লগতে লৈ যাওক। মই ইটো সিটো কামত আপোনালোকক সহায় কৰি দিম।''

তিনিওজনৰ সেই সৰু ল'ৰাটোৰ প্ৰতি দয়া উপজিল আৰু তাক লগত লৈ ইতিমধ্যে সিদ্ধান্ত কৰা গাওঁখনলৈ বুলি যাত্ৰা কৰিলে। তেওঁলোকে গাওঁখনত প্ৰৱেশ কৰাৰ লগে লগে এটা বহু পুৰণি ঘৰ দেখিবলৈ পালে। সেই ঘৰটোলৈ সোমাই যোৱাৰ লগে লগে কোনোবাই নিয়ন্ত্ৰণহীনভাৱে কাহ মৰাৰ শব্দ শুনিবলৈ পালে। যিফালৰ পৰা সেই কাহৰ শব্দ শুনা গৈছিল, চাৰিওজন সেই ফাললৈকে আগুৱাই গ'ল। তাত এজন বৃদ্ধলোক বিচনা এখনত পৰি আছিল।''

''মহাশয়, ঘৰত আৰু কোনো নাই নেকি?'' সৰু ল'ৰাটোৱে সুধিলে।

বৃদ্ধলোকজনে চকু মেলি চাই সৰু ল'ৰাটোক কলে, ''মই ঘৰত অকলশৰীয়া।''

চিকিৎসকজনে বৃদ্ধলোকজনৰ হাতখন তুলি লৈ নাড়ী পৰীক্ষা কৰিবলৈ ধৰিলে। তেওঁ মনতে ভাৱিলে, 'এওক উচিত ঔষধ দিলে কম দিনৰ ভিতৰতে এই কাহ নিৰাময় হব।' ইতিমধ্যে ধনীলোক আৰু পণ্ডিতজন ঘৰৰ বাহিৰলৈ ইটো সিটো চাবলৈ ওলাই গৈছিল। তেওঁলোকে চাৰিওফালৰ সকলো বস্তু দেখি চিন্তা কৰিলে যে বৃদ্ধই এটা সময়ত নিশ্চয় এটা সুখৰ জীৱন যাপন কৰিছিল।

ধনীজনে ভাৱিলে, 'নিশ্চয় বৃদ্ধজন এটা সময়ত ধনী আছিল আৰু বৃদ্ধ কালত দৰিদ্ৰতাৰ চিকাৰ হৈ পৰিল।'

'এনে লাগিছে যে বৃদ্ধই নিজৰ অভিজ্ঞতাৰ পৰি শিক্ষা গ্ৰহণ নকৰিলে। কৰা হলে আজি এনে পৰিস্থিতিৰ সম্মুখীন হবলগীয়া নহ'লহেতেন। তেওঁ পণ্ডিত হোৱা হলে তেওঁৰ ওচৰে পাজৰে আজিও বহু লোকৰ সমাগম হ'লহেতেন। তেওঁ সকলোৰে লগত হাঁহি মাতি জীৱন কটাব পাৰিলেহেতেন।' পণ্ডিতজনে মনতে চিন্তা কৰিলে।

সেইসময়তে তিনিওজনৰ মনলৈ এই চিন্তা আহিল যে সেই বৃদ্ধৰ সহায় লৈয়েই তেওঁলোকে নিজৰ সমস্যা সমাধান কৰিব পাৰে। এই কথাৰ সিদ্ধান্ত কৰিব পাৰে যে কোন বেছি মহান।

পিছদিনাৰে পৰা চিকিৎসকে বৃদ্ধক চিকিৎসা কৰিবলৈ আৰম্ভ কৰি দিলে। তেওঁ বেছ সাৱধানতাৰে ঔষধ খুৱাবলৈ ধৰিলে। তেওঁ এই কথাত নিশ্চিত হ'ল

যে তিনিদিনৰ ভিতৰতে বৃদ্ধই স্বাস্থ্য ঘূৰাই পাব।

ধনীলোকজনে ধনৰ যোগাৰ কৰিলে। সেই ধনেৰে ঔষধ কিনা হ'ল। লগতে ঘৰটো ঠিককৈ ৰাখিবৰ বাবে চাকৰ আৰু ৰান্ধিবৰ বাবে ৰান্ধনি নিযুক্ত কৰা হ'ল।

পণ্ডিতজনে বৃদ্ধৰ লগত নানা ধৰণৰ কথা পাতি থাকিল। তেওঁ নানা শাস্ত্ৰৰ পৰা আমোদজনক কাহিনী কৈ শুনালে।

প্ৰথমদিনাৰে পৰাই তেওঁলোক তিনিওজনৰ লগত যোৱা শিশুটো বৃদ্ধৰ অতি আপোন হৈ পৰিল। সি সকলো সময়তে বৃদ্ধৰ যত্ন ললে। এই সকলো কৰাৰ ফলত অনুমান কৰাৰ দৰেই বৃদ্ধলোকজন অতি কম দিনৰ ভিতৰৰ পৰা আৰোগ্য হৈ উঠিল।

তাৰপিছত তিনিওজনেই তৰ্ক কৰিবলৈ ধৰিলে। এই কথা দাবী কৰিবলৈ ধৰিলে যে প্ৰতিজনেই বৃদ্ধৰ আৰোগ্যতাৰ বাবে দায়বদ্ধ।

তেওঁলোকৰ তৰ্ক শুনি বৃদ্ধই কলে, ‘‘তোমালোকৰ কোনোৱেই মোক আৰোগ্য হৈ উঠাত সহায় কৰা নাই। প্ৰকৃততে এই সৰু ল'ৰাজনৰ যত্নইহে মোক আৰোগ্য কৰি তুলিলে। তোমালোকৰ এজন হ'লা ধনী, আনজন চিকিৎসক আৰু তৃতীয়জন পণ্ডিত। মোৰ ওচৰত এই সকলোবিলাক আছিল।

এসময়ত মই বহুলোকক চিকিৎসা কৰি স্বাস্থ্য ঘূৰাই দিছিলো। মোৰ পাণ্ডিত্যৰ বাবে মানুহৰ পৰা বহু প্ৰশংসা লাভ কৰিছিলো। বহু ধনো অৰ্জন কৰিলো। এতিয়াও মোৰ ওচৰত মোহৰেৰে ভৰ্তি এক চন্দুক আছে। কিন্তু এইবিলাকৰ এটাইও মোক সহায় নকৰিলে। মই কেৱল মানুহৰ মৰমৰ অভাৱ অনুভৱ কৰিছিলো। মানুহে কেৱল মোৰ ধন, কৌশলৰ বাবে মোৰ ওচৰলৈ আহিছিল। এই শিশুৱে মোৰ যি মৰম দিলে সিয়েই মোক স্বাস্থ্য ঘূৰাই পোৱাত সহায় কৰিলে। মোৰ বোধেৰে নিভাঁজ মৰমেই হ'ল সকলোতেকৈ মহান। এই শিশুক মই তুলি লম বুলি সিদ্ধান্ত কৰিছো।’’

তিনিওজন এইদৰে তৰ্ক কৰাৰ বাবে বৰ লজ্জা অনুভৱ কৰিলে। কিন্তু তেওঁলোক সুখী হ'ল যে এই ঘটনাই তেওঁলোকক এক শিক্ষা প্ৰদান কৰিলে।



পুৰস্কাৰ

পূৰ্ণিমাৰ ৰাতি ককাই ভাত খোৱাৰ পিছত আৰামী চকীখনত বহি আছিল। নাতিসকল ইতিমধ্যেই গোট খাইছিল। ককাই তামোল এখন মুখত ভৰাই এটা শ্লোক আওৰালে-

অজ্ঞা এব জনাঃ প্ৰায়ৌ
ৰচ্যন্তে ৰংচকো নৃভিঃ
প্ৰাজ্ঞা নজাতু ৰংচ্যন্তে
সুমতি শ্ৰোল ৰাজিৱ।।

"ইয়াৰ অৰ্থ কি ককা? এয়া কিবা কাহিনী নেকি? আমাক এটা কাহিনী কওকনা।" নাতিসকলে আব্দাৰ ধৰিলে।

"মই কাহিনী কবৰ বাবেই এই শ্লোক আওৰাইছিলো। প্ৰথমতে এইটো নোসোধা কিয়-এই শ্লোকৰ অৰ্থ কি? ইয়াৰ অৰ্থ হ'ল যে এই সংসাৰত বহু ঠগ আছে। সিঁহতে আনক ঠগি ফুৰে। কিন্তু কেতিয়াবা তেনে ঠগেও ঠগ খায়। এবাৰ সুমতি নামৰ ৰজায়ো ঠগক ঠগিছিল।" ককাই কলে।

"সুমতিয়েনো কাক ঠগিছিল? সেই ঠগ কোন আছিল?" নাতিসকলে সুধিলে।

"ঠিক আছে, মই কও বাৰু।" এইবুলি ককাই কাহিনী কবলৈ আৰম্ভ কৰিলে-

বহুদিনৰ আগতে সুমতি নামৰ ৰজাই শ্ৰোল দেশত ৰাজত্ব কৰিছিল। সুমতি নামৰ অৰ্থ হ'ল বৰ বুদ্ধিমান। ৰজা সঁচাকৈয়ে বৰ বুদ্ধিমান আছিল। বীৰো আছিল। লগতে জ্ঞানীও আছিল। যদি কোনোবাই কিবা বিদ্যাত পাৰদৰ্শিতা লাভ কৰিব পাৰে, তেওঁ পুৰস্কাৰ আদি প্ৰদান কৰিছিল। সেইবাবে দেশ-বিদেশৰ পৰা নানা বিদ্বান-পণ্ডিত, বুদ্ধিয়ক লোকে নিজৰ গুণ প্ৰদৰ্শন কৰিবৰ বাবে আহিছিল।

চি শেষাদ্ৰী

এবাৰ কি হ'ল- এজন লোকে আহি ৰজাক নমস্কাৰ দিলে। ৰজাই সুধিলে, ''তুমি কি বিদ্যাত পাৰদৰ্শী?''

''মহাৰাজ, মই এজন ডাঙৰ বৈজ্ঞানিক। মই এনে বিদ্যা জানো, যাৰ সহায়ত আন কোনো ধাতুক সোণলৈ ৰূপান্তৰিত কৰিব পাৰো। এয়া আমাৰ পাৰম্পৰিক বিদ্যা।'' সেই ব্যক্তিজনে কলে।

এইদৰে ঠগে নিজকে বৈজ্ঞানিক বুলি কৈ আনৰ পৰা সোণ-ৰূপ আদি নানা বস্তু চুৰ কৰি ফুৰিছিল।

ৰজা যিহেতু জ্ঞানী আছিল, গতিকে তেওঁৰ সেই ব্যক্তিৰ ওপৰত সন্দেহ হ'ল। তেওঁ সেই ব্যক্তিক উচিত শিক্ষা দিবলৈ থিক কৰিলে। ৰজাই চাকৰ এটা মাতি তাৰ কাণে কাণে কিবা কলে। তাৰপিছত সেই চাকৰে এটা লোহাৰ চন্দুক আনি ঠগক দিলে।

ঠগে চিন্তা কৰিলে যে তাৰ বুদ্ধিয়ে কাম দিছে। সি ভাৱিলে ৰজাই তাক চন্দুক ভৰাই ধন-ৰত্ন প্ৰদান কৰিছে। এই ভাৱি সেই ঠগে আনন্দমনেৰে চন্দুকটো খুলি দেখিলে যে সেইটো খালী।

সি ৰজাক কলে, ''মহাৰাজ, মই ভাৱিছিলো যে আপুনি মোক উচিত পুৰস্কাৰ দিব। মই ইমান দূৰৰ পৰা আশা কৰি আহিছিলো। কিন্তু আপুনি মোক এটা খালী চন্দুকহে পুৰস্কাৰ হিচাপে দিলে। এই কথাত মই বৰ অপমানিত বোধ কৰিছো।''

ৰজাই হাঁহি এটা মাৰি কলে, ''মোৰ বোধেৰে মই উচিত কামেই কৰিছো। তুমিয়েইটো কৈছিলা যে আন ধাতুৰ পৰা সোণ তৈয়াৰ কৰা তোমাৰ পাৰম্পৰিক বৃত্তি। তেনে ক্ষেত্ৰত মইনো তোমাক কি দিব পাৰো। তুমি যাতে নিজেই সোণ তৈয়াৰ কৰি এই চন্দুকত ৰাখিব পাৰা, সেইবাবেই এইটো দিছো।''

ৰজাৰ উত্তৰ শুনি সকলো লোকে হাঁহিবলৈ ধৰিলে। ঠগে বৰ লাজ পালে।

Log onto www.chandamama.com
YOUR CHANDAMAMA IS AVAILABLE IN MANY
AVATARS!
unior Chandamama
(4+ age group):
magazine for the little ones peppered
th activities, pictures, and stories that
will grip their imagination !
Chandamama
₹ 20/-
Regional Chandamama
Read your favourite stories in your own language! Chandamama takes you closer home even as your imagination soars!
Chandamama
₹ 30/-
చందమామ
चन्दामामा
चांदोबा
Chandamama English
(9+ age group)
children's magazine that has adapted itself to
he changing needs of children across decades,
handamama English offers you a delectable
mix of the classic and the contemporary in
70 pages that value fun!
₹ 25/-
YOUR LANGUAGE,
YOUR CHANDAMAMA.
evamped
edesigned
Relevant
Read it!
Available in 11 languages:
Telugu, Hindi, Marathi, Oriya, Kannada, Bengali, Tamil,
Malayalam, Gujarati, Assamese, Sanskrit.

মই কি হ'ব পাৰো?

যিবিলাক লোকে নানা ধৰণৰ খাদ্য বা ৰেষ্টুৰেন্টৰ নানা ধৰণৰ ব্যঞ্জনৰ বিষয়ে লিখা মেলা কৰে সেইসকলক সাধাৰণ ভাৱে খাদ্য সমালোচক বা খাদ্যৰ সম্বন্ধে লিখা লিখক বুলি কোৱা হয়। এইসকল লোকে বাতৰি কাকত বা আলোচনীৰ যোগেদি পাঠকৰ সুবিধা হব পৰাকৈ নিজৰ মতামত বা মন্তব্য প্ৰকাশ কৰে।

এনে ধৰণৰ খাদ্য সমালোচকে নানা ধৰণৰ ৰেষ্টুৰেন্ট, কেফে, হোটেল আৰু আন খাদ্য প্ৰস্তুত আৰু বিক্ৰী কৰা প্ৰতিষ্ঠানসমূহৰ বিষয়ে গৱেষণামূলক প্ৰবন্ধ প্ৰস্তুত কৰে। তেওঁলোকে পাঠকৰ বাবে এক বৰ্ণনামূলক, চিন্তাশালী আৰু অপক্ষপাতী তথ্যৰে লিখা প্ৰস্তুত কৰে।

এনে লিখকসকলে নানা ধৰণৰ খাদ্য বিক্ৰী কৰা প্ৰতিষ্ঠান ভ্ৰমণ কৰে আৰু তেওঁলোকে প্ৰস্তুত কৰা বিশেষ ব্যঞ্জনসমূহ খাই চায়। তাৰপিছত সেইবিলাকৰ বিষয়ে তেওঁলোকৰ মতামত বাতৰি কাকত, আলোচনী, ইন্টাৰনেট, টিভি বা ৰেডিঅ'ত প্ৰকাশ আৰু প্ৰচাৰিত কৰে। আজিকালি ৰেষ্টুৰেন্টসমূহৰ সম্বন্ধে বিস্তৃত তথ্য ইন্টাৰনেটৰ পৰা সহজতে লাভ কৰিব পাৰি।

এনে কাম কৰিবৰ বাবে এজন লোকৰ যিকোনো খাদ্যকে খাই চোৱাৰ প্ৰৱণতা থাকিব লাগিব। কেতিয়াবা কেতিয়াবা চিনি নোপোৱা খাদ্য খাবৰ বাবেও প্ৰস্তুত হৈ থাকিব লাগিব। লগতে থাকিব লাগিব সেই খাদ্য সম্বন্ধে নিজৰ মতামত ভালদৰে লিখি উলিয়াব পৰাৰ কৌশল।

কেৱল নানা ধৰণৰ খাদ্য খাই তাৰ ওপৰত মতামত লিখি উলিয়ালেই এজন ভাল খাদ্য সমালোচক হব নোৱাৰি। এজন খাদ্য সমালোচক হবলৈ হলে নানা খাদ্যৰ বুৰঞ্জী, সেইবিলাকক কিদৰে উৎপাদন কৰা হয়, তাৰপিছত ব্যঞ্জন কিদৰে প্ৰস্তুত কৰা হয়, ব্যঞ্জনত কি কি বস্তু দিয়া হয়, ৰেষ্টুৰেন্টৰ কাৰ্যপ্ৰণালী কেনে, এই সকলোবিলাক বিষয়ৰ জ্ঞানৰ প্ৰয়োজন হয়।

এজন খাদ্য সমালোচক অপক্ষপাতী আৰু সৎ হোৱা উচিত। ইয়াত সমালোচনা শব্দটোৱে কেৱল নাকাৰাত্মক চিন্তাধাৰাক নুবুজায়। যদি কোনো ঠাইত খাদ্যৰ মান ভাল নহয়, তেন্তে এজন উপযুক্ত খাদ্য সমালোচকে সেই খাদ্যক কিদৰে অধিক ভাল কৰিব পাৰি সেইবিষয়ে পৰামৰ্শ আগবঢ়োৱাৰ ক্ষমতা আৰু জ্ঞান ৰাখে।

দৰমহা :

চহৰ, প্ৰতিষ্ঠান বা আলোচনীৰ ওপৰত ভিত্তি কৰি খাদ্য সমালোচকৰ দৰমহাৰ তাৰতম্য হব পাৰে। স্থানীয় বাতৰি কাকতত লিখা লিখকতকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাতৰি কাকত বা আলোচনীৰ বাবে লিখা লিখকে বহু বেছি দৰমহা লাভ কৰে। – *ছাই*

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪৫

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

*যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪৫ লিখা।

৪) তোমাৰ উত্তৰ ৩০ নভেম্বৰ ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১৩ চনৰ জানুৱাৰী মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

গান্ধীজীৰ বিষয়ে



১. গান্ধীজীৰ জন্ম ক'ত হৈছিল ?

২. গান্ধীজীৰ মাকৰ নাম কি আছিল ?

৩. গান্ধীজীক এখন ট্ৰেইনৰ এটা ডবাৰ পৰা উলিয়াই পঠিওৱাৰ সেই বিখ্যাত ঘটনাটো দক্ষিণ আফ্ৰিকাৰ কোনখন চহৰত সংঘটিত হৈছিল ?

৪. কংগ্ৰেছৰ কোনখন অধিৱেশনত গান্ধীজীয়ে সভাপতিত্ব কৰিছিল ?

৫. গান্ধীজীয়ে ভাৰতত এখন বাতৰিকাকত আৰম্ভ কৰিছিল। কাকতখনৰ নাম কি আছিল ?

৬. গান্ধীজীয়ে ক'ত তেওঁৰ প্ৰথম আশ্ৰম স্থাপন কৰিছিল ?

৭. ভাৰতৰ কোন ঠাইত গান্ধীজীয়ে প্ৰথম সত্যাগ্ৰহ কৰিছিল ?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৪২, জুলাই ২০১২ চনৰ উত্তৰ:

১. চিকান ৱৰ্ক, ২. মহীশুৰ, ৩. পঞ্জাৱ, ৪. গুজৰাট আৰু ৰাজস্থান, ৫. অন্ধ্ৰপ্ৰদেশ, ৬. উড়িছা, ৭. মহাৰাষ্ট্ৰ, ৮. কাঞ্চিপুৰম.

২০১২ চনৰ জুলাইমাহৰ সাধাৰণ জ্ঞান (GK) কুইজ প্ৰতিযোগীতাৰ কোনো বিজেতা নাই।

কৌতুক



বিনয়: এবাৰ মই যেতিয়া ৰাস্তাত খেলি আছিলো, এখন দ্ৰুতগতিত অহা মটৰ চাইকেলে মোক খুন্দিয়াই অজ্ঞান কৰি পেলালে।

বিশাল: বাপৰে, সংঘাটিক কথা দেখোন। তুমি সেই দুৰ্ঘটনাটোত মৃত্যুবৰণ কৰিলা নে বাচি থাকিলা ?

বিনয়: মোৰ ঠিক মনত নাই। কিয়নো সেই সময়ত মোৰ বয়স মাত্ৰ ৪ বছৰহে আছিল।



দুটা পোৱালী সাপে কথা পাতি আছিল। এটাই হঠাতে আনটোক সুধিলে, ‘‘আমি বিষধৰ নেকি ?’’

আনটোৱে কলে, ‘‘হয়, কিয় জানিব বিচাৰিছ ?’’

‘‘মই এইমাত্ৰ দাতঁকামোৰা খালো।’’

ৰোগী: মই এটা চাবি গিলি দিলো।

ডাক্তৰ: কেতিয়া ?

ৰোগী: চাৰিমাহ মানৰ আগতে।

ডাক্তৰ: ইমান দিনে কি কৰি আছিল ?

ৰোগী: দুপ্লিকেট চাবিৰে কাম চলাই আছিলো, কিন্তু আজি সেইটোও হেৰাই থাকিল।

এটা চাৰিবছৰীয়া ল’ৰাই গাড়ীৰ পিছফালৰ ছিটত বহি এটা আপেল খাই আছিল। হঠাতে সি সুধিলে, ‘‘দেউতা, মোৰ আপেলটো কিয় মটীয়া ৰঙৰ হবলৈ আৰম্ভ কৰিছে ?’’

‘‘কিয়নো’’, দেউতাকে কলে, ‘‘তুমি আপেলটোৰ বাকলি খোৱাৰ পিছত আপেলৰ শাহখিনি বায়ুৰ সংস্পৰ্শলৈ আহে আৰু তাত ‘অক্সিডাইজ’ হয়। ইয়াৰ ফলত আপেলৰ শাঁহৰ পাৰমানৱিক গঠন সলনি হয় আৰু তাৰ বৰণ মটীয়া হৈ পৰে।’’

কিছুসময় নিমাত হৈ থকাৰ পিছত পুতেকে সুধিলে, ‘‘দেউতা, আপুনি মোকেই কৈ আছেনে ?’’

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	No I'm free now.	Have you understood?
Assamese	নহয়, মই এতিয়া আজৰি।	তুমি বুজি পালানে?
Telugu	లేదు, నేను ఇప్పుడు ఖాళీగా ఉన్నాను. লেডু, নিনু ইপ্‌পুডু খালিগা ভুন্‌নানু.	నీకు అర్థమైందా? নীকু অৰ্থমইনধা?
Tamil	இல்லை, நான் இப்போது சும்மாத்தான் இருக்கிறேன். ইল্লাই, নান ইপ্‌পুধু চুম্মথান ইৰুক্কিৰেন.	உனக்குப் புரிந்ததா? উনক্কু পুৰিনধা?
Bengali	না, এখন আমার কোনও কাজ নেই। না, এখন আমাৰ কোনো কাজ নাই।	তুমি কি বুঝতে পেরেছ? তুমি কি বুজতে পাৰেচো?
Marathi	मी आता मोकळीच/मोकळाच आहे. মি এট মকল/মকলি অহে.	तुला हे समजलं का? তুল হে সমজল ক?
Kannada	ಇಲ್ಲ, ಈಗ ನನಗೆ ಪುರುಸೊತ್ತಿದೆ. ইল্লা, নানীগে পুৰুসোত্তিলিড্ডেনে.	ನಿಮಗೆ ಅರ್ಥವಾಯಿತೇ? নিমগে অৰ্থভায়িটে?
Odia	ମୁଁ ବର୍ତ୍ତମାନ ଖାଲି ଅଛି। মুন বৰ্তমান খালি আচি।	ତୁମେ ବୁଝିପାରିଲ ? তুমি বুজি পাৰিল্লা?
Gujarati	ના હવે મને ફુરસદ છે. না হেভ মানে ফুৰচড চে.	શું તમે સમજી ગયા? শুন তমে সমজী গেয়া?
Hindi	नहीं अब मेरे पास कोई काम नहीं। নেহি, অব মেৰে পাছ কই কাম নেহি.	क्या तुम समझ गए/गई? ক্যা তুম সমঝ গেয়ে/গেয়ী?
Malayalam	ഇപ്പോൾ എനിക്ക് തിരക്കില്ല. ইপ্‌পল ইনিক্কু থিৰক্কিল্লা.	നിങ്ങൾക്ക് മനസ്സിലായോ? নিনগলক্কু মনশিলয়ো?
Sanskrit	न, अधुना व्यस्तः नास्मि। ন, অধুনা ব্যস্তহ নাস্মি।	अवगतं वा? অৱগতম ৱা?

English	Have you taken notes?	It is enough for today.
Assamese	তুমি টুকি ললানে?	আজিৰ বাবে এয়াই যথেষ্ঠ।
Telugu	నీవు నోట్స్ తీసుకున్నావా? নীভু নোটছ থীচুকুন্নাভা?	ఈ రోజుకు ఇది చాలు. ঈৰোজুকু ইধি চালু.
Tamil	நீ குறிப்பு எடுத்துக் கொண்டாயா? নী কুৰিপ্পুইডুথু কনডায়া?	இன்று இது போதும். ইনড্রু ইধু পধুম.
Bengali	তুমি কি নোট নিয়েছ? তুমি কি নোটে নিয়েচো?	আজকের জন্য এটাই যথেষ্ট। আজকেৰ জন্য এটাই যথেষ্ট।
Marathi	तू मुद्दे काढलेस का? তু মুড্ডে কধলেচ ক?	आजच्यासाठी हे पुरेसं आहे. অজচ্যাসাথী হে পুৰেস অহে.
Kannada	ನೀವು ಟಿಪ್ಪಣಿ ಮಾಡಿಕೊಂಡಿರಾ? নীভূ টিপ্পাণি মাডিকনডিৰা?	ಇವತ್ತಿಗೆ ಇಷ್ಟು ಸಾಕು. ইভট্রিগে ইষ্টু সাকু.
Odia	ତୁମେ ନୋଟ୍‌ସ ନେଇଛ କି? তুমি নোটছ নিয়েছ কি?	ଏହା ଆଜି ପାଇଁ ଯଥେଷ୍ଟ। ইহা আজি পাইন যথেষ্ট।
Gujarati	તમે નોટ્સ લઈ લીધા? তমে নোটছ লই লীধা?	આજ માટે પૂરતું છે. আজ মাটে পুৰতুম চে.
Assamese	क्या तुमने नोट्स लिये? ক্যা তুমনে নোটছ লিয়ে?	यह आज के लिये काफ़ी है। য়ে আজ কে লিয়ে কাফী হে.
Malayalam	നിങ്ങൾ എഴുതിയെടുത്തോ? নিনগল ইঝুথিয়েদুথো?	ഇന്നത്തേക്ക് ഇത്ര മതി. ইন্নথেক্কু ইথ্রা মথি.
Sanskrit	त्वया टिप्पणि: कृता वा? তভ্যা টিপ্পনিহ কৃতা ৱা?	अद्य एतावत् पर्याप्तम्। অড্য এতাৱত পৰ্যাপ্তম।

ভাৰত দৰ্শন

কাৰাবন্দীৰ পৰা শিক্ষক

অতি সোনকালেই নিচিদ্ৰ পহৰাযুক্ত তিহাৰ কেন্দ্ৰীয় কাৰাগাৰৰ ৩ নং কাৰাগাৰৰ এশ কাৰাবন্দীয়ে শিক্ষকৰ পৰিচয় লাভ কৰিব। দিল্লী চৰকাৰৰ শিক্ষা সঞ্চালকালয়ে কাৰাগাৰত আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰাৰ এটা বিশেষ কাৰ্যসূচী আৰম্ভ কৰে। এই বিষয়ে 'দি হিন্দু' কাকতত প্ৰকাশ পাইছে। ইয়াক দুইধৰণে সফল কৰা হব - কাৰাবন্দীক প্ৰশিক্ষক হব পৰাকৈ প্ৰশিক্ষণ দি আৰু পৰিকল্পিত পাঠ্যসূচী আৰু পৰীক্ষা ব্যৱস্থাৰ আৰম্ভ কৰি। কাৰাবন্দীসকলক আঠখন চৰকাৰী বিদ্যালয়ৰ শিক্ষকে প্ৰশিক্ষণ দিছে। প্ৰশিক্ষিতসকলে পিছত আনসকল কাৰাবন্দীক প্ৰশিক্ষণ দিব। এই কামৰ বাবে প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিত প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে ব্যৱহাৰ কৰা তিনিখন 'বুনিয়াদী' কিতাপ ব্যৱহাৰ কৰা হৈছে। উচ্চ শ্ৰেণীলৈ উত্তীৰ্ণ হবৰ বাবে তেওঁলোকে পৰীক্ষাটো বহিব পাৰিব। কাৰাবন্দীসকলে মুক্তি লাভ কৰাৰ পিছত এই শিক্ষা তেওঁলোকৰ সহায়ক হব।

সকলোৰে বাবে পোহৰ

ৰাজস্থানৰ তিলোনীয়াত সকলো সৌৰশক্তিৰে চলোৱা হয়। বুনকাৰ ৰয় হ'ল এজন জনাজাত সমাজসেৱী, যি মত প্ৰকাশ কৰে যে এই কাম যিকোনো গাৱঁৰ ক্ষেত্ৰতেই সম্ভৱ। তদুপৰি ই তেনেই কম খৰচী। 'দি বেৰফুট কলেজ' দেশৰ নানা ঠাইত সৌৰ ফটোভল্টিক শাখা (যি সূৰ্যৰ পোহৰক পোনে পোনে শক্তিলৈ ৰূপান্তৰিত কৰে) স্থাপন আৰু চলাব পৰাকৈ গাৱঁৰ যুৱকক প্ৰশিক্ষণ দিবৰ বাবে ২৯ বছৰৰ আগতে স্থাপন কৰা হৈছিল। ইয়াক যিকোনো গ্ৰাম্যাঞ্চলতেই, সেই ঠাই পাহাৰৰ ওপৰতে বা মৰুভূমিৰ মাজতেই হওক, স্থাপন কৰিব পাৰি। ৰয়ে স্থাপন কৰা বেৰফুট কলেজে খৰচী, পুণৰ ব্যৱহাৰ অযোগ্য পৰম্পৰাগত শক্তিৰ বিপৰীতে এই প্ৰদুষণমুক্ত, কম খৰচী, পুণৰ ব্যৱহাৰযোগ্য শক্তিক ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰিছে। বৰ্তমানে এই প্ৰতিষ্ঠানত প্ৰশিক্ষিত সৌৰ শক্তিৰ অভিযন্তাসকল ৰাজস্থানৰ সীমা পাৰ হৈ তিব্বতৰ সীমান্তত থকা লাডাখতো উপনীত হৈছেগৈ। অলপতে বুনকাৰ ৰয়ে জামনীৰ ৰটেছ ৰাঠাউচ বা দি ৰেড চিটি হাল্লিন, বাৰ্লিনত এটা পুৰস্কাৰ লাভ কৰে। তেওঁ এই পুৰস্কাৰৰ ধনেৰে হিমালয় অঞ্চলৰ 'বেৰফুট' মহিলা সৌৰ অভিযন্তাক প্ৰশিক্ষণ দিয়া কামত ব্যৱহাৰ কৰিবলৈ আঁচনি লৈছে।

CHANDAMAMA'S

Ramayana

An Epic Journey





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

To place an order, go to www.chandamama.com

Chandamama's Ramayana is available only in English at all leading book shops.

ৰসিক মানুহ

বীৰবল

নাপিতক উপযুক্ত শিক্ষা

১. বীৰবলক ঈৰ্ষা কৰা সভাসদ কিছুমানে এক ষড়যন্ত্ৰ কৰিলে যে বীৰবল দৰবাৰৰ পৰা বাহিৰ কৰি দিয়া হওক। কিন্তু কেনেকৈ? ইজনে সিজনৰ মুখলৈ চালে। ''মোৰ মনত এটা বুদ্ধি খেলাইছে।'' এজনে কলে।

২. সভাসদসকলে ৰাজ নাপিতক লগ ধৰি আঁচনিটো ভাঙি-পাতি কলে। ''এই ধনখিনি লোৱা। বীৰবলৰ মৃত্যু হব লাগিব।'' তেওঁলোকে কলে। ''মই কি কৰিব পাৰো চেষ্টা কৰি চাও।'' নাপিতে কলে।



৩. পিছদিনাখন, নাপিতে সম্ৰাটক কলে, ''হুজুৰ, আপোনাৰ পূৰ্বপুৰুষসকল স্বৰ্গত কেনে আছে সেইকথা জানিবলৈ মন নাযায়নে?'' আকবৰে সুধিলে, ''সেয়া জনাটো কেনেকৈ সম্ভৱ?''

৪. ''সম্ভৱ হুজুৰ। যদি বীৰবলক এটা চিতাত তুলি জুই লগাই দিয়া হয় তেতিয়া সম্ভৱ হৈ উঠিব।'' নাপিতে কলে। তেওঁ সম্ৰাটৰ সন্দেহ দূৰ কৰিবৰ বাবে পুণৰ কলে, ''তাৰ বাবে প্ৰয়োজনীয় মন্ত্ৰ মোৰ জনা আছে।''



৫. বীৰবলে এই ঘটনাৰ বিষয়ে জানিব পাৰিলে। তেওঁ চিতা সাজিবলগীয়া ঠাইৰ তলৰ পৰা নিজৰ ঘৰলৈ এটা সুৰংগ নিৰ্মাণ কৰিলে। 'মই ইয়াৰ সহায়ত নিজকে ৰক্ষা কৰিম আৰু নাপিতক এক উচিত শিক্ষা দিম।'

৬. নিৰ্দিষ্ট দিনত বীৰবলক চিতাৰ ওপৰত তুলি জুই লগাই দিয়া হ'ল। কিন্তু আগতে খান্দি থোৱা সুৰংগইদি তেওঁ পলাই আহি নিজৰ ঘৰ পালেহি। এমাহমান তেওঁ ঘৰতে থাকি চুলি-দাড়ি দীঘল কৰি পেলালে।

৭. এমাহৰ পিছত সেই অৱস্থাৰে গৈ সম্ৰাটক দৰবাৰত দেখা কৰাত সম্ৰাটে সুধিলে, ''তুমি উভতি আহিলা? মোৰ পূৰ্বপুৰুষসকলক লগ পালানে?'' বীৰবলে কলে, ''হয় শ্বাহেনশ্বাহ। তেওঁলোকৰ এটা সমস্যা হৈছে।''

৮. আকবৰে সুধিলে, ''কি সমস্যা?'' ''তেওঁলোকৰ চুলি দাড়ি দীঘল হৈ পৰিছে। এজন ৰাজ নাপিতক প্ৰেৰণ কৰিবলৈ আপোনালৈ বাৰ্তা প্ৰেৰণ কৰিছে।'' বীৰবলে কলে। ''ঠিক আছে।'' আকবৰ মান্তি হ'ল।

৯. সম্ৰাটৰ আদেশমতে নাপিতক চিতাত তুলি জুই লগাই দিয়া হ'ল। বীৰবলে মন্ত্ৰ মাতিবলৈ ধৰিলে। নাপিতে চিঞৰিবলৈ ধৰিলে, ''বচোৱা, অনুগ্ৰহ কৰি মোক ক্ষমা কৰা।'' টুটকীয়া নাপিত জুইত জ্বলি ছাই হৈ গ'ল।

কিতাপৰ পৰিচয়

তুমি এখন কিতাপ হাতত তুলি লৈ পিছফালৰ বেটুপাত চালে দেখিবা যে তাত এটা সংখ্যা আছে। ই হ'ল ISBN-80-60001-33-4 ধৰণৰ। তোমাক যদি কওঁ যে সেইটোৱেই হ'ল কিতাপখনৰ ঠিকনা, তুমি বিশ্বাস কৰিবানে?

বিশ্বাস কৰা বা নকৰা, এইটো সঁচা কথা। এই ISBN বা ইন্টাৰনেচনেল ষ্টেণ্ডাৰ্ড বুক নাম্বাৰ হ'ল কিতাপক নম্বৰ দিবৰ বাবে ব্যৱহৃদ এক পদ্ধতি। যেতিয়া এক প্ৰকাশকে এখন নিৰ্দিষ্ট কিতাপৰ এক নিৰ্দিষ্ট পৰিমাণ সংখ্যা মুদ্ৰণ কৰে, তেতিয়া তেওঁ সিবিলাকক চিনাক্ত কৰিবৰ বাবে এক সংখ্যা ব্যৱহাৰ কৰে। সেই নম্বৰ হ'ল দহটা সংখ্যাযুক্ত। প্ৰথম ভাগটোৱে কোনখন দেশত কিতাপখন প্ৰকাশ হৈছে তাক সূচায়, দ্বিতীয় ভাগটোৱে সূচায় প্ৰকাশকৰ বিৱৰণ। তৃতীয় ভাগটোক শীৰ্ষক চিনাক্তকাৰী আৰু চতুৰ্থ ভাগটোক 'চেক ডিজিট' বা পৰীক্ষণ সংখ্যা বুলি কোৱা হয়।

গুপ্তধনৰ বাকচ

এই মাহত আমি কিছুমান উদ্ভিদৰ চিত্ৰৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।

ইউকেলিপটাচ গছ

বাওবাব গছ

মধুৰীআমৰ গছ

আমলখি গছ

ওক গছ

পাইন গছ

SELECTED
Superbrand
INDIA 2011/12
Consumer Validated

BSA LADYBIRD
Breeze

Ride like a wild Breeze

When there's a Breeze around, every day looks even more exciting. The dashingly designed cycle is your perfect partner for the daily getaways and weekend adventures. Ride the joy.

Attractive Product Benefits: Designer Step Through Frame
Attractive Wire Mesh Basket | MTB Tyres | Stylish Chain Cover
Designer Skirt Guard | Strong Integrated Carrier

Available in four colours

Black | Coral Red | Aqua Green | Steel Blue

LadybirdBSA | YouTube bsahercules | www.bsahercules.com | Customer care no : 18001022324 (Toll Free)

CHANDAMAMA (Assamese) October 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Published on first of every month. Licensed to post regd. No. MH/MR/N/134/MBI/10-12